
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৭তম সংখ্যা ●
গুৱাহাটী ● বুধবাৰ ৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৮ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 18 May 2022 মূল্য ঃ ৯.০০ টকা



● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সংগীতৰ এটা ভাল কথা এয়ে যে যেতিয়াই আপোনাক আঘাত কৰে, আপুনি কোনো বেদনা অনুভৱ নকৰে।

বব মাৰ্লি
*জামাইকাৰ গায়ক*



www.dainikagradoot.in

৭ হঠাৎ ৰুছ সীমান্তত উপস্থিত ইউক্ৰেইনৰ সেনা
১৫ বধিৰ অলিম্পিকত ভাৰতৰ ১৭টা পদক লাভ
৪ বৃহৎ পুঁজিৰ স্বাৰ্থত চৰকাৰে সলাইছে আৰ্দ্ৰভূমি নীতি



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৭তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৮ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 18 May 2022 মূল্য ঃ ৯.০০ টকা



মঙলদৈ, গহপুৰ আৰু ডিমা হাছাওত বানপানীৰ বিধ্বংসী ৰূপ, ক্ৰমে বাওঁফালৰ পৰা।

■ বুঢ়াদিয়া, মৰা পাগলাদিয়া, কানাইখুন্দাকে ধৰি ওফন্দি উঠিছে নৈ-নদ ■ যোৱা তিনিদিনে বহিঃজগতৰ পৰা বিচ্ছিন্ন মাজুলী ■ বানত আক্ৰান্ত ৮০,৬৫৯টি শিশুকে ধৰি মুঠ ৪,০৩,৩৫২জন

# ৰাজ্যজুৰি আগতীয়া বানৰ ৰুদ্ৰমূৰ্তি


**আশ্ৰয় শিবিৰত আছে ৩৯৫৫৮জন ■ ২৬খন জিলাৰ ক্ষতি ঃ বান-খহনীয়াত আঠজনৰ মৃত্যু**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ মে'** ঃ ৰাজ্যজুৰি বানপানীয়ে সংহাৰী ৰূপ ধাৰণ কৰিছে। এই পৰ্যন্ত চৰকাৰী তথ্য অনুসৰি ৰাজ্যৰ ২৬খন জিলা ক্ষতিগ্ৰস্ত হৈছে। এইসমূহ হৈছে বজালী, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, চৰাইদেউ, দৰং, ধেমাজি, ডিব্ৰুগড়, ডিমা হাছাও, গোৱালপাৰা, হাইলাকান্দি, হোজাই, কামৰূপ, কাৰ্বি আংলং পশ্চিম, কৰিমগঞ্জ, কোকৰাঝাৰ, লখিমপুৰ, মাজুলী, মৰিগাঁও, নগাঁও, নলবাৰী, শোণিতপুৰ, তামুলপুৰ আৰু ওদালগুৰি। আনহাতে, নগৰীয়া বানৰ জিলা দুখন দৰং আৰু কামৰূপ মহানগৰ বুলি অসম চৰকাৰে তথ্য প্ৰকাশ কৰিছে। এই পৰ্যন্ত ১,০৮৯খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। বানৰ তাণ্ডৱত মুঠ ৪,০৩,৩৫২জন লোক ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰে ভিতৰত ১,৮৩,১৫২জন পুৰুষ, ১,৩৯,৫৪১গৰাকী মহিলা আৰু ৮০,৬৫৯টি শিশু। তদুপৰি ৩২৯৪৪.৫২ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে বুলি চৰকাৰে তথ্য প্ৰকাশ কৰে। তদুপৰি ৮৯টা আশ্ৰয় শিবিৰ মুকলি কৰা হৈছে। আজি পৰ্যন্ত আশ্ৰয় শিবিৰৰ বাসিন্দাৰ সংখ্যা ৩৯,৫৫৮গৰাকী। ইয়াৰে পুৰুষ ২৩,৭৮০জন, মহিলা ১২,০০৬গৰাকী আৰু *আঠ পৃষ্ঠাত চাওক*

■ মহানগৰীত বাৰিষাৰ আগে আগে আৰম্ভ হয় আঁচনিৰ কাম, কৃত্ৰিম বানত আধাতে হয় স্তব্ধ ■ চাৰিদিন ধৰি পণবন্দী কে'বাটাও অঞ্চলৰ বাসিন্দা ■ ফ্লপশ্ব'ত পৰিণত অভিলাষী আঁচনি

## শ্ল'গানতে আবদ্ধ কৃত্ৰিম বান ৰোধৰ সপোন

■ বৰষুণ গ'লে জাপি বিচাৰি নলা চাফাইত ব্যস্ত পৌৰ কৰ্মচাৰী ■ ভিআইপিৰে ভৰি থকা ৰুক্মিনীগাঁৱত চলিছে কলগছৰ ভুৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ মে'** ঃ 'চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি' আপ্তবাক্যশাৰী সাৰোগত কৰি কৃত্ৰিম বানত বিধ্বস্ত মহানগৰবাসীক সকাহ দিবলৈ বিভিন্ন স্থানত পৌৰ কৰ্মচাৰীয়ে চলোৱা নলা চাফাই কামে সম্প্ৰতি ব্যাপক চৰ্চা লাভ কৰিছে। মহানগৰীৰ কৃত্ৰিম বান *১০ পৃষ্ঠাত চাওক*

■ পুঠিমাৰী নৈৰ পাৰত উদ্ধাৰ মৃতদেহ ■ পাঁচ অপহৰণকাৰী আটক ■ হত্যাকাৰীৰ ফাঁচিৰ দাবীত হাজো থানাৰ সমীপত প্ৰতিবাদ

## মুক্তিপণৰ ১০ লাখ টকা নিদিয়াত কিশোৰ ছাত্ৰক নৃশংসভাৱে হত্যা

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১৭ মে'** ঃ কামৰূপ জিলাৰ হাজোৰ এজন অপহৃত কিশোৰ ছাত্ৰৰ মৃতদেহ পুঠিমাৰী নৈৰ পাৰত উদ্ধাৰ হোৱা এক ঘটনাই অঞ্চলজুৰি তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। অপহৰণৰ এদিন পাছত মৃতদেহ



উদ্ধাৰ হোৱা ছাত্ৰজন হৈছে হাজো আৰক্ষী থানাৰ অন্তৰ্গত একাদিৰ মগুৰ আলীৰ পুত্ৰ তথা দক্ষিণশিংৰা-কোঁৱৰপুৰ আঞ্চলিক হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ ৰফিকুল ইছলাম (১৬)। ছাত্ৰজনক অপহৰণ কৰি বিচৰা মুক্তিপণ *১০ পৃষ্ঠাত চাওক*

## ইটানগৰত দুদিনত ভূমিস্খলনত পাঁচজনৰ মৃত্যু

বান্দৰদেৱা-ইটানগৰ যাতায়াত বন্ধ

**অগ্ৰদূত বাৰ্তা**
**বান্দৰদেৱা, ১৭ মে'** ঃ ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰত আজি তিনিজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ পূৰ্বে ৪১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জুলি বস্তিৰ সংযোগী পথত ভূমিস্খলন হৈ কালি টাই ইয়ী (৪৫) *১০ পৃষ্ঠাত চাওক*

## ৰেলে মহটিয়াই নিয়া যুৱকৰ কাষত উদ্ধাৰ অচেতন যুৱতী

কুকুৰমাৰাৰ মধুপুৰত নিশা চাঞ্চল্য


**ছয়গাঁও, ১৭ মে'** ঃ দক্ষিণ কামৰূপৰ বিজয় নগৰ পহৰা চকীৰ অন্তৰ্গত কুকুৰমাৰাৰ সমীপৰ মধুপুৰত আজি নিশা ৯-৩০ বজাত ৰেলে মহটিয়াই নিলে এজন যুৱকক। কামাখ্যা-যোগীঘোপা ব্ৰডগজ ৰেলআলিত সংঘটিত দুৰ্ঘটনাত নিহত যুৱকজন বৰ তেজপুৰৰ নগেন *১০ পৃষ্ঠাত চাওক*

## 'নিলনছ' কোম্পানীৰ আচাৰত ওলাল জন্তুৰ দাঁত

খাদ্যৰ নামত বৰবিহ!

**অগ্ৰদূত বাৰ্তা**
**বৰপথাৰ, ১৭ মে'** ঃ বিভিন্ন সময়ত খোৱা খাদ্যত জেঠী, পঁইতাচোৰা আদি ওলোৱাৰ লগতে ম্যাদ উকলা, অস্বাস্থ্যকৰ পৰিৱেশত প্ৰস্তুত কৰা, মাৰাত্মক ৰাসায়নিক পদাৰ্থ মিহলি কৰা তথা তেনেধৰণৰ খাদ্য সামগ্ৰী খাই মানুহ অসুস্থ আৰু মৃত্যুমুখত পৰা *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৩° |
| ডিব্ৰুগড় | ২৪° | ২২° |
| দিল্লী | ৪৫° | ৩৩° |
| কলকাতা | ৩৪° | ২৯° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৯° | ২১° |
| শ্বিলং | ২২° | ১৮° |

*১৭ মে', ২০২২*

### চেঙা তেল



*ক'ভিডৰ বতৰ মানে ৰুদ্ধ বাক্ স্বাধীনতাও নেকি বাৰু!*

**সংগ-প্ৰসংগ**

■ দয়ানন্দ পাঠক

## ভাষাবিদ ভগৱান মৰল



**ড° ভগৱান** মৰলক (জন্ম-১৯৩৪) অতি নিবিড়ভাৱে পাইছো দুটি অনুষ্ঠানত— প্ৰথম গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত আৰু দ্বিতীয় অসম ভাষা বিজ্ঞান সমিতিত। মৰল আছিল প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী। পাছলৈ কলেজখনৰ অধ্যক্ষ হয়গৈ। তেওঁৰ উদ্যোগতেই কলেজখনত অসমীয়া বিভাগটোত অসমীয়া বিভাগৰ স্নাতকোত্তৰ *১০ পৃষ্ঠাত চাওক*

## প্ৰতিকূল বতৰ নেওচি কাৰ্বি পৰিষদৰ নিৰ্বাচনৰ তৎপৰতা তুংগত উঠিছে

■ নটা পৰিষদীয় সমষ্টিৰ বাবে বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ৯৪জন

**অগ্ৰদূত বাৰ্তা**
**বৈঠালাংছ'/ডংকামোকাম, ১৭ মে'** ঃ আসন্ন কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰাজনৈতিক দলসমূহে কুছকাৱাজ আৰম্ভ কৰিছে। প্ৰতিকূল বতৰে বিধিপথালি দিলেও অন্যান্য ৰাজনৈতিক দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে টিকট লাভৰ বাবে প্ৰয়োজনীয় তৎপৰতা অব্যাহত ৰখাৰ সমান্তৰালকৈ প্ৰচাৰ পৰ্বও ঠায়ে ঠায়ে আৰম্ভ হৈছে। ইতিমধ্যে বিভিন্ন দলৰ প্ৰাৰ্থিত্ব *১০ পৃষ্ঠাত চাওক*

## মৃত্যুমুখী দীপৰ বিলক ৰক্ষাৰ দাবীত উত্তাল প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ মে'** ঃ ৰাজ্যৰ একমাত্ৰ ৰামছাৰ ক্ষেত্ৰ দীপৰ বিললৈ নামি অহা সংকট দূৰ তথা অঞ্চলটোত সুস্থ পৰিৱেশ ৰক্ষা কৰাৰ দাবীৰে আজি বৰাগাঁও ডাম্পিং গ্ৰাউণ্ডৰ প্ৰৱেশ পথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। দীপৰ বিলৰ স্পৰ্শকাতৰ অঞ্চলৰ মাজেৰে ৰেল চলাচল, উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ তাঁৰ সৰবৰাহৰ সমান্তৰালভাৱে মৰাভৰলু, বশিষ্ঠ নদীৰ প্ৰদূষিত পানী-আৱৰ্জনা, পশ্চিম বৰাগাঁৱৰ ডাম্পিং গ্ৰাউণ্ডে *১০ পৃষ্ঠাত চাওক*

## ছাত্ৰীক অসৎ আচৰণৰ অভিযোগত জেললৈ গ'ল অধ্যক্ষ

খাৰুপেটীয়াৰ দীক্ষা একাডেমীত উত্তেজনা

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ১৭ মে'** ঃ শিক্ষাৰ্থী-শিক্ষকৰ পবিত্ৰ সম্পৰ্কত কালিমা সানি দৰঙৰ খাৰুপেটীয়াত নিজ বিদ্যালয়ৰে এগৰাকী ছাত্ৰীক অসৎ আচৰণ কৰাৰ *১০ পৃষ্ঠাত চাওক*

## ভূপেন বৰাই সভাপতি হৈ থাকিব ঃ বিসম্বাদৰ মাজতে ক'লে জিতেন্দ্ৰ সিঙে

সাংগঠনিক নিৰ্বাচনৰ বাবে বৈঠক অনুষ্ঠিত এ পি চি চিৰ ■ কংগ্ৰেছত নেতৃত্বৰ বিৰুদ্ধে আকৌ ক্ষোভ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ মে'** ঃ ইটোৰ পাছত সিটো নিৰ্বাচনত ধাৰাবাহিক পৰাজয়ৰ বোজা ল'বলগীয়া হোৱা অসম কংগ্ৰেছত পুনৰ আৰম্ভ হৈছে নেতৃত্বৰ বিৰুদ্ধে ক্ষোভৰ উকমুকনি। সভাপতি ভূপেন বৰাৰ বাবে অসমত দলটো অধিক বিপৰ্যয়ৰ সন্মুখীন হোৱা, দলক আগবঢ়াই নিয়াৰ পৰিৱৰ্তে *১০ পৃষ্ঠাত চাওক*

## সৰ্থেবাৰীত সমবেত ৰাইজক মহতিয়াই নিয়াত মৃত্যু তিনিজনৰ

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ১৭ মে'** ঃ সৰ্থেবাৰীত যোৱা নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজন লোক নিহত হোৱাৰ লগতে নজন গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত দুজনৰ অৱস্থা সংকটজনক। ঘটনাৰ বিৱৰণিত প্ৰকাশ যে নিশা প্ৰায় ৯-৩০ বজাত সৰ্থেবাৰী-নলবাৰী পথৰ সৰ্থেবাৰীৰ সমীপৱৰ্তী নামশালা গাঁৱত এক মটৰ *১০ পৃষ্ঠাত চাওক*

উদ্ধাৰ হোৱা 'শিৱলিংগ'ৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ ক'লে বাৰানসী জিলা দণ্ডাধীশক ■ মথুৰাৰ শ্বাহী ঈদগাহ ছীলৰ আবেদন আদালতত

## জ্ঞানবাপী মছজিদত নামাজ বন্ধ নকৰিব ঃ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৭ মে'** ঃ উত্তৰ প্ৰদেশৰ জ্ঞানবাপী মন্দিৰৰ ভিতৰৰ কোন স্থানত শিৱলিংগ (ভগৱান শিৱৰ প্ৰতীক) প্ৰকৃতাৰ্থত উদ্ধাৰ হৈছে? আজি দেশৰ উচ্চতম ন্যায়ালয়ে বাৰানসী প্ৰশাসনক এই প্ৰশ্ন কৰে। মছজিদ চৌহদৰ ভিডিঅ'গ্ৰাফী বন্ধ কৰাৰ নিৰ্দেশ দিবলৈ মছজিদ কমিটীয়ে আদালতক জনোৱা এক শুনানিকালত এই প্ৰশ্ন সোধে প্ৰশাসনক। ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে *১০ পৃষ্ঠাত চাওক*





দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৮ মে' ২০২২

# প্ৰকৃতিৰ তাণ্ডৱ

ৰাজ্যৰ ২০খন জিলা এইবাৰ আগতীয়াকৈ অহা বাৰিষাৰ ফলত বানৰ কবলত। এতিয়ালৈকে বানপানী, খহনীয়া আদিৰ ফলত ৰাজ্যত ১২ গৰাকী লোকৰ মৃত্যু হৈছে যদিও অধিক মৃত্যুৰ আশংকা কৰা হৈছে। এইবাৰৰ ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনত প্ৰায় ধ্বংস্তূপত পৰিণত ডিমা হাছাও জিলা। এই পৰ্বতীয়া জিলাখনৰ ৫৩টা স্থানত ভূমিস্খলনৰ ফলত ওলমি আছে ৰেলপথ। বিমানেৰে উদ্ধাৰ কৰিবলগীয়া হৈছে ৰেলযাত্ৰীক। বিদ্যুৎ সংযোগ, ম'বাইল, ইন্টাৰনেট সকলো স্তব্ধ হৈ পৰিছে।

এয়া প্ৰাকৃতিক দুৰ্যোগ। ইয়াত মানুহৰ হাত দেখাত নাই। দেশত প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলাৰ বাবে সুকীয়া বিভাগ গঠন কৰা হৈছে। পিছে প্ৰাকৃতিক দুৰ্যোগ ৰোধ কৰিব সম্পূৰ্ণকৈ নোৱাৰিলেও ক্ষয়-ক্ষতি যাতে ন্যূনতম হয়, তাৰ বাবে আগতীয়া ব্যৱস্থা ল'ব পাৰি। নতুনকৈ ৰেলপথ, ঘাইপথ আদি নিৰ্মাণৰ আগেয়ে এই সম্ভাব্য দুৰ্যোগবোৰলৈ লক্ষ্য ৰাখি সেই মতে নিৰ্মাণ কৰিব পাৰি। ডিমা হাছাওত যেনেদৰে ৰেল পথবোৰ ওলমি আছে তাৰে চাই ক'ব পাৰি যে এই পথছোৱাত ৰেলপথ স্থাপনৰ সময়ত এই সম্ভাব্য দুৰ্যোগবোৰৰ পৰা হ'ব পৰা বিস্তৰ ক্ষয়-ক্ষতিৰ দিশটো বিবেচনা কৰা হোৱা নাছিল। ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰতো একেই ধৰণৰ অভিযোগ উত্থাপন কৰিব পাৰি। পাহাৰীয়া ঠাইত বিশেষকৈ বৰষুণৰ বতৰত পাহাৰৰ মাটি খহাটো স্বাভাৱিক। সাধাৰণতে পাহাৰৰ মাটি তাতেই অধিক খহে য'ত জধে-মধে পাহাৰ কাটি পেলোৱা হয় আৰু পাহাৰৰ গছ-গছনিবোৰ কাটি তহিলং কৰা হয়। সেয়েহে পাহাৰুৱা অঞ্চলত যিমান পাৰে পাহাৰ নকটাকৈ প্ৰয়োজন সাপেক্ষে উৰণীয়া সেতু নিৰ্মাণ কৰি পথ আদি নিৰ্মাণ কৰিব লাগে। পিছে উত্তৰ-পূৰ্বাঞ্চলত পাহাৰবোৰ য'ত নকটাকৈয়ো ৰাস্তা নিৰ্মাণ কৰিব পাৰি তাতো জধে-মধে কটা হয়। গুৱাহাটী-শ্বিলং পথ চাৰিলেনযুক্ত কৰাৰ সময়ত আমি এনে ধৰণৰ দৃশ্য প্ৰত্যক্ষ কৰিছো, যাৰ ফলত সাধাৰণতে পাহাৰৰ মাটি খহনীয়া নোহোৱা ঠাইতো ভূমিস্খলন হোৱা দেখিবলৈ পোৱা যায়। অকল ডিমা হাছাওতেই নহয়, কপিলীৰ বাবে হোজাই, কামপুৰ, লখিমপুৰত ৰঙানদী প্ৰকল্পৰ দুৱাৰ খুলি দিয়াৰ ফলত সৃষ্টি হৈছে বানৰ তাণ্ডৱ, উটুৱাই নিছে কে'বাখনো দলং। বৰাক উপত্যকাতো বানৰ তাণ্ডৱ চলিছে। দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ মতে ৰাজ্যখনত কমেও আৰু সাতদিন ধৰি চলিব ধাৰাসাৰ বৰষুণ। যদি সেয়ে হয়, তেনেহ'লে ৰাজ্যখন প্ৰবল বানৰ গৰাহত পৰাটো প্ৰায় নিশ্চিত। আবতৰীয়া বানপানীৰ ফলত খেতি-বাতি, শাক-পাচলি আদিৰ উৎপাদন ব্যাহত হ'ব আৰু নাটনিৰ সৃষ্টি হ'ব। এইবোৰ সমস্যাৰ জোৰা মৰাৰ বাবে চৰকাৰ সক্ষম হোৱাৰ সময় আহি পৰিছে।

এতিয়া জলবায়ুৰ পৰিৱৰ্তন আৰু ইয়াৰ মাৰাত্মক প্ৰভাৱৰ বিষয়টো কেৱল পাঠ্যপুথিৰ বিষয় হৈ থকা নাই। জলবায়ু পৰিৱৰ্তনে দেশ তথা ৰাজ্যত ভয়ানক পৰিস্থিতিৰ সৃষ্টি যে কৰিব পাৰে তাৰ আগজাননী দিছে। বাৰিষা শাম কাটিলেই আহিব উৎকট গৰম, যিসময়ত দেশৰ অন্যান্য প্ৰান্তত তুলনামূলকভাৱে গ্ৰীষ্মৰ প্ৰকোপ হ্ৰাস পায়, সেই সময়ত বিশেষকৈ আগষ্ট-ছেপ্টেম্বৰত অসম আৰু চুবুৰীয়া অঞ্চলত গ্ৰীষ্মৰ প্ৰকোপ ভয়াৱহভাৱে বৃদ্ধি পায়। ইয়াৰ কাৰণবোৰৰ ভিতৰত অন্যতম হ'ল বনাঞ্চল ধ্বংস, আৰ্দ্ৰভূমি পুতি পেলোৱা, জলাশয়বোৰৰ ক্ষতিসাধন ইত্যাদি। চৰকাৰে গ্ৰীণ ফিল্ড বিমানকোঠ নিৰ্মাণৰ বাবে হেজাৰ বিঘা মাটিৰ চাহপাত আৰু গছ-গছনি কাটিছে বৰাকত, জধে-মধে গছ কাটি ৰাস্তা-ঘাট নিৰ্মাণ কৰিছে। উন্নয়ন লাগে কিন্তু স্থায়ী উন্নয়নৰ বাবে পৰিৱেশৰ ওপৰত ন্যূনতম হেঁচা দিব লাগিব।

বৰ্তমান কেন্দ্ৰীয় চৰকাৰে ইজ অৱ ডুইং বিজনেছৰ নামত পৰিৱেশ আইনবোৰ শিথিল কৰিছে, জলাশয়, আৰ্দ্ৰভূমি সংৰক্ষণৰ অধিনিয়মসমূহ সলনি কৰি চৰকাৰে ইচ্ছামতে এনে ভূমিত উদ্যোগ, ৰিয়েল ইষ্টেট আদি খোলাৰ বাট মুকলি কৰিছে। গতিকে যদিহে দেশবাসী আৰু চৰকাৰ পৰিৱেশ ৰক্ষা কৰিবলৈ আগবাঢ়ি নাহে আৰু জলবায়ু পৰিৱৰ্তন ৰোধ কৰাৰ বাবে যুদ্ধংদেহি মনোভাৱেৰে কাম নকৰে তেনেহ'লে দুৰ্যোগৰ মোকাবিলা কৰা তথা দুৰ্যোগ প্ৰশমন অসম্ভৱ হৈ পৰিব লগতে ক্ষতিগ্ৰস্ত হ'ব দেশৰ অৰ্থনীতি, প্ৰকৃতিৰ তাণ্ডৱত হেজাৰ হেজাৰ লোকৰ জীৱন বিপন্ন হ'ব। ডিমা হাছাওৰ ধ্বংসস্তূপে সেই কথাকেই আমাক পুনৰ সোঁৱৰাই দিছে।

## জলাশয়ত উচ্ছেদ বৈষম্য

# বৃহৎ পুঁজিৰ স্বাৰ্থত চৰকাৰে সলাইছে আৰ্দ্ৰভূমি নীতি

**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

**চৰকাৰী মাটি তথা আৰ্দ্ৰভূমি আৰু জলাশয়, পাহাৰ আদিত বেদখল সমৰ্থন কৰিব নোৱাৰি; কিন্তু এনে ভূমিত বৃহৎ ব্যৱসায়ী, ৰাজনৈতিক নেতা, কেতবোৰ প্ৰতিষ্ঠানক যদিহে চৰকাৰে পট্টা দিব পাৰে, তেনেহ'লে সাধাৰণ মানুহক চৰকাৰে তেনে ভূমিত সংস্থাপন দিব নোৱাৰে কিয়?**

গুৱাহাটী মহানগৰীৰ চৰকাৰী মাটিত বসবাস কৰা বাসিন্দাসকলক যিয়ে য'ত আছে তাতেই পট্টা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দি ভোটদাতাসকলক টোপ দি গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত জয়লাভ কৰাৰ পাছত এতিয়া ওলোটা খৰ মাৰি ৰাজ্য চৰকাৰে আৰম্ভ কৰিছে উচ্ছেদ অভিযান। উচ্ছেদ কৰাত সিদ্ধহস্ত বুলি বিজেপি শাসনত থকা চৰকাৰবোৰে নাম কৰিছে। দিল্লী, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আদিত সাধাৰণ মানুহৰ ঘৰৰ ওপৰত বুলড'জাৰ চলাৰ পাছত এতিয়া অসমলৈ আহিছে বুলড'জাৰ। গুৱাহাটী মহানগৰীৰ পৰা আৰম্ভ কৰি ছিপাঝাৰ আৰু এতিয়া বৰাক উপত্যকাৰ ডলু ঐতিহাসিক চাহ বাগিচাখনতো গ্ৰীণফিল্ড এয়াৰপ'ৰ্ট নিৰ্মাণৰ নামত চলিছে উচ্ছেদ অভিযান। গুৱাহাটীৰ আৰু বহুতো ঠাইত হেনো দিল্লীৰ জাহাংগীৰপুৰীৰ দৰেই চলিব বুলড'জাৰ।

গুৱাহাটী মহানগৰীত সাধাৰণ মানুহে ভূমি ক্ৰয় কৰাটো অসম্ভৱ। গতিকে মহানগৰীৰ পাহাৰ আৰু জলাশয় তথা আৰ্দ্ৰভূমিসমূহত বহুতেই সাধাৰণভাৱে ঘৰ-বাৰী সাজি বসবাস কৰি আহিছে। অকল সাধাৰণ মানুহেই নহয়, বহু বৃহৎ ব্যৱসায়ী, ৰাজনৈতিক নেতা আৰু প্ৰতিষ্ঠানেও এনেবোৰ অঞ্চলৰ মাটি পোনতে বেদখল কৰি পাছত পট্টা লৈছে। ধন থাকিলে চৰকাৰী মাটি ম্যাদী কৰাত অসুবিধা একো নাই। সাধাৰণ মানুহৰ বাবে সেয়া সম্ভৱ নহয়। গুৱাহাটী মহানগৰীৰ প্ৰাকৃতিক জলাশয়সমূহৰ সংৰক্ষণৰ বাবে বহুতেই তাহানিৰে পৰা মাত মাতি আহিছে। চৰকাৰৰ পাছত চৰকাৰ আহিছে; কিন্তু এই জলাশয়বোৰ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা নাই চৰকাৰে। আদালতত এই সন্দৰ্ভত বহুতো গোচৰ পৰি আছে। আমি সকলোৱে বিচাৰো মহানগৰীৰ কৃত্ৰিম বানপানী সমস্যাৰ সমাধান হোৱাটো। সকলোৱে বিচাৰো উত্তৰ-পূবৰ এই মহানগৰীখন আহল-বহল আৰু সুন্দৰ তথা পৰিষ্কাৰ হোৱাটো। চৰকাৰী মাটি তথা আৰ্দ্ৰভূমি আৰু জলাশয়, পাহাৰ আদিত বেদখল সমৰ্থন কৰিব নোৱাৰি; কিন্তু এনে ভূমিত বৃহৎ ব্যৱসায়ী, ৰাজনৈতিক নেতা, কেতবোৰ প্ৰতিষ্ঠানক যদিহে চৰকাৰে পট্টা দিব পাৰে, তেনেহ'লে সাধাৰণ মানুহক চৰকাৰে তেনে ভূমিত সংস্থাপন দিব নোৱাৰে কিয়?

ভূমিহীন লোকক ভূমি প্ৰদান কৰাৰ চৰকাৰী নীতি আছে। সেই মতে চৰকাৰে উপযুক্ত স্থানত যোগ্য ব্যক্তিসকলক পৰিৱেশৰ ক্ষতিসাধন নোহোৱাকৈ সংস্থাপন দিয়ক। গুৱাহাটীৰ বৰচলা আৰু সৰুচলা বিল দুখনক লৈ গঠিত চলাবিল, শিলসাঁকো, বোন্দাজান, দীপৰ বিল আদি জলাশয়বোৰৰ আধাতকৈ বেছি ঠাই বেদখল হৈছে। ১৯৭৫ৰে পৰা গুৱাহাটীৰ জলাশয় সংৰক্ষণৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা লৈছে যদিও সেইবোৰ সকলো ফুটুকাৰ ফেন। ১৯৯৫ত জলাশয় সংৰক্ষণৰ বাবে উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰি বিশেষকৈ চলাবিলৰ ওচৰে-পাঁজৰে কাকো সংস্থাপন নকৰাৰ নীতি ঘোষণা কৰিছিল, আনকি ৰাজহ বিভাগে পট্টা দিয়া বিলৰ ৩০ বিঘা মাটিৰ পট্টা বাতিল কৰিছিল। ১৯৯৭ত দীপৰ বিল পৰিচালনা প্ৰাধিকৰণ গঠন কৰা হৈছিল এই ৰামচৰ জলাশয়টো সংৰক্ষণৰ বাবে। পিছে এই প্ৰাধিকৰণ নামতহে থাকিল। যোৱা ২০০১ত গুৱাহাটী উচ্চ ন্যায়ালয়ে গুৱাহাটীৰ জলাশয়সমূহ সুৰক্ষিত কৰাৰ বাবে চৰকাৰক নিৰ্দেশ দিছিল। সেই বছৰতেই কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰণালয়ে জলাশয়বোৰৰ বেদখল উচ্ছেদৰ বাবে কৈছিল। ২০০৬ত বৰচলা আৰু সৰুচলা জলাশয় দুটি সংৰক্ষিত জলাশয় ঘোষণা কৰিছিল। ২০০৬ত অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদে দীপৰ বিল সংৰক্ষণৰ বাবে পানীমেটেকা আৰু জাবৰ আঁতৰোৱা আৰু ঠায়ে ঠায়ে খন্দাৱো ব্যৱস্থা কৰিছিল। ২০০৩ত গুৱাহাটী মেট্ৰ'পলিটান উন্নয়ন প্ৰাধিকৰণ বা জি এম ডি এ পুণেৰ এক প্ৰতিষ্ঠানক বৰচলা বিলৰ উন্নয়নৰ বাবে ৫.২৬ কোটি টকাৰ ঠিকা দিছিল যাতে এই বিল পৰ্যটনৰ কেন্দ্ৰ হয়। পাছত এই প্ৰতিষ্ঠানটোৱে বিশেষ একো নকৰি ধনবোৰ সৰকাই লৈ গ'ল। ইফালে বৰচলা বিলত অসম ৰাজ্যিক পৰ্যটন নিগমক ছয় বিঘা আৰু সৰুচলা বিলত এখনকৈ কলেজ, চকু চিকিৎসালয় আৰু কেতবোৰ ব্যৱসায়িক প্ৰতিষ্ঠানক ভূমি পট্টা দিছিল। স্থানীয় ৰাইজেও যিয়ে যিমান পাৰে ভূমি বেদখল কৰে। ফলত বিলখনৰ প্ৰায় ৭৬ বিঘা মাটি বেদখল হয়। ২০০৮ত চৰকাৰে গুৱাহাটী জলাশয় সুৰক্ষা আৰু সংৰক্ষণ আইন ২০০৮ প্ৰণয়ন কৰে যাতে গুৱাহাটীৰ কেউখন বিল বা জলাশয়ৰ সংৰক্ষণ আৰু উন্নয়ন হ'ব পাৰে। এই আইনখন প্ৰণয়ন কৰা হৈছিল এই জলাশয়বোৰ উন্নত কৰি গুৱাহাটীৰ কৃত্ৰিম বানপানী সমস্যাটো সমাধান কৰাৰ বাবে। লগতে এই জলাশয়বোৰক পৰিৱেশ পৰ্যটন কেন্দ্ৰত পৰিণত কৰাৰ কথা কোৱা হৈছিল। পিছে ২০০৮ৰ এই আইনৰ ঘোষিত উদ্দেশ্য সফল নহ'ল। প্ৰকৃততে এই আইনখনে জলাশয়ত ইতিমধ্যে বেদখল কৰি থকা আৰু পট্টা দিয়া লোকসকলৰ সংস্থাপনক বৈধতা প্ৰদান কৰে। পুৰণিবোৰে যিয়ে যি দখল কৰিলে নতুনকৈ আৰু বেদখল হ'ব নালাগে। গুৱাহাটীৰ জলাশয় সংৰক্ষণৰ বাবে কোনো নতুন আইনৰ প্ৰয়োজন নাছিল। বিভিন্ন ৰাজ্যত ধানখেতি আৰু জলাশয় সংৰক্ষণ আইন আছে, পিছে নগৰ এখনৰ জলাশয় সংৰক্ষণৰ বাবে কোনো আইন আমাৰ দৃষ্টিত পৰা নাই। ১৯৮৬ৰ পৰিৱেশ সংৰক্ষণ আইন আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা বিভিন্ন



অধিনিয়মসমূহৰ সহায়ত জলাশয় সংৰক্ষণ কৰিব পাৰি। বিজেপি চৰকাৰৰ পৰিৱেশ মন্ত্ৰণালয়ে ২০১৭ত নতুন আৰ্দ্ৰভূমি অধিনিয়ম ঘোষণা কৰে। ইয়াৰ আগেয়ে ২০১০ৰ অধিনিয়মৰ অধীনত আছিল কেন্দ্ৰীয় আৰ্দ্ৰভূমি নিয়ন্ত্ৰণ প্ৰাধিকৰণ (চি ডব্লিউ আৰ এ)। এতিয়া এই ২০১৭ৰ অধিনিয়ম প্ৰণয়নৰ পাছত এই প্ৰাধিকৰণৰ সলনি থাকিব এখন কমিটীহে। আগেয়ে কেন্দ্ৰীয় আৰ্দ্ৰভূমি নিয়ন্ত্ৰণ প্ৰাধিকৰণৰ সিদ্ধান্তৰ বিৰুদ্ধে কেন্দ্ৰীয় গ্ৰীণ ট্ৰাইবুনেলত আবেদন কৰাৰ ব্যৱস্থা আছিল। এতিয়া নতুনকৈ গঠন কৰা ৰাষ্ট্ৰীয় কমিটীৰ সিদ্ধান্তৰ বিৰুদ্ধে আবেদন কৰিব পৰাৰ কোনো কথা উল্লেখ কৰা হোৱা নাই। নতুন এই অধিনিয়মত বৰ্তমানৰ আৰ্দ্ৰভূমি আৰু অতীতত বেদখল হোৱাৰ আগেয়ে থকা আৰ্দ্ৰভূমিৰ মাজত নিৰ্দিষ্ট সীমাৰেখা অংকন কৰা নাই। উচ্চতম ন্যায়ালয়ে যশপাল সিং গোচৰত সমগ্ৰ দেশতেই জলাশয়ৰ মাটিবোৰ বেদখলৰ পৰা উদ্ধাৰ কৰাৰ নিৰ্দেশ চৰকাৰক দিছিল। এই নতুন অধিনিয়মত জলাশয় বা আৰ্দ্ৰভূমিত কিবোৰ কাম নিষিদ্ধ বা বৈধ তাক স্পষ্ট নকৰি চৰকাৰৰ খেয়াল-খুচিৰ ওপৰত এৰি দিয়া হৈছে।

বিজেপি চৰকাৰে জাৰি কৰা ২০১৭ৰ নতুন আৰ্দ্ৰভূমি অধিনিয়মত আৰ্দ্ৰভূমিৰ সংজ্ঞা পৰিৱৰ্তন কৰি দেশখনৰ ৬৫ শতাংশ আৰ্দ্ৰভূমি বাদ দিয়া হৈছে। যোৱা ২০১০ৰ অধিনিয়মত আৰু আনকি ২০১৬ত প্ৰকাশ কৰা খচৰা অধিনিয়মতো মানুহে সৃষ্টি কৰা আৰ্দ্ৰভূমিকে ধৰি বিভিন্ন আৰ্দ্ৰভূমি সামৰা হৈছিল। নতুন অধিনিয়মত মানৱসৃষ্ট সকলো জলাশয়, খোৱাপানীৰ বাবে নিৰ্মিত পুখুৰী আৰু মৎস্য উৎপাদন, নিমখ উৎপাদন, জলক্ৰীড়া আৰু জলসিঞ্চনৰ বাবে খন্দা জলাশয়ক আৰ্দ্ৰভূমিৰ সংজ্ঞাৰ পৰা বাদ দিয়া হৈছে। চৰকাৰে যুগুত কৰা আমাৰ দেশৰ আৰ্দ্ৰভূমিৰ মানচিত্ৰত ২০১৫০৩ আৰ্দ্ৰভূমি ৯.৪৭ কোটি হেক্টৰ জুৰি বিয়পি আছে বুলি কোৱা হৈছে। নৈ, নিজৰা আদি বিয়পি থকা ৫৩ লাখ হেক্টৰ মাটি আৰ্দ্ৰভূমিৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই নতুন অধিনিয়মত। মানৱসৃষ্ট ১,৪৫,৬৪৯টা জলাশয়কো আৰ্দ্ৰভূমি হিচাপে ধৰা নাই নতুন অধিনিয়মত। অৰ্থাৎ নতুন আৰ্দ্ৰভূমি অধিনিয়মে দেশখনৰ ৯৭ লাখ হেক্টৰ অথবা মুঠ জলাশয়ৰ ৬৫ শতাংশ আৰ্দ্ৰভূমি হিচাপে লোৱা নাই। নতুন আৰ্দ্ৰভূমি অধিনিয়মত ৰামচৰ কনভেনচন ঘোষিত আৰ্দ্ৰভূমি আৰু চৰকাৰী জাননীৰ দ্বাৰা ঘোষিত আৰ্দ্ৰভূমিত বাদে আন কোনো আৰ্দ্ৰভূমি সুৰক্ষিত নহ'ব। সংৰক্ষিত আৰ্দ্ৰভূমিসমূহত কোনো গাঁথনি নিৰ্মাণ, ক্ষতিকাৰক দ্ৰব্য নিক্ষেপ, ঔদ্যোগিক কেন্দ্ৰ স্থাপন, জাবৰ-জোঁথৰ পেলোৱা অথবা ঔদ্যোগিক দূষিত দ্ৰব্য পেলাব নোৱাৰে। নতুন অধিনিয়মত চৰকাৰে ঘোষণা নকৰা জলাশয়সমূহে কোনো সুৰক্ষাতো নাপায়েই, বৰঞ্চ চৰকাৰৰ দ্বাৰা জাননীযোগে সুৰক্ষিত আৰ্দ্ৰভূমিত যদিহে ৰাজ্য চৰকাৰে ভাবে যে জাবৰ-জোঁথৰ পেলাব লাগে, অথবা কোনো উদ্যোগ স্থাপন কৰিব লাগে, তেনেহ'লে তাত কোনো বাধা নতুন অধিনিয়মত নাই। প্ৰকৃততে কেন্দ্ৰীয় চৰকাৰে ইজ অৱ ডুইং বিজনেছৰ নামত দেশখনৰ আৰ্দ্ৰভূমি নীতি সলনি কৰি আৰ্দ্ৰভূমিসমূহৰ সংৰক্ষণ নোহোৱা কৰি পেলাইছে।

বৰ্তমান আমাৰ ৰাজ্যখনত আৰ্দ্ৰভূমি সংৰক্ষণৰ নামত চৰকাৰে চলোৱা উচ্ছেদৰ আঁৰত নিশ্চয় আৰ্দ্ৰভূমি সংৰক্ষণৰ উদ্দেশ্য নাই, আছে অন্য উদ্দেশ্য। গুৱাহাটী মহানগৰীৰ জলাশয়বোৰ সংৰক্ষণ কৰাটোৱেই চৰকাৰৰ যদিহে উদ্দেশ্য হয়, তেনেহ'লে এই জলাশয়বোৰৰ পুৰণি মানচিত্ৰ উলিয়াই এইবোৰ জলাশয়ক আগৰ প্ৰকৃত ৰূপলৈ আনক। কোনোবাই আগেয়ে জলাশয়ৰ মাটি দখল কৰিছে বুলি তেওঁলোকৰ তাত অধিকাৰ জন্মিব আৰু কোনোৱে পাছত দখল কৰিছে বুলি তেওঁলোকৰ অধিকাৰ নাথাকিব তেনে কথা হ'ব নোৱাৰে। এই জলাশয়বোৰত চৰকাৰে দিয়া মাটিৰ আৱন্টনবোৰো বাতিল কৰক। উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশ মাৰ্কণ্ডেয় কাৎজুৱে যশপাল সিং গোচৰত ৰায় দি চৰকাৰক দেশখনৰ সকলো জলাশয় আগৰ ৰূপলৈ আনি বেদখলমুক্ত তথা আৱন্টনমুক্ত কৰিবলৈ নিৰ্দেশ দিছিল। দুৰ্ভাগ্যবশতঃ এই নিৰ্দেশ চৰকাৰসমূহে মনা নাই।

সি যি কি নহওক, চৰকাৰে জলাশয়ৰ পৰাই হওক বা পাহাৰৰ পৰাই হওক, পৰিয়ালক উচ্ছেদ কৰাৰ আগেয়ে তেওঁলোকক অন্য ঠাইত সংস্থাপনৰ সুবিধা দিয়ক আৰু উচ্ছেদ কৰোঁতে বৌ-বৰালিবোৰ এৰি পুঠি-খলিহনাক ধৰা নীতি পৰিহাৰ কৰক।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?

## 'দৈনিক অগ্ৰদূত'ৰ খোলা মঞ্চৰ পৰ্যালোচনা

**ফণীধৰ পাঠক**

**জনসাধাৰণে যেতিয়ালৈকে শিক্ষিত হৈ নিজস্ব বিচাৰ-বুদ্ধিৰে চালি-জাৰি চাবলৈ সক্ষম নহ'ব তেতিয়ালৈকে ভ্ৰষ্টাচাৰী নেতাৰ কবলৰ পৰা উদ্ধাৰ হ'ব নোৱাৰি**

**আজি**-কালি এটা কথা প্ৰায়ে শুনা যায় যে আগৰ ৰাজনীতিত যোগদান কৰা ব্যক্তিসকল সৎ আছিল আৰু এতিয়াৰ ৰাজনীতিত যোগদান কৰাসকল দুৰ্নীতিগ্ৰস্ত বা অপৰাধী।

আমি যদি এইখিনি কথাকে ভালদৰে ফঁহিয়াই চাওঁ তেন্তে দেখিবলৈ পাম যে কথাবোৰ আচলতে তেনেকুৱা নহয়। পূৰ্বতেও আমাৰ সমাজত ভ্ৰষ্টাচাৰী লোক আছিল আৰু এতিয়াও আছে। এইখিনি ফঁহিয়াই চাবলৈ হ'লে আমি স্বাধীনতা লাভ কৰাৰ পাছৰ পৰা চোৱা ভাল হ'ব; কিয়নো ব্ৰিটিছৰ শাসন কাল বা তাৰ আগৰ সময়ছোৱাৰ স'তে এতিয়াৰ জীৱন ধাৰণৰ প্ৰণালী কিছু পৃথক। ভাৰতে স্বাধীনতা লাভ কৰিবলৈ সমৰ্থ হোৱাৰ আঁৰৰ অন্যতম ব্যক্তি আছিল মহাত্মা গান্ধী। তেওঁৰ দেশবাসীৰ প্ৰতি থকা সততা, দায়বদ্ধতাৰ বাবে ভাৰতৰ জনসাধাৰণ অনুপ্ৰাণিত হৈছিল আৰু বহুতেই তেওঁক আদৰ্শ পুৰুষ হিচাপে লৈ সততাৰে স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল; কিন্তু তাৰ মাজতে এচাম শিক্ষিত ভাৰতীয়ই স্বাধীনতা লাভ কৰিলে কেনেকৈ ক্ষমতা লাভ কৰি পূৰ্বৰ ৰজা-মহাৰজাৰ দৰে জীৱন অতিবাহিত কৰিব পাৰি তাৰে অংকত ব্যস্ত হৈ পৰিছিল। এইবোৰ কথা মহাত্মা গান্ধীৰ অজানা নাছিল বাবে কংগ্ৰেছ দলক ভংগ কৰি দিয়াৰ পোষকতা কৰিছিল; কিন্তু তেওঁৰ কথাৰ প্ৰতি কোনেও গুৰুত্ব দিয়া নাছিল। সেইবাবে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কোনোবাই দুৰ্নীতিত লিপ্ত হ'লে লাইটপোষ্টত ওলোমাব বুলি ঘোষণা কৰিব লগা হৈছিল। দৰাচলতে তেতিয়াই দুৰ্নীতিৰ শিপাডাল শিপাবলৈ আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত সি লহপহকৈ বাঢ়ি আহি পূৰ্ণতা প্ৰাপ্তি লাভ কৰিছে। তথাপি আজিৰ দিনতো এচাম সৎ, নিষ্ঠাৱান নেতা-কৰ্মী আছে। সেয়ে নোহোৱা হ'লে গণতন্ত্ৰ কেতিয়াবাই নিঃশেষ হৈ গ'লহেঁতেন; কিন্তু বৰ্তমান জনসংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পোৱাৰ ফলত মানুহৰ সংস্থাপনৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিবলৈ ধৰিছে। কৰ্মসংস্থানৰ পথ ৰুদ্ধ হৈ পৰাৰ ফলত নিবনুৱাৰ সংখ্যায়ো আকাশ স্পৰ্শ কৰিছেগৈ। এই নিবনুৱাসকলৰ এচামে জীৱিকাৰ পথ বিচাৰি অবাটত ভৰি দিবলৈ বাধ্য হৈছে। তাতে বিজ্ঞান-প্ৰযুক্তিৰ অভাৱনীয় বিকাশ লাভ কৰাৰ ফলত বিলাসী সামগ্ৰীৰে এচামে ৰজা-মহাৰজাৰ দৰে জীৱন অতিবাহিত কৰিবলৈ ধৰাত তাৰ প্ৰতি সকলোৱে আকৰ্ষিত হৈ পৰিছে। ফলত তেওঁলোকে ন্যায়-অন্যায়ৰ কথা পাহৰি দুৰ্নীতিৰে ধন ঘটাত ব্যস্ত হৈ পৰাৰ ফলত সমাজত এক অৰাজকতাৰ সৃষ্টি হৈছে। এতিয়া এই সকলোবোৰ বিশ্লেষণ কৰি সমাধানৰ পথ উলিয়াবলৈ সক্ষম হ'লেহে আমি পূৰ্বৰ দৰে নিকা ভাবমূৰ্তিৰ সমাজ এখন পাবলৈ আশা কৰিব পাৰে। এই কাম কেনেকৈ সম্ভৱ হ'ব? প্ৰথম কথা, এয়া কৰিবলৈ হ'লে ভাৰতৰ মাটি-কালিয়ে বহন কৰিব পৰাকৈ জনসংখ্যা নিয়ন্ত্ৰিত কৰিব লাগিব। সেই নিয়ন্ত্ৰিত জনসংখ্যাৰ নৱ প্ৰজন্মক জন্মলগ্নৰে পৰা নৈতিকভাৱে উন্নত কৰাৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগিব।

দুৰ্নীতিত লিপ্তসকলক সমাজে দেখাকৈ দৃষ্টান্তমূলক শাস্তি দিব লাগিব। লগতে দেশ নিবনুৱাহীন কৰি গঢ়ি তুলিব লাগিব। যিখন দেশত নিবনুৱা সমস্যা থাকিব সেইখন দেশৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাটো অসম্ভৱ কথা আৰু দুৰ্নীতি থাকিলেই সৎ নেতা-কৰ্মী পোৱাটো পৰ্বতত কাছ কণী বিচৰাৰ দৰে হ'ব।

অৱশ্যে এনে অৱস্থাৰ মাজতো হয়তো কোনোবা এজন সৎ ব্যক্তিৰ আৱিৰ্ভাৱ হ'ব পাৰে; কিন্তু এজন বা দুজনে সমাজখন ভাল কৰিব পাৰিব বুলি ভাবিব নোৱাৰি। পৰা হ'লে মহামানৱ মহাত্মা গান্ধীৰ দ্বাৰাই সেয়া সম্ভৱ হ'লহেঁতেন।

যি নহওক, ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা কেনেকৈ পাম, সেই সন্দৰ্ভত লেখক **গিৰীন্দ্ৰ মেধি**য়ে কয় যে কুৰুক্ষেত্ৰ মহাসমৰ সদৃশ নিৰ্বাচনী যুদ্ধত দুৰ্নীতিগ্ৰস্তসকলক পৰাস্ত কৰাৰ দৰে দৃঢ় সংকল্প ল'ব লাগিব।

লেখক **সৌৰভ মৰিকলঙীয়া**ই কয় যে ভ্ৰষ্টাচাৰ দূৰ কৰিবলৈ হ'লে সৎ মানুহখিনি ওলাই আহিব লাগিব।

লেখক **আৰ্চি নাথ**-এ কয় যে চোৰ, ডকাইতৰ বিৰুদ্ধে আইন-আদালতে যি ধৰণৰ সক্ৰিয়তা প্ৰদৰ্শন কৰে, ঠিক একেদৰে ভ্ৰষ্টাচাৰী নেতাকো আইনৰ কাঠগড়াত থিয় কৰাব পাৰিলে ভ্ৰষ্টাচাৰ লাহে লাহে আঁতৰি যাব।

লেখক **প্ৰমোদ কাকতি**'য়ে কয় যে নিৰ্বাচনৰ সময়ত ভোটদাতা ৰাইজ সজাগ-সচেতন হৈ মাৰ বান্ধি সৎ আৰু নিকা চৰিত্ৰৰ লোকক জনপ্ৰতিনিধি নিৰ্বাচিত কৰিব লাগিব।

লেখক **ফণীন্দ্ৰ নাথ বৰ্মন**-এ কয় যে ৰাজনীতিত সৎ, বিবেকবান লোকে অংশগ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়।

লেখিকা **মণীষা শৰ্মা**ই কয় ৰাজনীতিৰ পৰা লেতেৰা সংস্কৃতিৰ সংস্কাৰ সাধন কৰাৰ চাবি-কাঠি জনগণৰ হাততে আছে। কাৰণ গণতন্ত্ৰত ৰাইজেই ৰজা।

লেখক **কামিনী মোহন শৰ্মা**ই কয় যে ভ্ৰষ্টাচাৰী নেতাক ৰাইজে ভোট যুদ্ধৰে পৰাস্ত কৰিব পাৰিলে সৎ নেতাৰ সৃষ্টি হ'ব।

লেখক **প্ৰদীপ কুমাৰ শৰ্মা**ই কয় যে জনসাধাৰণে যেতিয়ালৈকে শিক্ষিত হৈ নিজস্ব বিচাৰ-বুদ্ধিৰে চালি-জাৰি চাবলৈ সক্ষম নহ'ব তেতিয়ালৈকে ভ্ৰষ্টাচাৰী নেতাৰ কবলৰ পৰা উদ্ধাৰ হ'ব নোৱাৰি।

লেখক **দিলীপ বৰ্মন**-এ কয় যে সৎ নেতা পাবলৈ হ'লে জনসাধাৰণ সজাগ আৰু সচেতন হ'ব লাগিব।

লেখক **খনীন্দ্ৰ নাথ দাস**-এ কয় যে সৎ নেতা পাবৰ বাবে মন্ত্ৰী, ৰাজনীতিবিদসকলক বছৰত অন্ততঃ দুবাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

লেখিকা **জুৰি শইকীয়া**ই কয় যে নিৰ্বাচনত আমি আবেগত বিবেক নেহেৰুৱাই সৎ বুলি জনাসকলক ভোট দিব লাগে।

লেখিকা **স্বৰ্ণলতা পাঠক**-এ কয় যে মানুহৰ আবেগ-অনুভূতিক পিছ পেলাই ধনৰ পাছত দৌৰি ফুৰা নেতা সৎ হ'ব নোৱাৰে।

লেখক **বনজিৎ বৰ্মন**-এ কয় যে সৎ নেতা পাবলৈ হ'লে আমি প্ৰকৃত শিক্ষাৰ পোহৰেৰে জনসাধাৰণ প্ৰাজ্ঞ আৰু সচেতন হ'বই লাগিব।

লেখক **কুলেন বৰ্মন**-এ কয় যে বৰ্তমান অধিকাংশ ৰাজনীতিকে সততাক জলাঞ্জলি দি নিজ স্বাৰ্থক আগস্থান দিয়া বাবেই ৰাজনীতিৰ পথাৰখন কলুষিত হৈ পৰা দেখা গৈছে।

লেখিকা **অণু বৰা হাজৰিকা**ই কয় যে বৰ্তমান অকল ৰাজনীতিৰ ক্ষেত্ৰখনেই নহয়, নিকা ভাবমূৰ্তিৰে পৰিবেষ্টিত বুলি ভবা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠনো কলুষিত হৈ পৰিছে।

লেখিকা **হিৰণময়ী বৰুৱা**ই কয় যে ৰাজনীতিৰ মেৰপাকত পৰি গুণীজনো দিক্‌ভ্ৰষ্ট হৈ পৰা দেখা যায়।

লেখক **কমল পাটোৱাৰী**-এ কয় যে ভ্ৰষ্টাচাৰী নেতাসকলৰ ছলাহী কথাত পতিয়ন নগৈ আমি আমাৰ ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি ইতিবাচক চিন্তাত আত্মনিয়োগ কৰাটো জৰুৰী।

লেখিকা **পংকজা দাস**-এ কয় যে আমাৰ প্ৰতিনিধি নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ প্ৰক্ৰিয়াত থকা আঁসোৱাহৰ বাবে সৎ নেতা নিৰ্বাচিত নহয়।

লেখিকা **ৰমিছা বেগম**-এ কয় যে যিসকলে দুৰ্নীতিক নীতি বুলি ক্ষমতাৰ অপপ্ৰয়োগ কৰে, তেওঁলোকে এসময়ত নিজৰে অস্তিত্ব হেৰুৱাব লগা হয়।

লেখক **ৰমেন দাস**-এ কয় যে ভ্ৰষ্টাচাৰী নেতাক প্ৰশ্ৰয় দিয়াতকৈ ভৱিষ্যৎ সুৰক্ষাৰ বাবে সৎ নেতাৰ সন্ধানত গুৰুত্ব দিব লাগে।

লেখিকা **মীনা তালুকদাৰ**-এ কয় যে যদিহে আমি সৎ নেতা পাবলৈ বিচাৰো তেনেহ'লে ধনবল আৰু কথাৰ ফুলজাৰি মৰা নেতাৰ পৰা আঁতৰত থাকিব লাগিব।

লেখিকা **বিৰজা দেৱী**-এ কয় যে সঠিক নেতা নিৰ্বাচন কৰিবলৈ প্ৰয়োজন সামাজিক নেতৃত্বৰ।

লেখিকা **শিখা হাজৰিকা**ই কয় যে সমাজৰ সাধাৰণ মানুহখিনিয়েও আৱেগৰ সলনি বিবেকক প্ৰাধান্য দিবলৈ শিকিব লাগিব।

লেখক **আদিত্য বড়ো**ৱে কয় যে আমাৰ চেকলগা গণতন্ত্ৰত সৎ নেতা পাবলৈ হ'লে নিৰ্বাচন ব্যৱস্থাটোৰ পৰিৱৰ্তন আনিব লাগিব।

লেখিকা **ৰূপলেখা তামুলী**য়ে কয় যে সংবাদ মাধ্যমসমূহে জনসাধাৰণক সচেতন কৰি গঢ়ি তুলিবলৈ সক্ষম হ'লে আমি সৎ নেতা পাবলৈ সক্ষম হ'ব।

লেখক **জ্যোতিষ চন্দ্ৰ দত্ত**ই কয় যে ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া আঁসোৱাহপূৰ্ণ হোৱা হেতুকে সৎ নেতাই সুবিধা নাপায়।

লেখক **মনমোহন চৌধুৰী**য়ে কয় যে সৎ নেতা পাবলৈ হ'লে দেশৰ প্ৰতিজন নাগৰিক সচেতন হ'ব লাগিব।

লেখক **অঞ্জন শৰ্মা**ই কয় যে সৎ নেতা হ'বলৈ হ'লে প্ৰথমে তেওঁৰ নিঃস্বাৰ্থ দেশপ্ৰেম থাকিব লাগিব। লগতে তেওঁ আধ্যাত্মিক মনোভাৱসম্পন্ন হ'ব লাগিব।

লেখিকা **দীপিকা হাজোৰাৰী**-এ কয় যে যদিহে সমাজৰ অধিকাংশ ৰাইজে মূল্যবোধৰ ৰাজনীতিৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰে, তেতিয়াহ'লে সৎ ৰাজনীতিক বিচাৰি পোৱা নাযাব।

লেখিকা **অঞ্জলি হাজৰিকা**ই কয় যে চৰকাৰৰ কিছুমান অসাংবিধানিক নীতিৰ বাবে যোগ্য ব্যক্তি বঞ্চিত হৈ আহিছে।

লেখিকা **দীপ্তি ঠাকুৰ গোস্বামী**য়ে কয় যে যিবিলাক নেতাই পাঁচ বছৰতে সম্পত্তিৰ পাহাৰ গঢ়ে তেনে নেতাক পাছত মন্ত্ৰী-বিধায়ক হোৱাৰ সুযোগ দিব নালাগে।

লেখক **পংকজ পল্লৱ শৰ্মা**ই কয় যে দুৰ্নীতিগ্ৰস্ত-ভ্ৰষ্টাচাৰী নেতাক ভোটদাতা ৰাইজে লগ হৈ পুলিয়ে-পোখাই উৎখাত কৰিব লাগে।

লেখিকা **আশা আহমেদ**-এ কয় যে সৎ নেতাৰ উদ্দেশ্য সদায় জনকল্যাণত নিহিত থাকে। নিজৰ স্বাৰ্থপূৰণৰ বাবে নহয়।

লেখিকা **গিৰিজাবালা দাস**-এ কয় যে সৎ নেতা পাবলৈ হ'লে নতুনক আদৰাৰ লগতে পুৰণিক আদৰ কৰিব আৰু তাৰ পৰা সুশিক্ষাবোৰ ল'ব পাৰিব লাগিব।

লেখক **বলোৰাম ডেকা**ই কয় যে সৎ নেতা পাবলৈ প্ৰথমতে জনসাধাৰণ সক্ৰিয় হ'ব লাগিব।

লেখক **নিখিলেশ গোস্বামী**-এ কয় যে জনসাধাৰণৰ লগতে যুৱক-যুৱতীসকলে সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন হ'ব লাগিব।

লেখক **বলোৰাম ডেকা, প্ৰদীপ পৰাশৰ, পৰাণ চন্দ্ৰ দাস, জুৰি গোস্বামী শৰ্মা, কিৰণ চন্দ্ৰ দাস, মনহৰি কলিতা** আৰু **জ্যোৎস্না কলিতা**ই কয় যে জনগণে ত্যাগৰ আদৰ্শ দেখুৱাব পাৰিলে সৎ নেতা বিচাৰি পোৱা যাব।

# সক্ৰিয় হওক নাগৰিক সমাজ

**অভিমত**

**'দৈনিক** অগ্ৰদূত'ৰ যোৱা ২৫ এপ্ৰিলৰ সংখ্যাত সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ 'সক্ৰিয় হওক নাগৰিক সমাজ'— শীৰ্ষক ইতিবাচক চিন্তাধাৰাৰে সময় সাপেক্ষে লিখা মূল্যবান তথা অৰ্থবহ চিন্তাকৰ্ষক প্ৰৱন্ধটো পঢ়ি সঁচাকৈ আমি উৎসাহিত হৈছো আৰু এই প্ৰসংগত এগৰাকী সচেতন নাগৰিকৰূপে ডেকাৰ লগত সহমত পোষণ কৰি দুষাৰ লিখাৰ প্ৰয়াস কৰিছো।

সঁচাকৈয়ে ডেকাই প্ৰৱন্ধটোত উল্লেখ কৰা মতে সম্প্ৰতি দেশৰ ৰাজনীতি চৰকাৰ অৰ্থাৎ এচাম চতুৰ ৰাজনীতিকৰ ইচ্ছাই শেষ কথাত পৰিণত হোৱা দেখা গৈছে। চৰকাৰ যিহেতু ৰাজনীতিকে পৰিচালনা কৰে আৰু ক্ষমতা দখলেই যিহেতু সাম্প্ৰতিক ৰাজনীতিৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য-গতিকে ৰাজনীতিক অথবা চৰকাৰৰ সকলো কাৰ্যকলাপ নিজৰ খেয়াল খুচিমতে পৰিচালিত হোৱাটোৱে স্বাভাৱিক। কিন্তু এই ধাৰা সৰহ দিন অব্যাহত থাকিলে এটা সময়ত সমাজ জীৱনত নাগৰিকৰ কোনো বৌদ্ধিক ভূমিকাই নাথাকিব বুলি ডেকাই নিজৰ স্পষ্ট মত দাঙি ধৰা কথাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। গতিকে আমি ভাবো ডেকাই প্ৰৱন্ধটোত উপ-স্থাপন কৰা কথাবিলাকে নিশ্চিতভাৱে দেশৰ নাগৰিক সমাজক প্ৰভাৱান্বিত কৰিব আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ পূৰ্বে নাগৰিক সমাজ আগবাঢ়ি আহি সক্ৰিয়ভাৱে ইয়াৰ মোকাবিলা কৰিব। আমাৰ দেশত চৰকাৰ চলোৱা ৰাজনৈতিক দলবোৰে প্ৰথমে জনতাক সুশাসনৰ কথা কৈ পাছত ওলোটা খৰ মৰা দেখা যায়। কোৱা বাহুল্য এই যে নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত প্ৰতিটো ৰাজনৈতিক দলৰ নেতাসকলে নাগৰিক সমাজক তথা জনসাধাৰণক বিভিন্ন প্ৰকাৰে প্ৰতিশ্ৰুতিৰ বন্যাৰে প্ৰলোভিত কৰি ভোট আদায় কৰে; কিন্তু নিৰ্বাচনৰ বৈতৰণী পাৰ হৈ ক্ষমতা লাভ কৰাৰ পাছত ৰাজনীতিকসকলে নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক দিয়া আশ্বাস, বিশ্বাস, প্ৰতিশ্ৰুতি সকলো পাহৰি বছৰৰ পাছত বছৰ ধৰি দেশৰ জনসাধাৰণক কিদৰে ৰামঠগন দি নিজৰ ৰাজনৈতিক মুনাফা আদায়ত মগ্ন (ব্যস্ত) হৈ পৰে সেয়া সকলোৱে দেখিছে। জনতাৰ বাবেহে চৰকাৰ, চৰকাৰৰ বাবে জনতা নহয়। ইয়াৰ ব্যতিক্ৰম হ'লে জনসাধাৰণৰ সেই চৰকাৰৰ প্ৰতি আস্থা আৰু বিশ্বাস নাথাকে।

গণতন্ত্ৰত ৰাইজেই ৰজা। গণতন্ত্ৰ হৈছে দেশৰ সৰ্বসাধাৰণ ৰাইজ তথা জনতাৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত এখন কল্যাণমুখী চৰকাৰ। প্ৰজাগনৰ কল্যাণ সাধন কৰাই গণতন্ত্ৰৰ মূলমন্ত্ৰ; যিহেতু ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰখন জনসাধাৰণৰ ওচৰত দায়বদ্ধ। গণতন্ত্ৰত যদি শাসকগোষ্ঠীয়ে জনগণৰ কল্যাণৰ বিপৰীতে কাম কৰে তেতিয়াহ'লে তেনে চৰকাৰ ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ হ'লেও গণতান্ত্ৰিক চৰকাৰ বুলি ক'ব নোৱাৰি। গণতন্ত্ৰ ৰাইজৰ, ৰাইজৰ দ্বাৰা আৰু ৰাইজৰ বাবেহে; কাৰণ গণতন্ত্ৰৰ ডাঙৰ গুণ এয়ে যে ই স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত। স্বাধীন ভাৰতৰ এখন সৰ্ববৃহৎ সংবিধান আছে। সংবিধান প্ৰদত্ত মৌলিক অধিকাৰসমূহ নাগৰিকৰ স্বাধীনতাৰ ৰক্ষাকবচ আৰু যেতিয়ালৈকে নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব নহয় অৰ্থাৎ সুৰক্ষিত হৈ থাকে তেতিয়াহে স্বাধীন দেশৰ নাগৰিক এজনে প্ৰকৃত স্বাধীনতা উপভোগ কৰিবলৈ সক্ষম হয়। ভাৰতীয় সংবিধানে প্ৰতিগৰাকী নাগৰিকৰ অধিকাৰ নিশ্চিত তথা সুৰক্ষিত কৰাত গুৰুত্ব আৰোপ কৰিছে যদিও কিন্তু ইয়াৰ বিপৰীতে শাসক গোষ্ঠীৰ নাগৰিকৰ অধিকাৰৰ ওপৰত বিভিন্ন ধৰণৰ বাধা আৰোপৰ প্ৰক্ৰিয়া পৰিলক্ষিত হৈছে—যিটো নেকি ই গণতন্ত্ৰৰ পৰিপন্থী কাৰ্য বুলি বৌদ্ধিক মহলত চৰ্চিত হৈছে। কাৰোবাৰ ওপৰত অধিক নিৰ্ভৰশীলতাই যে নিজস্ব বিচাৰ-বিবেচনা আৰু কৰ্তৃত্ব হ্ৰাস কৰি এলেহুৱা, নিষ্কৰ্মা কৰি পেলায় তাৰ অধিক ব্যাখ্যা নিষ্প্ৰয়োজন। এখন গণতান্ত্ৰিক দেশত যদি জনগণৰ ওপৰতে নিৰ্ভৰশীলতা নাথাকে তেতিয়া হ'লে সি কোন দিশে গতি কৰিব অথবা তাৰ শেষ পৰিণতি কি হ'ব পাৰে সেয়া সহজে অনুমেয় বুলি প্ৰৱন্ধ লেখক ডেকাই কোৱা কথা এশ শতাংশই সত্য। আচলতে গণতান্ত্ৰিক শাসন ব্যৱস্থাও প্ৰতিজন স্বাধীন দেশৰ নাগৰিকে জীয়াই থকাৰ তাড়ণাত সংবিধান প্ৰদত্ত মৌলিক অধিকাৰসমূহ সমভাৱে পাব লাগিব আৰু তাত কোনো ধৰণৰ ধনী-দুখীয়া, উচ্চ-নীচৰ তাৰতম্য থাকিব নালাগিব। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি তাৰ সম্পূৰ্ণ ওলোটা ছবি এখনহে দেখিবলৈ পাইছো।

গণতান্ত্ৰিক দেশৰ স্বাধীন নাগৰিক এজনে সুস্থিৰ অৱস্থাত জীৱন-যাপন কৰিবলৈ হ'লে নাগৰিজনে ন্যূনতম সা-সুবিধা যেনে— অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ নিৰাপত্তা সুদৃঢ় অৱস্থাত থাকিব লাগিব আৰু এই নিৰাপত্তা নিশ্চিত কৰিব লাগিব দেশৰ শাসক গোষ্ঠীয়ে অৰ্থাৎ চৰকাৰে।

দেশত এক সুস্থ পৰিৱেশ বজাই ৰাখিবলৈ হ'লে কৰ্মসংস্থাপনৰ যোগেদি দেশৰ আৰ্থিক ব্যৱস্থা উন্নত কৰাৰ অন্য বিকল্প পথ নাই। গতিকে দৰিদ্ৰসকল স্বনিৰ্ভৰশীল হোৱাৰ বাবে পৰ্যাপ্ত কৰ্মসংস্থাপন সৃষ্টিৰ সুচল পৰিৱেশ নিশ্চিত কৰিব লাগিব চৰকাৰে। বিনামূলীয়া চাউল অথবা অন্যান্য সামগ্ৰী দীৰ্ঘকালৰ বাবে চৰকাৰে যোগান ধৰা ব্যৱস্থাই ৰাষ্ট্ৰীয় উৎপাদন বিকাশত ক্ষতি কৰিব আৰু তাৰ সমান্তৰালকৈ দেশৰ ৰাজকোষৰ লগতে আৰ্থিক ক্ষেত্ৰতো গভীৰ বিৰূপ প্ৰভাৱ পৰাতো নিশ্চিত।

বৰ্তমান আধুনিক যুগৰ জনসংযোগ মাধ্যমৰূপে বাতৰি কাকত, আলোচনী আদিৰ ভূমিকা অপৰিহাৰ্য। বৰ্তমান কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে নিউজপ্ৰিণ্ট আদিৰ ওপৰত অত্যধিক জিএছটি জাপি দিয়াৰ ফলত বিত্তীয় সংকটত ভুগি দেশৰ হেজাৰ হেজাৰ ক্ষুদ্ৰ, মজলীয়া সংবাদপত্ৰৰ উদ্যোগসমূহ একপ্ৰকাৰ বন্ধ হোৱাৰ উপক্ৰম হৈছে (ঘটিছে) বুলি ডেকাই গভীৰ উদ্বেগ তথা উষ্মা প্ৰকাশ কৰিছে। মুঠতে চৰকাৰে একপ্ৰকাৰ সকলো ক্ষেত্ৰতে নিজ কাৰ্যসূচীমতে ক্ষমতাৰ বলত বলিয়ান হৈ দেশৰ নাগৰিকসকলক, নাগৰিক সমাজক উঠা-বহা কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। গতিকে সময় থাকোতে অনাগত দিনত দিল্লী বা দিছপুৰত বহি থকাসকলে যাতে ৰিমৰ্ট কণ্টলেৰে দেশৰ নাগৰিকসকলক নিয়ন্ত্ৰণ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰৱন্ধ লেখক প্ৰাঞ্জলসেন ডেকাই জনোৱা আহ্বানক নাগৰিক সমাজে সঁহাৰি জনাব বুলি আমি প্ৰবল আশাবাদী।

**কুলেন বৰ্মন**

ফোন ঃ ৯৪৩৫৩৩৮৪১৯

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৮ মে' বুধবাৰ, ২০২২ পৃষ্ঠা ৫

## বিশ্বৰ কণ্টেণ্ট হাব ভাৰত হৈছে
# কাঁনত 'কাণ্ট্ৰী অৰ অনাৰ'

**ফ্ৰান্স** ৰিভিয়াৰাৰ শান্ত-সৌম্য তীৰত ৭৫ সংখ্যক কাঁন চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। এই বৰ্ষত 'মাৰ্চে ডু ফিল্মছ'ৰ উদ্বোধনী নিশাত মূল দেশ হিচাপে ভাৰতে বিশ্বৰ দৰ্শকক দেশখনৰ চিনেমাৰ উৎকৃষ্টতা, প্ৰযুক্তিগত দক্ষতা,সমৃদ্ধ সংস্কৃতি আৰু গল্প কথনৰ সুপ্ৰসিদ্ধ ঐতিহ্যৰ সোৱাদ দিবলৈ সাজু হৈছে। ভাৰত আৰু ফ্ৰান্সৰ কূটনৈতিক সম্পৰ্কৰ ৭৫বছৰ সম্পূৰ্ণ হৈছে; প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পেৰিছ ভ্ৰমণ আৰু ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰে দ্বিপাক্ষিক বৈঠকে এই প্ৰেক্ষাপটত অধিক তাৎপৰ্য বহন কৰিছে। এই উল্লেখযোগ্য কূটনৈতিক পটভূমিতেই কাঁন চলচ্চিত্ৰ মহোৎসৱত মাৰ্চে ডু ফিল্মত ভাৰতক প্ৰথম 'কান্ট্ৰী অৰ অনাৰ' হিচাপে নিৰ্বাচিত কৰা হৈছে।

আৰম্ভণিৰে পৰাই 'ফেষ্টিভেল ডি কাঁন' এ ভাৰত-ফ্ৰান্সৰ সম্পৰ্ক সুদৃঢ়কৰণত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। ১৯৪৬ত যশস্বী ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতা চেতন আনন্দৰ ছবি 'নীচা নগৰ'ক পাল্মে ডি অ'ৰ বঁটা প্ৰদানেৰে সবল ভেটি স্থাপিত হৈছিল আৰু ইয়াৰ এটা দশক পাছতে ১৯৫৬ত সত্যজিৎ ৰায়ৰ 'পথেৰ পাঁচালী'য়ে পাম ডি অ'ৰ বঁটা লাভ কৰিছিল। ২০১৩ত অমিতাভ বচ্চনক এই মহোৎসৱৰ উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু কে'বাবছৰ ধৰি ভাৰতীয় চলচ্চিত্ৰৰ অসংখ্য কলা-কুশলীয়ে কাঁনৰ জুৰীত অংশগ্ৰহণ কৰি আহিছে।

এই বৰ্ষত কাঁনত ভাৰতৰ উপস্থিতিয়ে বহু দিশতেই তাৎপৰ্য বহন কৰিছে। প্ৰথমবাৰৰ বাবে আমাৰ ৰেড কাৰ্পেট লাইন আপে আমাৰ চিনেমাৰ উৎকৃষ্টতাৰ বৈচিত্ৰ্যক কেৱল বিভিন্ন ভাষা আৰু অঞ্চলৰ অভিনেতা আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলকেই প্ৰতিনিধিত্ব নহয়, বৰঞ্চ অ'টিটি প্লেটফৰ্মসমূহকো উজ্জীৱিত কৰিছে য'ত সুৰকাৰ আৰু লোকশিল্পীৰ শক্তিশালী প্ৰকাশে যুৱ প্ৰজন্ম আৰু বয়োজ্যেষ্ঠ উভয় দৰ্শকক মুগ্ধ কৰিছে। মহোৎসৱটোত ভাৰতীয় চিনেমাৰ স্পন্দন আৰু বৈচিত্ৰ্যক থুপাই প্ৰদৰ্শনৰ বাবে ভাৰতীয় সংগীতৰ বিশাৰদসকলে ইণ্ডিয়া পেভিলিয়নত অনুষ্ঠান পৰিৱেশন কৰিব। মিডিয়া আৰু মনোৰঞ্জন খণ্ডটোৰ ভাৰতীয় ষ্টাৰ্টআপসমূহেও স্বকীয় প্ৰযুক্তিগত দক্ষতা প্ৰদৰ্শনৰ বাবে অংশগ্ৰহণ কৰিব আৰু এভিজিচি বিশ্বখনৰ সৰ্বশ্ৰেষ্ঠখিনিক প্ৰদৰ্শনৰ লগতে খণ্ডটোৰ এনিমেছন পেছাদাৰীসকলৰ এটা শক্তিশালী প্ৰতিনিধি দলে ভাগ ল'ব। কাঁনত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন হ'বলগীয়া একাধিক আঞ্চলিক ভাষাৰ আন অসংখ্য ছবিৰ লগতে ৰকেটৰীৰ বৰ্ল্ড প্ৰিমিয়াৰৰ বাবে সকলোৱে উৎসুকতাৰে অপেক্ষা কৰি আছে। আৰু আন এটা প্ৰথম হিচাপে, সত্যজিৎ ৰায়ৰ ৰিমাষ্টাৰ কৰা ক্লাছিক— 'প্ৰতিদ্বন্দ্বী'ক তেওঁৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাঁন ক্লাছিক শিতানত প্ৰদৰ্শন কৰা হ'ব।

কাঁনত ভাৰতৰ লিগেছীৰ প্ৰকাশ আৰু বিশ্বজুৰি আমাৰ চিনেমাৰ উৎকৃষ্টতাৰ স্বীকৃতিয়ে দেশখনক 'বিশ্বৰ কণ্টেণ্ট হাব' হিচাপে প্ৰতিভাত কৰিবলৈ সাজু হৈছে।

আজি স্বাদ, পছন্দ আৰু বৰ্ণনাই পশ্চিমৰ ইডেনৰ পৰা স্থানান্তৰিত হৈ পূবত বসতি স্থাপন কৰিছে। ভাৰতৰ যাত্ৰাক চিনেমাৰ জৰিয়তে সুন্দৰভাৱে বাণীবদ্ধ আৰু বৰ্ণনা কৰা হৈছে আৰু আমি 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপনৰ শুভলগনত আমি আমাৰ স্বাধীনতাৰ সংগ্ৰামত ই পালন আৰু অংকন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা অৱশ্যেই স্মৰণ কৰিব লাগে, লাগে সেয়া অশান্ত সময়ৰেই হওঁক বা আমাৰ জয়ৰ কথাই হওক।



**অনুৰাগ সিং ঠাকুৰ**

আজি মিডিয়া আৰু মনোৰঞ্জন খণ্ডটো হৈছে ভাৰতীয় 'সৃষ্টিশীল' অৰ্থনীতি আৰু ভাৰতৰ সৃজনীশীলতাক বিদেশত প্ৰক্ষেপণৰ বাবেও এক উল্লেখযোগ্য বৰঙণি যোগাওতা। ভাৰতত সহ-প্ৰযোজনা, চলচ্চিত্ৰ শ্বুটিং আৰু চলচ্চিত্ৰৰ সুবিধা ৰাজিৰ বৰ্ধনৰ অৰ্থে মোদী চৰকাৰে যোৱা আঠ বছৰত একাধিক বৃহৎ পদক্ষেপ গ্ৰহণ আৰু কাৰ্যকৰী কৰিছে। উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশৰ দৰে ৰাজ্যসমূহে চলচ্চিত্ৰ সুবিধা প্ৰদান নীতি আৰু সহ-প্ৰযোজনাৰ সুযোগ প্ৰদানৰ জৰিয়তে আগভাগ লৈছে। ২০১৮ত আমি দৃশ্য-শ্ৰাব্য সেৱাসমূহক ১২টা চেম্পিয়ন সেৱা খণ্ডৰ অন্যতম হিচাপে গণ্য কৰিছিলো আৰু শেহতীয়াকৈ উদ্যোগটোৰ নেতৃত্বসকলক লৈ এভিজিচি টাস্ক ফ'ৰ্চ গঠন কৰে। ইয়াৰ উদ্দেশ্য আছিল ভাৰতে এই খণ্ডটোত ক্ষিপ্ৰ অগ্ৰগতি লাভ কৰিবলৈ নীতিগত ৰ'ডমেপ প্ৰস্তুতকৰণ আৰু ইয়াৰ জৰিয়তে ভাৰতক পছন্দৰ 'বিশ্বৰ প'ষ্ট প্ৰডাকছন হাব' হিচাপে পৰিগণিত কৰা।

কেইসপ্তাহমান পূৰ্বে, ভৱিষ্যৎ প্ৰজন্মৰ বাবে আমাৰ চিনেমাৰ ঐতিহ্যক সংৰক্ষণ, সুৰক্ষা আৰু উৎসাহৰ বাবে আমাৰ উদ্দেশ্যেৰে স'তে সংগতি ৰাখি ৫৯০০খন চুটি ছবি,তথ্যচিত্ৰ আৰু ফিছাৰসমূহৰ বিশ্বৰ সৰ্ববৃহৎ ডিজিটাইজেছন আৰু পুনৰুদ্ধাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়।

আমি ভাৰতত তথা সমগ্ৰ বিশ্বখনতে মিডিয়াৰ ব্যৱসায় আৰু কণ্টেণ্ট সৃষ্টি, উপভোগ আৰু বিতৰণৰ ধৰণ সলনি হোৱাটো প্ৰত্যক্ষ কৰিছো। এআই, ভাৰ্চুৱেল ৰিয়েলিটী, মেটাভাৰ্ছৰ দৰে নিমজ্জিত প্ৰযুক্তিৰ আগমনে ভাৰতৰ আইটি দক্ষ কৰ্মশক্তিৰ বাবে অপৰিসীম সম্ভাৱনাৰ সৃষ্টি কৰিছে। খবৰ অনুসৰি, ভাৰতৰ অ'টিটি বজাৰখন ২০২৩ৰ ভিতৰত বছৰি ২১ শতাংশ বৃদ্ধিৰে প্ৰায় ১২,০০০কোটি টকাৰ হ'ব বুলি অনুমান কৰা হৈছে। আজি ভাৰতীয় প্লেটফৰ্মসমূহৰ সংখ্যাই বিদেশী প্লেটফৰ্মৰ সংখ্যক অতিক্ৰম কৰিছে আৰু সম্প্ৰচাৰকৰ লগতে টেলকোসমূহৰ মাজতো নিজা প্লেটফৰ্ম স্থাপনৰ বাবে খৰতকীয়া গতিৰ সৃষ্টি হৈছে।

ভাৰতৰ চহৰ আৰু গাঁওসমূহৰ বৈচিত্ৰ্যতা স্বকীয়। পশ্চাৎ প্ৰদেশৰ আমাৰ কাহিনী আৰু প্ৰতিভাসমূহে মূলসুঁতিৰ চিনেমাৰ লগতে অ'টিটি প্লেটফৰ্ম উভয়ৰে চলচ্চিত্ৰ নিৰ্মাতা আৰু চলচ্চিত্ৰ প্ৰেমীসকলৰ কল্পনা শক্তিক আকৰ্ষিত কৰিছে আৰু একেদৰে বঁটাও লাভ কৰিছে। এই কথা অনুধাৱন কৰিয়েই আমি সমগ্ৰ দেশখনতে আঞ্চলিক চলচ্চিত্ৰ মহোৎসৱৰ উদ্‌যাপনৰ ক্ষেত্ৰতো অধিক মনোনিৱেশ কৰিছো, ইয়াৰ অংশ হিচাপে লাডাখ, কাশী আৰু জম্মু-কাশ্মীৰত এনে মহোৎসৱ অনুষ্ঠিত কৰা হৈছে।

আজি সকলোৱে অত্যন্ত দৃঢ়তাৰে ক'ব পাৰিছে আজি ভাৰতে কৰা সৃষ্টিৰাজিক কাইলৈ বিশ্বখনে উপভোগ কৰিব। ভাৰতে এমএণ্ডই খণ্ডটোৰ বাণিজ্যত নিজৰ স্থান শক্তিশালী কৰিবলৈ অগ্ৰসৰ হোৱাৰ সময়তে আমি আন এক প্ৰচেষ্টা হিচাপে প্ৰায় ৩০ কোটি নাগৰিকক অনলাইন মাধ্যমেৰে সংযোগ কৰিবলৈ নিখুঁতভাৱে সাজু হৈছো। চৰকাৰী নীতিৰাজিৰ লক্ষ্য হৈছে ভাৰতৰ মিডিয়া আৰু মনোৰঞ্জনৰ বাতাবৰণটোক উদ্দীপিত কৰা, যি হৈছে ২০২৫ৰ ভিতৰত বছৰি চাৰি ট্ৰিলিয়ন টকা উপাৰ্জন কৰিব বুলি অনুমান কৰা এটা ছানৰাইজ খণ্ড।

ভাৰতে বিশ্ববাসীক সংযোগ, যোগাযোগ, সৃষ্টি আৰু পছন্দৰ লগতে উপভোগৰ ক্ষেত্ৰত প্ৰদান কৰা সুযোগৰাজি সমগ্ৰ বিশ্বখনতেই অতুলনীয়। আৰু সেইবাবেই গল্প কথনৰ স্থানটো আজি চিনেমা জগতৰ চৰ্চাৰ বিন্দু হৈ পৰিছে।

*লেখক তথ্য আৰু সম্প্ৰচাৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী*

# আহোমৰ দিনৰ শেন-কণুৱাৰ যুঁজ আৰু মুছলমান 'বৰা' বংশ

**ছাইফুল হুছেইন বৰা**

আহোম ৰাজত্বকালত আহোম ৰাজন্যবৰ্গই নানা আনন্দ-উৎসৱৰ আয়োজন কৰি নিজে আনন্দ উপভোগ কৰাৰ লগতে প্ৰজাৰ মনতো ৰঙৰ খোৰাক যোগাইছিল। উক্ত আনন্দ-উৎসৱসমূহৰ ভিতৰত শেনমেলা, হাতী যুঁজ, ম'হ যুঁজ আদিয়ে প্ৰধান। ৰজা, প্ৰজা সকলোৱে আনন্দ উপভোগ কৰা এই উৎসৱসমূহত যাৰ খেল সবাতোকৈ ভাল হৈছিল তেওঁক ৰজাঘৰৰ পৰা বটা-বাহন দি উৎসাহ যোগোৱা হৈছিল।

অসমত শেন মেলাৰ খেল প্ৰথম প্ৰচলন হয় সোতৰ শতিকাৰ স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত। এই ৰজাৰ দিনত মোগল সেনাপতি মক্ৰম খাই সত্ৰাজিতৰ নেতৃত্বত পঠোৱা মোগল সৈন্য বাহিনী সত্ৰাজিত আৰু আহোমৰ মাজত ঘটা দ্বিতীয় যুদ্ধত পৰাস্ত হোৱাত ১৬০ খন নাওসহ শত্ৰু পক্ষত বহু আহিলা-পাতি আহোমে হস্তগত কৰে। এই নাওবোৰত কিছুমান সৰু সৰু শেন চৰাই আৰু সিহঁতক প্ৰতিপাল কৰা তথা প্ৰশিক্ষণ দিয়া মানুহ পোৱা গৈছিল। নাঁৱত পোৱা সকলৰ ভিতৰত শেনৰ প্ৰতিপালক তথা প্ৰশিক্ষকজনৰ নাম আছিল মিৰা শেনচোৰা। ৰজা প্ৰতাপসিংহই মিৰা শেনচোৰাক সোধ-পোচ কৰি শেন চৰাই আৰু কনুৱাৰ মাজৰ যুঁজৰ বিষয়ে জানিব পাৰি পৰৱৰ্তী কালত সেই খেল বা যুঁজ উপভোগ কৰাৰ মানসেৰে তেওঁলোকক 'শেনচোৰা বৰুৱাৰ পদ' সৃষ্টি কৰি তেওঁৰ অধীনতে 'শেনচোৰা' খেলত অন্তৰ্ভুক্ত কৰি এই দেশত নিগাজীকৈ থাকিবলৈ দিলে। এই বিষয়ে ড০ প্ৰকাশ চন্দ্ৰ চৌধুৰী সম্পাদিত 'অসম বুৰঞ্জী সাৰ' শীৰ্ষক বুৰঞ্জী পুথিৰ ২৬ নং পৃ.ত উল্লেখ আছে— 'ভৰলীতে সত্ৰাজিতে সহিত ১৫৪৯ শকত প্ৰধান জুদ হ'ল। এই ৰণতে চৈয়দ বাবাক নবাব পৰিলত তাৰ লগৰ মিৰা শেনচোৰাৰ কুঁহিশেনে সহিতে (শেন পোৱালিসহ) ধৰি ৰাখিলে; তাৰে পৰা সৰু শেনৰ খেল চলিল। এই ৰণতে সত্ৰাজিতো ঘটিল।' ইয়াৰ পৰা স্পষ্ট ভাৱে বুজা যায় যে আহোমে হস্তগত কৰা নাওবোৰত মিৰা শেনচোৰাক আৰু কুঁহি শেন, অৰ্থাৎ পোৱালি শেন চৰাই পোৱা গৈছিল। মিৰা শেনচোৰাৰ স'তে আৰু দুই চাৰি তেওঁৰ সহকাৰী আহোমৰ হাতত পৰাটো স্বাভাৱিক। গতিকে মিৰা শেনচোৰাৰ যোগেৰে অসমত এক প্ৰকাৰ নতুন আমোদদায়ক খেলৰ অৰ্থাৎ শেন কনুৱাৰ যুঁজৰ পাতনি মেলা হৈছিল।

শেন কণুৱা যুঁজৰ বিষয়ে দেওধাই অসম বুৰঞ্জীত বহলাই ব্যাখ্যা কৰা হৈছে। উক্ত বৰ্ণনা অনুসৰি শেনচোৰাই পোৱালিৰে পৰা শেন চৰাইবোৰ পুহি মানুহলৈ ভয় নকৰা কৰি তোলাৰ লগতে কিদৰে হাতৰ পৰা এৰি দিয়াৰ পিছত আকাশৰ বহু উচ্চতাত উৰি থকা এটা বা তাতোধিক কনুৱাক ধৰি আনি বা মাৰি আনি মানুহৰ মাজতে মেলি ধৰা কাপোৰতে পৰিবৰ বাবে দীৰ্ঘদিন প্ৰশিক্ষণ দিছিল। এইদৰে প্ৰশিক্ষণ দিয়াৰ অন্তত পুহ, মাঘত শেন চৰাইৰ পৰীক্ষা পাতে। এই শেন চৰাইৰ পৰীক্ষা ব্যৱস্থাটোক 'বাউলী দিয়া' বুলি কোৱা হয়। বাউলি দিয়াৰ বেলিকা প্ৰথম কিছু আঁতৰত পাৰ চৰাই এটা বান্ধি থয়। শেন চৰাইৰ চকুত এক 'গিলিপ' বা পাতল কাপোৰৰ আৱৰণ বন্ধা থাকে। শেনচোৰাই শেনৰ ভৰিত এডাল দীঘল ডোল বান্ধি তাৰ এমুৰত ধৰি ৰাখি শেনৰ চকুৰ আৱৰণ গুচাই দিয়া হয়। তেতিয়া শেনে পাৰ চৰাইটো দেখি তাক মাৰিবলৈ খেদি যায়। শেনচোৰাই লক্ষ্য কৰে যে পাৰ চৰাইটো মৰাৰ পিছত শেনটো হাতলৈ আহে তেন্তে সেয়া শুভলক্ষণ, শেন প্ৰশিক্ষণপ্ৰাপ্ত হৈছে। যদি হাতলৈ ঘূৰি নাহে তেন্তে বুজিব লাগিব যে শেন প্ৰশিক্ষণ প্ৰাপ্ত হ'বলৈ বহু বাকী। যদি প্ৰথমবাৰ শেনচৰাই শেনচোৰাৰ হাতলৈ ঘূৰি আহে তেতিয়া দ্বিতীয়বাৰ পাৰ চৰাই আৰু কিছু আঁতৰত বান্ধি থৈ আকৌ শেন মেলি চায়। তেতিয়াও যদি শেন চৰায়ে পাৰ মাৰি হাতলৈ ঘূৰি আহে তেতিয়া বহু আঁতৰত পাৰ চৰাই ৰখা হয় আৰু পাৰটোৰ কাষত কেইজনমান মানুহ থাকে। সেইবাৰো যদি মানুহ কেইজনলৈ ভয় নকৰি পাৰ মাৰি শেন শেনচোৰাৰ হাতলৈ ঘূৰি আহে তেতিয়া বুজা যায় যে শেনে সম্পূৰ্ণ পোহ ল'লে তেতিয়া শেনচোৰাৰ বিশ্বাস হয় যে এনেদৰে পোহনীয়া হোৱা শেনক ভৰিত ডোল নাবান্ধি এৰি দিলেও আকৌ ঘূৰি আহিব।

এইদৰে শেনৰ প্ৰশিক্ষণ চলাই থকাৰ সমান্তৰালভাৱে শেনচোৰাৰ আন এটা দায়িত্ব আহি পৰে ৰণুৱাৰ চোঙত কণুৱাৰ সংখ্যা বৃদ্ধি কৰা। সাধাৰণতে বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকটি ধৰিবৰ বেলিকা চিকাৰীয়ে দুই এটা ঘৰচীয়া জন্তুৰ সহায় লয়। বনৰীয়া কুকুৰা ধৰিবৰ বাবে চিকাৰীয়ে এটা ঘৰচীয়া কুকুৰাক প্ৰশিক্ষণ দি লয়। চিকাৰৰ বেলা হাবিত সেই প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰাটোৰে ডাক দিয়ে আৰু তাৰ মাত শুনি বনৰীয়া কুকুৰা তাৰ কাষ চাপি আহে, তেতিয়াই চিকাৰীয়ে বিভিন্ন প্ৰথাৰে বনৰীয়া কুকুৰা চিকাৰ কৰে। আনকি হাতী ধৰিবৰ বেলিকাও প্ৰশিক্ষণপ্ৰাপ্ত ঘৰচীয়া হাতীৰ সহায়তহে বনৰীয়া হাতীক বিপদত পেলাই ধৰি অনা হয়। ঠিক একেদৰে শেনচোৰাৰ দুটামান প্ৰশিক্ষণ প্ৰাপ্ত কনুৱা থাকে। কোনো এটা নিৰ্দিষ্ট জোপোহাত বা কোনো এডোখৰ সৰু হাবিত সেই প্ৰশিক্ষণ দিয়া কণুৱা কেইটা বান্ধি তাত সৰু মাছ দি যায়। তেতিয়া তাত কণুৱা দেখি দুই চাৰিটাকৈ বনৰীয়া কণুৱা সিহঁতৰ কাষলৈ আহে। কণুৱা চৰাইবোৰ সাধাৰণতে ৰাতিপুৱা চোঙৰ পৰা ওলাই যায় আৰু গধূলি আহি পুনৰ চোঙত সোমায়। গতিকে দিনৰ ভাগতে শেনচোৰাই তাত কিছুমান সৰু মাছ দি ৰাখে যাতে কণুৱাবোৰে খাবলৈ পায়। ফলত মাছৰ লোভত দিনক দিনে চোঙত কণুৱাৰ সংখ্যা বৃদ্ধি হয়। এইদৰে যেতিয়া শেন সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত হয় আৰু চোঙত কণুৱাৰ সংখ্যা অধিক হয় তেতিয়া শেনচোৰাই খেল প্ৰদৰ্শনৰ সময় হোৱা বুলি ৰজাঘৰত জানিবলৈ দিয়ে। শেনচোৰাৰ পৰা খেলৰ সময় হোৱা বুলি জনাৰ পিছতহে ৰজাই বা ডা-ডাঙৰীয়াই ই একোটা নিৰ্দ্ধাৰিত দিনত খেল অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে।

গতিকে ৰজাই নিৰূপণ কৰি দিয়া দিনৰ আগতে ৰজাৰ বিষয়ে আৰু চহৰৰ চাৰিওফালে প্ৰজাক অমুক দিনা ধেমালি হ'ব বুলি জনোৱা হৈছিল। ৰজাৰ বিষয়া আৰু প্ৰজা, ল'ৰা, বুঢ়া, ডেকা-গাভৰু, ছা-ছোৱালী সকলোৱে উৰুলীকৃত হৈ নগৰলৈ আহি ৰং-ধেমালি চাইছিল।

খেলৰ দিন আহি পোৱাৰ আগে আগে শেনচোৰাই কোনটো চোঙত বেছি সংখ্যক কণুৱা গোট খাইছিল তাক লক্ষ্য কৰি যিটো চোঙত বেছি কণুৱা গোট খাইছিল সেইটো চোঙৰ কাষতে খেল অনুষ্ঠিত কৰণৰ ব্যৱস্থা কৰিছিল। খেলৰ দিনা ৰজা, ৰাজ পৰিয়াল, ডা-ডাঙৰীয়া, সাধাৰণ প্ৰজা সকলো খেলৰ ঠাইত সমবেত হোৱাৰ পিছত শেনচোৰাসকল চোঙলৈ গৈ কণুৱা খেদি উৰুৱাই পঠাইছিল। কণুৱা আকাশৰ ওপৰলৈ উৰি গৈ যেতিয়া চকুৰে কোনোমতে মণিব পৰা উচ্চতা পাইছিলগৈ, তেতিয়া শেনৰ চকুৰ আৱৰণ আঁতৰাই দিয়াৰ লগে লগে সি কণুৱাৰ ফালে মূৰ বেঁকা কৰি চাইছিল। তেনেতে তাৰ ঠেঙৰ ডোল খুলি দিয়াৰ লগে লগে শেন আকাশলৈ উৰি গৈ কণুৱা জাকৰ মাজত সোমাইছিল। সেই সময়ত যদি কণুৱা জাকে জাকে ইফালে-সিফালে পলাবলৈ ধৰে তাতে বুজা গৈছিল যে শেন গৈ কণুৱাৰ মাজত সোমাইছিলগৈ। তেতিয়া শেনে আকাশতে দুটা এটা কণুৱা মাৰি আকৌ আহি মাটিৰ ওপৰত বা মেলি ধৰা কাপোৰত কণুৱাসহ পৰেহি। এই দৃশ্য দেখিলে সকলোৱে আনন্দৰ সীমা নোহোৱা হয়। ৰজাই শেনচোৰাক বঁটা - বাহন দি পুৰস্কৃত কৰে। কেতিয়াবা শেন সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত নহ'লে অধিক কণুৱা মাৰিব নোৱাৰে। কেৱল এটা কণুৱা ধৰি তাৰ বুকতে বহি তাৰ বুকুৰ মঙহ খুটি খুটি খাই ঘূৰি ঘূৰি আকাশৰ পৰা নামি আহে। তেতিয়া দুজন শেনচোৰাই গৈ মাটিৰ ওপৰত এখন কাপোৰ মেলি ধৰে আৰু তাৰ ওপৰতে শেন আৰু কণুৱা পৰেহি। আকৌ শেনক এনেদৰে প্ৰশিক্ষণ দিয়া হয় যে যদি কণুৱা দূৰলৈ উৰি যায় তেতিয়া শেনে সেই কণুৱা খেদি আনি



য'ত মানুহ থাকে তাৰ মাজ পোৱাইহি আৰু মানুহৰ মূৰৰ ওপৰ পালে কণুৱা মাৰি মাটি লৈ নামি আহে।

উল্লেখযোগ্য যে যেতিয়া শেনে আকাশলৈ উৰা মাৰে তেতিয়া শেনচোৰাই অন্তৰত বৰ ভয় খাই থাকে। কাৰণ যদি শেন পলাই যায়, অথবা শেনে কণুৱা নামাৰে আৰু মানুহৰ মাজলৈ পুনৰ ঘূৰি আহে তেতিয়া শেনচোৰাসকলৰ ওজা বা মুৰব্বীজনক বাঘ ঢকাৰে দণ্ড দিয়া হয়। এবাৰ খেল হোৱাৰ পিছত পুনৰ প্ৰশিক্ষণ প্ৰাপ্ত কণুৱাহঁতক বান্ধি মাছ দিয়া হয়। কাৰণ এটা চোঙক কেন্দ্ৰ কৰি দুই তিনিবাৰকৈ শেন মেলা হয়। শেন পলাই গ'লে শেনচোৰাই 'শেন-উ, শেন উ' বুলি চিঞৰি চিঞৰি পুনৰ শেনক বিচাৰি আহে। কেতিয়াবা শেনক বিচাৰি নাপায়। খেলৰ পিছত শেনক ধুৱাই পখলাই, জালুক, পিপলি ভজা, কুমটি পোক আদিৰে জাল খুৱাই পোহপাল দিয়া হৈছিল।

মিৰা শেনচোৰা প্ৰমুখ্যে সহ শেনচোৰাসকলৰ দ্বাৰা অসমত শেন কণুৱাৰ পৰিয়াল বৃদ্ধি হয়। পৰৱৰ্তী কালত অসমৰ ঠায়ে ঠায়ে ৰজা বা ডাঙৰীয়াসকল থাকিবলগীয়া হোৱাত সম্ভৱত সেই সকলক আহৰি বেলা আমোদ দান কৰিবৰ বাবে শেনচোৰা খেলৰ মুছলমানসকলক ভাগ ভাগ কৰি পৃথক ঠাইলৈ স্থানান্তৰিত কৰা হৈছিল। এই শেনচোৰাসকলে বসবাস কৰা ঠাইবোৰক হয় তেওঁলোকে বসবাস কৰা বাবে, নহয় শেন কণুৱাৰ খেল প্ৰদৰ্শন কৰাৰ বাবে 'শেনচোৰা' নামেৰে নামাংকিত কৰা হৈছিল। সেয়ে আমি গোলাঘাট নগৰৰ উত্তৰ পশ্চিম কোণলৈ আঠ-ন কিলোমিটাৰ দূৰত্ব ১ নং শেনচোৰা গাঁও আৰু ২ নং শেনচোৰা গাঁও পাওঁ। লগতে নগাঁও চহৰৰ পশ্চিম সীমাত 'শেনচোৰা গাঁও' কলিয়াবৰৰ উত্তৰ সীমাত ব্ৰহ্মপুত্ৰৰ পাৰত 'শেনচোৰা গাঁও' শিৱসাগৰৰ কোঁৱৰপুৰ অঞ্চলত শেনচোৰা গাঁও আৰু লক্ষীমপুৰৰ পৰা সাত-আঠ কিঃমিঃ দক্ষিণলৈ 'শেনচোৰা' গাঁও আছে। বৰ্তমানেও পূৰ্বৰ শেনচোৰা সকলৰ উত্তৰ পুৰুষে এই গাঁওসমূহৰ কিছুমানত বসবাস কৰি আছে।

শেন কণুৱাৰ যুঁজৰ বেলিকা যেতিয়া শেনচোৰাই শেন সাজু ৰাখে তেতিয়া আন এজন বা একাধিক মুছলমানে কণুৱাৰ চোঙলৈ গৈ উৰুলি বা সুহুৰি মাৰি চোঙৰ পৰা কণুৱা চৰাইবোৰ হুৰাই দিব লাগে। যেতিয়া কণুৱা উৰি গৈ আকাশৰ ওপৰভাগ পায়গৈ তেতিয়া শেনচোৰাই শেন মেলি দিয়ে আৰু শেনে আকাশলৈ উৰি গৈ কণুৱা মাৰি কণুৱাসহ শেনচোৰাৰ কাষলৈ আকৌ ঘূৰি আহে। এই চোঙৰ কাষত উৰুলি বা সুহুৰি মাৰি কণুৱা হুৰাই দিয়া মুছলমানসকলক 'উহুৰীয়া বৰা' বুলি কোৱা হয়। জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ আৰু এই লেখক বংশৰে সন্তান। *(অসমৰ মুছলমান - সমাজ - সংস্কৃতিলৈ অৱদান- মুহিউদ্দিন আহমেদ, পৃষ্ঠা - ৩৫২)*

গোলাঘাট জিলাৰ নাহৰণি বৰুৱাঢাপ মাঘৰ বিহুত ম'হৰ যুঁজৰ বাবে বিখ্যাত আছিল। ৰজাঘৰীয়া ডা-ডাঙৰীয়া বিহু উপলক্ষে অনুষ্ঠিত হোৱা উৎসৱৰ ৰং চাবলৈ ইয়ালৈ আহিছিল। আহোম যুগৰ দ্বিতীয়াৰ্ধৰ ফালে বৰুৱাঢাপত এজোপা বৃহৎ বৰগছ আছিল। সেই বৰগছৰ ওপৰত চাং পতাই তাৰ ওপৰত বহি আহোম ৰজাই শেন কণুৱাৰে যুঁজ চাই আনন্দ উপভোগ কৰিছিল বাবে স্থানীয় লোকে উক্ত বৰগছক 'ৰং' (যুঁজ বা খেল) চোৱা বৰ বুলিবলৈ লৈছিল। এই ৰংচোৱা বৰাৰ নিচেই ওচৰতে আহোম শাসন যন্ত্ৰৰ (বৰা উপাধি লাভ কৰা এটা মুছলমান বৰা পৰিয়াল আছিল।

এই বৰা পৰিয়ালক পাছলৈ 'ৰংচোৰা বৰাৰ ঘৰ' বুলিও কোৱা হৈছিল। 'ৰংচোৰা' বৰাৰ পৰিয়ালৰ কাম হৈছিল যুঁজাৰ সময়ত কনুৱা চৰাইবোৰক বাহৰ পৰা হুৰাই দিয়া। সম্ভৱ উকি বা উৰুলি দি কণুৱাবোৰক হুৰাইছিল বাবে পাছলৈ স্থানীয় লোকে ৰংচোৰা বৰাৰ পৰিয়ালক 'উহৰীয়া বৰাৰ ঘৰ' বুলিবলৈ ল'লে। পাছলৈ এই পৰিয়ালৰ দুটা ঠালে বৰুৱাঢাপৰ পৰা উঠি আহি এটা ঠালে নাহৰণিত (প্ৰতিষ্ঠিত লেখক ছাইফুল হুছেইন সেই বংশৰে সন্তান) আন এটা ঠালে বালিবাটিত (জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদৰ পৰিয়াল) বসবাস কৰিবলৈ ল'লে। (ৰেকিবুদ্দিন আহমেদ জীৱন কথা - মুহিউদ্দিন আহমেদ)

*ফোন ঃ ৯১০১৬-২১৫১৪*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

## আনন্দৰাম বৰুৱা

### জীৱনকাল ৩৯ বছৰ মাত্ৰ (১৮৫০-১৮৮৯)



**ড° নীলমোহন ৰায়**

ফোন ঃ ৯৮৬৪০৬৪২৭৪

**আনন্দৰাম** বৰুৱা ঊনবিংশ শতাব্দীৰ অসমৰ এজন বিদগ্ধ সংস্কৃত পণ্ডিত আৰু ব্ৰিটিছ প্ৰশাসনৰ এজন সুদক্ষ আইচিএছ বিষয়া আছিল ।ইংৰাজী শিক্ষাৰে তেওঁ প্ৰথম অসমীয়া গ্ৰেজুৱেট, প্ৰথম অসমীয়া বিলাতলৈ যাওঁতা, বিলাতত পাছ কৰি অহা প্ৰথম বেৰিষ্টাৰ, ভাৰতত চিভিল ছাৰ্ভিচৰ প্ৰথম অসমীয়া চিভিলিয়ান আৰু ভাৰতবৰ্ষৰ প্ৰথম পাঁচজন চিভিলিয়ান পঞ্চমজন, প্ৰথম অসমীয়া জিলা মেজিষ্ট্ৰেট আৰু ভাৰতবৰ্ষৰ এনে এজন স্বনামধন্য সংস্কৃত পণ্ডিত যাৰ আসন বিশ্ববিশ্ৰুত বৰেণ্য পণ্ডিত মেক্সমূলাৰ, উইলিয়াম জেমচ্ আদিৰ শাৰীত।

অসমৰ উত্তৰ গুৱাহাটীৰ এটা সম্ভ্ৰান্ত পৰিয়ালত আনন্দৰামৰ জন্ম হয়। খ্ৰীষ্টীয় যোড়শ শতাব্দীত আহোম নৃপতি চুখাম্‌ফাৰ ৰাজত্বকালত দুৰ্গাচৰণ বসু নামৰ বংগদেশৰ পৰা এজন ব্যক্তিয়ে স্বৰ্গদেউৰ বিশেষ প্ৰীতি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৪৭৭ শকৰ আহাৰত কোচবিহাৰৰ ৰজা বিশ্বসিংহই স্বৰ্গদেউলৈ নজৰ পঠিয়াই এখন চিঠি দিছিল। চিঠিখন কেঁচুৰ ৰসেৰে লিখা আছিল; সেই কাৰণে দিনৰ পোহৰত তাক কোনেও পঢ়িব নোৱাৰিছিল। পিছে সেই দুৰ্গাচৰণে ৰাতি আঁৰিয়া গুচাই আন্ধাৰত তাক পঢ়িলে। চুখাম্‌ফা স্বৰ্গদেৱে তেওঁৰ বুদ্ধিৰ অশেষ প্ৰশংসা কৰি সেই দিনাৰ পৰা তেওঁক মজিন্দাৰ খিতাপ দি মাটি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰিলে। তদুপৰি আন্ধাৰত কেঁচুৰ ৰসৰ আখৰবিলাক মাণিক জ্বলাদি জ্বলি উঠিছিল কাৰণে স্বৰ্গদেৱে তেওঁৰ নাম সলাই মাণিকচন্দ্ৰ থ'লে। কালক্ৰমত এই বংগজ কায়স্থ পৰিয়াল মজিন্দাৰ বৰুৱা নামে পৰিচিত হয় আৰু অসমীয়া সমাজৰ অন্তৰ্ভুক্ত হৈ পৰে। আনন্দৰাম বৰুৱা এই বংশৰে সন্তান। তেওঁৰ পিতা গৰ্গৰাম অসমত ব্ৰিটিছ শাসনৰ প্ৰথম অৱস্থাৰ সদৰ-আমিনৰ (মুন্সিফ) পদ লাভ কৰিছিল। গৰ্গৰাম বৰুৱাৰ ঔৰসত আৰু দুৰ্লভেশ্বৰী বৰুৱানীৰ গৰ্ভত ১৮৫০ৰ ২১ তাৰিখে উত্তৰ গুৱাহাটীত আনন্দৰাম বৰুৱাই জন্মগ্ৰহণ কৰিছিল। পিতৃ গৰ্গৰাম বৰুৱাৰ দুগৰাকী ভাৰ্যা আছিল। প্ৰথমগৰাকী দুৰ্লভেশ্বৰী আৰু দ্বিতীয়গৰাকী পূৰ্ণিমা। দুৰ্লভেশ্বৰীৰ ফালৰ পৰা চাৰিটা সন্তান আছিল— পৰশুৰাম, জানকীৰাম, আনন্দৰাম আৰু মণিৰাম। পূৰ্ণিমাৰ ফালৰ পৰা তিনিটা সন্তান— আত্মাৰাম, অমৃতৰাম আৰু কেশৱৰাম।

গৰ্গৰাম বৰুৱা এজন ব্যক্তিত্ব সম্পন্ন পুৰুষ আছিল। প্ৰাচীন বৈদিক আচাৰ-নীতি মানি চলিছিল। সংস্কৃততো সুপণ্ডিত আছিল।

পৃথিৱীত অতি কম দিন জীয়াই থাকি খ্যাতিমন্ত হোৱা লোকসকলৰ ভিতৰত আনন্দৰাম বৰুৱা অন্যতম। অবিবাহিত হৈ থাকোতেই ১৮৮৯ৰ ১৯ জানুৱাৰীত তেওঁৰ কলকাতাত মৃত্যু হৈছিল। জীয়াই আছিল মাথোঁ ৩৮ বছৰ আঠ মাহ। ইমান কম দিন পৃথিৱীত জীয়াই থাকি উজ্জ্বল ছাত্ৰ-জীৱন সমাপ্ত কৰি মাত্ৰ ১৭ বছৰ কাল চাকৰিৰ মাজেদি নিস্বাৰ্থ সেৱা আৰু অধ্যয়নৰ মাজেদি সংস্কৃত ভাষাত গ্ৰন্থ লিখি অসাধ্য সাধন কৰিলে। টীকা আৰু ব্যাখ্যাসহ তেওঁ সম্পাদনা কৰা আৰু ৰচনা কৰা বিৰল আৰু মহামূল্যৱান সংস্কৃত গ্ৰন্থকেইখনে বিশ্বত কালজয়ী সমাদৰ লাভ কৰিলে আৰু সংস্কৃত ভাষা-সাহিত্যৰ সু-প্ৰাচীনত্ব, বিশালতা আৰু সুগভীৰ মৰ্যাদা বিশ্বত সু-প্ৰতিষ্ঠিত কৰিলে।

আনন্দৰামে বিশেষ সান্নিধ্য পোৱা অধ্যাপকসকলৰ ভিতৰত প্ৰধান আছিল সংস্কৃতত সুমহান পণ্ডিত মহামহোপাধ্যায় মহেশচন্দ্ৰ ন্যায়ৰত্ন আৰু গণিতৰ পণ্ডিতপ্ৰৱৰ ছাৰ গুৰুদাস বেনাৰ্জী। মহেশ চন্দ্ৰ ন্যায়ৰত্নদেৱে ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ লগত বংগদেশত সমানে আসন পাইছিল। ১৮৮৭ত বংগদেশত সৰ্বপ্ৰথম মহামহোপাধ্যায় উপাধি লাভ কৰা আঠ গৰাকী পণ্ডিতৰ ভিতৰত তেওঁ দ্বিতীয়জন আছিল। অধ্যাপক গুৰুদাস বেনাৰ্জী এসময়ত প্ৰেচিডেন্সিৰ ছাত্ৰৰূপে কলিকতা বিশ্ববিদ্যালয়ৰ সকলোবোৰ পৰীক্ষাতে প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ-চেঞ্চেলৰ হৈছিল। ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ ভিতৰত তেৱেঁই আছিল প্ৰথম ভাৰতীয় ভাইচ-চেঞ্চেলৰ। এই দুজন অধ্যাপকক পাই আনন্দৰামে ধন্য মানিছিল আৰু পাছলৈ গণিতশাস্ত্ৰ আৰু সংস্কৃতত আনন্দৰামে যে ইমান ভাল ফল দেখুৱাব পাৰিছিল তাৰ মূলতে আছিল এই দুই যশস্বী অধ্যাপকৰ সস্নেহ মোহিনী শক্তি।

১৮৬৬ৰ ডিচেম্বৰত আনন্দৰামে এফ এ পৰীক্ষা দিয়ে। এইবাৰ তেওঁ প্ৰথম বিভাগত ষষ্ঠ স্থান পালে আৰু গণিতত সৰ্বোচ্চ স্থান দখল কৰি ডাফ বৃত্তি লাভ কৰিলে। ১৮৬৯ৰ জানুৱাৰীত কলিকতা বিশ্ববিদ্যালয়ৰ বিএ পৰীক্ষাত আনন্দৰামে তৃতীয় স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। ইয়াৰ পাছত আইচিএছ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে তেওঁ ইংলণ্ড যাবলৈ মনস্থ কৰে। কিন্তু ইংলণ্ড যাত্ৰাৰ বাবে ৰক্ষণশীল পিতৃৰ সন্মতি আৰু অৰ্থসাহায্য পোৱাটো সহজ নহ'ব বুলি জানিয়েই তেওঁ কলিকতা বিশ্ববিদ্যালয়ে আয়োজন কৰা প্ৰতিযোগিতামূলক বৃত্তি পৰীক্ষাত বহিবলৈ সিদ্ধান্ত লয়। এই বৃত্তি পৰীক্ষাৰ উদ্দেশ্য আছিল ভাৰত চৰকাৰে বৃত্তি দি ভাৰতীয় ছাত্ৰক ইংলণ্ডত উচ্চ শিক্ষা ল'বৰ বাবে প্ৰেৰণ কৰা। বি এ পৰীক্ষাৰ পাছতেই এই পৰীক্ষা পৃথক পৰীক্ষকৰ তত্ত্বাৱধানত পতা হৈছিল। পৰীক্ষাত প্ৰথম হোৱা ছাত্ৰজনেই এই সুবিধাৰ বাবে নিৰ্বাচিত হৈছিল। পৰীক্ষাত আনন্দৰাম বৰুৱাই কৃতিত্বৰে প্ৰথম হৈ বাছনিত উঠে আৰু তিনি বছৰৰ কাৰণে বছৰি দুশ পাউণ্ডকৈ এই চৰকাৰী বৃত্তি লাভ কৰে। প্ৰতিযোগিতাত প্ৰথম হোৱা কাৰণে গীলখ্ৰাইষ্ট বঁটাও লাভ কৰি পাঁচ বছৰৰ কাৰণে বছৰি ১০০ পাউণ্ডকৈ এই অনন্য বঁটাটো প্ৰাপ্ত হয়। এইদৰে দুটা বৃত্তি লাভ কৰি জ্ঞানপিপাসু আনন্দৰামে ১৮৬৯ত অধিক শিক্ষাৰ বাবে ইংলণ্ডলৈ যাত্ৰা কৰে। তেওঁৰ বাবে এই উচ্চ শিক্ষাৰ আদৰ্শৰ উৎস আছিল প্ৰথম ভাৰতীয় চিভিলিয়ান (১৮৬৩) তথা ৰবীন্দ্ৰনাথ ঠাকুৰৰ অগ্ৰজ সত্যেন্দ্ৰনাথ ঠাকুৰ, সুৰেন্দ্ৰনাথ বেনাৰ্জী, ৰমেশচন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্ত।

আনন্দৰাম বৰুৱাই পূৰ্বোল্লিখিত দুটা বৃত্তি পাই ১৮৬৯ত লণ্ডন বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এই বিশ্ববিদ্যালয়ৰ বিএছচি শ্ৰেণীত ভৰ্তি হয়। একে সময়তে তেওঁ 'মিডল টেম্পল'-ত আইন অধ্যয়ন কৰিবলৈ লয় আৰু আইচিএছ পৰীক্ষাৰ বাবে প্ৰস্তুত হ'বলৈ ধৰে। ১৮৭১ত গণিতত প্ৰথম শ্ৰেণী অধিকাৰ কৰি তেওঁ আইচিএছ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৭২ত আইনৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বাৰ-এট-ল শ্ৰেণীভুক্ত হয়। ইতিমধ্যে তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ বিএছচি ডিগ্ৰীও লাভ কৰে। ১৮৭২ত স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰি তেওঁ অসমৰ শিৱসাগৰত সহকাৰী মেজিষ্ট্ৰেটৰূপে যোগদান কৰে। অসমীয়া লোকৰ ভিতৰত আনন্দৰামেই প্ৰথম আইচিএছ প্ৰথম গ্ৰেজুৱেট আৰু বেৰিষ্টাৰ হয়।

অসমত কিছুকাল চাকৰি কৰাৰ পাছত১৮৭৪ত তেওঁ বিশেষ চেষ্টা কৰি বংগদেশলৈ বদলি হৈ যায়। তালৈ গৈ তেওঁ মৈমনসিংহ, দিনাজপুৰ, বৰ্ধমান প্ৰভৃতি স্থানত সহকাৰী মেজিষ্ট্ৰেটৰ কাৰ্য সুখ্যাতিৰে সম্পাদন কৰে।

ল'ৰালিকালৰ পৰাই আনন্দৰাম সংস্কৃত ভাষাৰ একান্ত অনুৰাগী আছিল। কামত যোগদান কৰিয়েই তেওঁ এখন ইংৰাজী-সংস্কৃত অভিধান সংকলনৰ কাম আৰম্ভ কৰে। এই অভিধানখনৰ প্ৰথম খণ্ড ১৮৭৭ত প্ৰকাশিত হয়। এই বছৰতে তেওঁ ভৱভূতি ৰচিত 'মহাবীৰ চৰিতম্'ৰ এখন সু-সম্পাদিত সংস্কৰণ নিজৰ 'জানকীৰাম' (মধ্যম ভ্ৰাতাৰ স্মৃতিত) ভাষ্যসহ প্ৰকাশ কৰে। 'মহাবীৰ চৰিতম্' প্ৰকাশৰ পাছতেই কলিকতা সংস্কৃত কলেজ আৰু বোম্বাই বিশ্ববিদ্যালয়ৰ দ্বাৰা পাঠ্যৰূপে মনোনীত হয়। ১৮৭৮ত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এফএ আৰু বিএ পৰীক্ষাৰ্থীসকলৰ বাবে এখন পুথি ৰচনা কৰে। তাৰ পাছত ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান সম্পৰ্কে এটি মনোজ্ঞ নিৱন্ধ প্ৰকাশ কৰে। একে বছৰতে তেওঁ প্ৰথম শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতাসহ জয়েণ্ট মেজিষ্ট্ৰেট আৰু কালেক্টৰ পদলৈ উন্নীত হয়। এই সময়তেই তেওঁৰ ইংৰাজী-সংস্কৃত অভিধানৰ দ্বিতীয় খণ্ড প্ৰকাশিত হয়।

১৮৮১ত আনন্দৰামে প্ৰতি খণ্ডত ১০০০ পৃষ্ঠাসহ ১২শ খণ্ডত এখন সৰ্ববৃহৎ পূৰ্ণাংগ ব্যাকৰণ ৰচনাৰ পৰিকল্পনা কৰে। পৰিকল্পিত ব্যাকৰণখন প্ৰকাশৰ বাবে কলিকতাৰ বাগবাজাৰত আৰু বহৰমপুৰত তেওঁ দুটা মুদ্ৰণ যন্ত্ৰ কিনি প্ৰেছ স্থাপন কৰে আৰু কৰ্মচাৰী ৰাখি এইবোৰ পৰিচালনাৰ ব্যৱস্থা কৰে। ইয়াৰ পাছত দীৰ্ঘদিনৰ ছুটী লৈ আনন্দৰামে তেওঁৰ ব্যাকৰণ ৰচনাৰ উৎপাদন সংগ্ৰহৰ বাবে ইংলণ্ডলৈ যায়। ব্ৰিটিছ মিউজিয়াম, অক্সফোৰ্ডৰ বডলেয়ন লাইব্ৰেৰী আৰু ইণ্ডিয়া অফিচ লাইব্ৰেৰীৰ পৰা প্ৰচুৰ উপাদান সংগ্ৰহ কৰি ১৮৮৩ত তেওঁ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰি চট্টগ্ৰামৰ জয়েণ্ট মেজিষ্ট্ৰেট আৰু কালেক্টৰৰূপে চৰকাৰী কাৰ্যত যোগদান কৰে।

১৮৮২ত ব্যাকৰণখনৰ দশম খণ্ডটোৱেই প্ৰথম প্ৰকাশিত হয়। ছন্দ সম্পৰ্কীয় এই গ্ৰন্থত ছন্দশাস্ত্ৰীয় গ্ৰন্থবোৰ অতি পাণ্ডিত্য সহকাৰে বিশ্লেষিত হয়। এই বিশ্লেষণৰ স'তে ছন্দ সম্পৰ্কিত ১৪১ পৃষ্ঠাব্যাপী সংযোজিত ইংৰাজী ভূমিকাটোৱেও এই খণ্ডৰ গৌৰৱ বৃদ্ধি কৰে। ১৮৮৩ত তেওঁ বামন, বাগভট্ আৰু ভোজৰাজ প্ৰণীত অলংকাৰশাস্ত্ৰ সম্পৰ্কিত গ্ৰন্থ তিনিখন সম্পাদনা কৰি 'সৰস্বতী কণ্ঠাভৰণ' নামেৰে একেলগে প্ৰকাশ কৰে। ১৮৮৪ত তেওঁ নোৱাখালিৰ জিলা মেজিষ্ট্ৰেট আৰু কালেক্টৰ পদলৈ উন্নীত হয়। ইয়াৰ আগতো তেওঁ অস্থায়ীভাৱে জিলা মেজিষ্ট্ৰেটৰ কাৰ্য সম্পাদন কৰিছিল। ভাৰতীয়সকলৰ ভিতৰত আনন্দৰামেই প্ৰথম জিলা মেজিষ্ট্ৰেট হোৱাৰ গৌৰৱ অৰ্জন কৰে। তেওঁৰ কিছুদিন পাছতহে ৰমেশ চন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্তই এই সন্মান লাভ কৰিছিল।

১৮৮৪ত সংস্কৃত ব্যাকৰণৰ তৃতীয় খণ্ড 'নানাৰ্থ সংগ্ৰহ' নামেৰে ৫৩ পৃষ্ঠাব্যাপী দীঘলীয়া ইংৰাজী ভূমিকাসহ প্ৰকাশিত হয়। আনন্দৰাম পৰিকল্পিত দ্বাদশ খণ্ড ব্যাকৰণৰ ভিতৰত দুটা খণ্ডই মাথোঁ প্ৰকাশিত হৈছিল। ১৮৮৫ত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ 'ফেলো' নিযুক্ত হয়।

১৮৮৫ত তেওঁ 'নামলিংগানুশাসন' আৰু 'ধাতুবৃত্তিসাৰ' নামেৰে দুখন গ্ৰন্থ সংকলন কৰি প্ৰকাশ কৰে, পাছৰ বছৰত ধাতু পাঠ বা ধাতুকোষ নামেৰে আৰু এখন গ্ৰন্থ প্ৰকাশ কৰে, ইয়াত বৰ্ণনানুক্ৰমে সংস্কৃত ভাষাৰ সকলো ধাতুৰ অৰ্থ দিয়া হয়; প্ৰচলিত সংস্কৃত ব্যাকৰণবোৰৰ ধাতু সম্বন্ধীয় অংশৰ সাৰাংশও এই গ্ৰন্থত সংকলিত হয়। সংস্কৃত ভাষাত মৌলিক কবিতা ৰচনাৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ দক্ষতা আছিল।

১৮৮৮ত নোৱাখালি জিলাৰ ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেট আৰু কালেক্টৰৰূপে কৰ্মৰত অৱস্থাত চিৰকুমাৰ আনন্দৰাম পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ তেওঁৰ অকৃত্ৰিম বন্ধু প্ৰসিদ্ধ আইনজীৱী দানবীৰ তাৰকনাথ পালিতৰ দক্ষিণ কলিকতাৰ বাসগৃহত আশ্ৰয় গ্ৰহণ কৰে। কলিকতাৰ ভাল ভাল চিকিৎসকে তেওঁক চিকিৎসা কৰা সত্বেও দ্ৰুতভাৱে তেওঁৰ শৰীৰৰ অৱনতি হ'বলৈ ধৰিলে। শেষত ১৮৮৯ৰ ১৯ জানুৱাৰীত আবেলি প্ৰায় দুটামান বজাত তেওঁৰ জীৱনদীপ নিৰ্বাপিত হয়। মৃত্যুকালত তেওঁৰ বয়স আছিল মাথোঁ ৩৮ বছৰ আঠ মাহ।

সংস্কৃত ভাষাৰ প্ৰতি আনন্দৰামৰ আছিল অগাধ প্ৰেম। এই প্ৰেমৰ উৎস আছিল স্বদেশপ্ৰেম। তেওঁ বিভিন্নজনৰ আগত প্ৰায়েই কৈছিল—ভাৰতৰ উন্নতি হ'লে অসম বৈ নাথাকে। সেয়ে তেওঁ সংস্কৃত ভাষাৰ বৈজ্ঞানিক চৰ্চাৰ কামত হাত দিছিল। কিন্তু জীৱন কালৰ অসম্পূৰ্ণতাই তেওঁৰ আশাবোৰ সম্পূৰ্ণ কৰাত বাধা দিলে। তথাপি এই অসম্পূৰ্ণ জীৱনকালত তেওঁ যি কৰি থৈ গ'ল তাৰ বাবে বিশ্বৰ বিদ্বৎ সমাজে তেওঁক চিৰকাল সুঁৱৰি থাকিব। তেওঁৰ ৰচিত আৰু সম্পাদিত গ্ৰন্থসমূহ হ'ল—

১। A Practical English-Sanskrit Dictionary
২। Higher Sanskrit Grammar: Gender and Syntax.
৩। On the Ancient Geography of India.
৪। ভৱভূতিৰ 'মহাবীৰ চৰিতম্' (জানকীৰাম টীকা-ভাষ্য সম্বলিত)
৫। Selections From Sanskrit Classics
৬। Bhababhuti and His Place in Sanskrit Literature
৭। A Comprehensive Grammar of the Sanskrit Language. Analytical, Historical and Lexicographical Vol.X
৮। বামন, বাগভট্ আৰু সৰস্বতী কণ্ঠাভৰণ
৯। সৰস্বতী কণ্ঠাভৰণ।
১০। ধাতুবৃত্তিসাৰ।
১১। ধাতুকোষ বা ধাতুপাঠ।
১২। অমৰসিংহৰ নামলিংগানুশাসন।

আনন্দৰাম মাথোঁ বিশ্ববৰেণ্য সংস্কৃত পণ্ডিতেই নাছিল, তেওঁ আছিল দক্ষ প্ৰশাসকো। চৰকাৰৰ প্ৰতিনিধিৰূপে তেওঁ সদায় প্ৰজাবৰ্গৰ মংগল বিধানত সচেষ্ট আছিল; তেওঁ য'তেই গৈছিল তাতেই প্ৰজাসকলৰ পানীৰ অভাৱ দূৰ কৰিছিল, স্বাস্থ্য আৰু শিক্ষাৰ উন্নতি সাধিছিল।

কুমিল্লা, নোৱাখালি আদি ঠাইত তেওঁৰ চেষ্টাত বজাৰ, স্কুল, পুখুৰী আদি প্ৰতিষ্ঠিত হৈছিল। এইবোৰ 'বৰুৱা বজাৰ', 'বৰুৱা স্কুল' প্ৰভৃতি নামেৰে আজিও জনাজাত হৈ আছে।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে।*



# ১১৩.৮৩ কোটিৰ কাম দিল্লীৱালা ঠিকাদাৰক গতোৱাৰ ষড়যন্ত্ৰ

## বিদ্যুৎ বিভাগৰ সংবাদমেলত অভিযোগ আৰটিআই কৰ্মীৰ



*বানত প্লাৱিত তেজপুৰত ৰাইজৰ বিলৈ, মঙলবাৰে।*

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ মে'** ঃ নগাঁও জিলাত বিদ্যুৎ বিভাগে স্থানীয় ঠিকাদাৰক ভাতে মৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। আগন্তুক দিনত যাতে স্থানীয় ঠিকাদাৰে কাম কৰিব নোৱাৰে তাৰ বাবে ব্লুপিণ্ট প্ৰস্তুত কৰা হৈছে। শেহতীয়াকৈ নগাঁও জিলাত বিদ্যুৎ বিভাগক আধুনিকীকৰণ কৰিবৰ বাবে ১১৩ কোটি ৮৩ লাখ ৭০ হেজাৰ ৫৪৫ টকাৰ নিবিদা আহ্বান কৰা হৈছে। এই অভিযোগ দিলীপ নাথ নামৰ এজন আৰটিআই কৰ্মীৰ। আজি নগাঁৱত আয়োজন কৰা এক সংবাদমেলত এই অভিযোগ কৰি নাথে কয় যে জিলাখনৰ এল টি লাইন উন্নীতকৰণ কৰিবৰ বাবে উক্ত ধন ব্যয় কৰিব বিছাৰিছে। এই ধনেৰে জিলাখনৰ সকলো মুকলি হৈ থকা এলুমিনিয়ামৰ বিদ্যুৎ পৰিবাহী তাঁৰ আঁতৰাই প্লাষ্টিকৰ প্ৰলেপ লগোৱা বিদ্যুৎ পৰিবাহী তাঁৰ লগাবলৈ চৰকাৰে এই ধন ব্যয় কৰিব। বিভাগটোৰ এপিডিচিএল (পিপাএণ্ডডি)ৰ মুখ্য পৰিচালন সঞ্চালকে এই বৃহৎ পৰিমানৰ ধনৰ ক্ষেত্ৰত নিবিদা আহ্বান কৰিছে। অনলাইনযোগে ন মে'ত বিভাগটোয়ে নিবিদা ৰাজহুৱা কৰিছে। ২৩ মে'ৰ পৰা নিবিদা দাখিল কৰিব পাৰিব ঠিকাদাৰে। নিবিদা দাখিলৰ অন্তিম দিন আঠ জুন আৰু নিবিদা মুকলি কৰিব ১০ জুনত। বিষয়াজনে অনলাইনযোগে আহ্বান কৰা এই নিবিদাত বিদ্যুৎ বিভাগত কাম কৰা পূৰ্বৰ কোনো স্থানীয় ঠিকাদাৰে নিবিদা দাখিল কৰিব নোৱাৰিব। কাৰণ নিবিদা নীতি অনুসৰি ঠিকাদাৰে পূৰ্বে এটা পেকেজত ৮০ কোটি টকা কাম কৰা অভিজ্ঞতাৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব। তাৎপৰ্যৰ বিষয় এই যে বিগত সময়ছোৱাত ৰাজ্যখনত বিদ্যুৎ বিভাগত এটা গ্ৰুপত ৮০ কোটি টকাৰ কামেই হোৱা নাই। গতিকে ৰাজ্যৰ কোনো ঠিকাদাৰে ৮০ কোটি টকাৰ কাম কৰাৰ অভিজ্ঞতাৰ *আঠ পৃষ্ঠাত চাওক*

# ডলু চাহ বাগিচা উচ্ছেদ সম্পৰ্কে একো নাজানে সভাপতি কলিতাই

### ■ মুছলপুৰত বিজেপিৰ সাংগঠনিক সভাত ভবেশ কলিতা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৭ মে'** ঃ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে মুঠেই জ্ঞাত নহয় অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা। ৰাজ্যৰ চৌদিশে উচ্ছেদ অভিযানক লৈ তীব্ৰ প্ৰতিবাদ হৈ থকাৰ পাছতো এই সম্পৰ্কে জ্ঞাত নহয় ৰাজ্যিক সভাপতিজন। আজি বাগ্‌সা জিলাৰ দলৰ কাৰ্যালয়ত অনুষ্ঠিত সাংগঠনিক সভাৰ পাছত সাংবাদিকৰ প্ৰতিটো প্ৰশ্নতেই অজ্ঞতা প্ৰকাশ কৰে। শিলচৰৰ ডলু চাহ বাগিচাত শেহতীয়াভাৱে প্ৰশাসনে উচ্ছেদ অভিযান চলোৱা সম্পৰ্কে হোৱা প্ৰশ্নৰ উত্তৰত একো নাজানো বুলি মন্তব্য কৰি ডলু চাহ বাগিচা ক'ত আৰু গৈছেনে বুলি ওলোটাই সাংবাদিকক প্ৰশ্ন কৰে। আনহাতে, এজন কেবিনেট মন্ত্ৰীয়ে আলফাৰ ওচৰত ক্ষমা খোজা সম্পৰ্কে সোধাত তেওঁ মন্ত্ৰী সঞ্জয় কিষাণৰ ক্ষেত্ৰত নাজানো বুলি কয়। এই বিষয়ে টিভিও চোৱা নাই বুলি কয়। দলৰ ৰাজ্যিক সভাপতি হৈও অসমৰ শেহতীয়া ঘটনাৱলী সম্পৰ্কে কোনো জ্ঞাত নহয় বুলি কৰা মন্তব্যই তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাই বাগ্‌সা জিলা বিজেপিৰ কাৰ্যালয়ত জিলা সভাপতি শৰৎ শৰ্মাৰ সভাপতিত্বত এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত জিলা কাৰ্যালয় স্থাপন, শালবাৰী আৰু মথনগুৰি মণ্ডল গঠন, ইউপিপিএলৰ স'তে দলৰ মিত্ৰতাৰে চৰকাৰ চলি থকা সত্ত্বেও ইউপিপিএলে মিত্ৰতাৰ ধৰ্ম ৰক্ষা কৰা নকৰা, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মক বাৰে বাৰে নিমন্ত্ৰণ কৰাৰ পাছতো জিলা কাৰ্যালয়ত আজিলৈকে এবাৰো নহা, ৫০ টা ভিচিডিচিৰ ভিতৰত মাত্ৰ তিনিটা ভিচিডিচিৰ দায়িত্ব দিয়া আৰু আগন্তুক ককলাবাৰী সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনত বিজেপিয়ে নিজাববীয়াকৈ প্ৰাৰ্থিত্ব দিয়া আদি সম্পৰ্কে দলৰ ৰাজ্যিক সভাপতি কলিতাৰ ওচৰত দাবী উত্থাপন কৰে। এই সাংগঠনিক সভাত বাগ্‌সা জিলাৰ সভাপতি শৰৎ শৰ্মা, সাধাৰণ সম্পাদক ৰিদীপ কুমাৰ ডেকা, সম্পাদক নৱ মেধিৰ লগতে মুছলপুৰ, দিহিৰা, ককলাবাৰী আৰু বাগানপাৰা মণ্ডলৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱত বৰপেটা সত্ৰৰ ভাগৱত শোভাযাত্ৰা



**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৭ মে'** ঃ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ পৰা উলিওৱা ভাগৱত ভ্ৰমণে আজি বৰপেটা চহৰ পৰিভ্ৰমণ কৰে। ভাগৱত ভ্ৰমণত অংশগ্ৰহণ কৰা গায়ন-বায়ন আৰু নামদলৰ হৰিনাম ধ্বনিয়ে বৰপেটাৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। ভাগৱত ভ্ৰমণত বহুসংখ্যক ভকত-আইসকলৰ লগতে ভালে সংখ্যক যুৱক-যুৱতীয়ে কে'বাটাও সাংস্কৃতিক কাৰ্যসূচীয়ে অংশগ্ৰহণ কৰে। বৰপেটা সত্ৰৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ ৫৩৩ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ এইবেলি সত্ৰখনত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচী অনুসৰি, কালি পুৱা যুগল-প্ৰসংগ সমাৰোহ আৰু বিয়লি ধৰ্মালোচনা সভা অনুষ্ঠিত হোৱাৰ পাছত আজি পুৱা বৰপেটা সত্ৰৰ পৰা উলিওৱা হয় ভাগৱত ভ্ৰমণ। বিয়লি অনুষ্ঠিত হয় ধৰ্মালোচনা সভা। ধৰ্মালোচনা সভা উদ্বোধন কৰে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে। বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক বাপজনাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনা সভাত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা গকুল গগৈয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ *আঠ পৃষ্ঠাত চাওক*

# বটদ্ৰৱা থানত মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ মে'** ঃ মহাপুৰুষ শংকৰদেৱৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থানত আজি সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ উদ্‌যাপন কৰা হয়। মাধৱদেৱৰ জন্মোৎসৱ উপলক্ষে পুৱা তাল কোবোৱা, আইসকলৰ নাম, খোল প্ৰসংগৰ পাছতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় সাত শতাধিক ভক্ত-বৈষ্ণৱৰ উপস্থিতিত দুপৰীয়া কীৰ্তন অনুষ্ঠিত হয়। দুপৰীয়া কীৰ্তনত মাধৱদেৱৰ জন্মোৎসৱ উপলক্ষে অন্য কীৰ্তনৰ লগতে 'কৃষ্ণ সূৰ্য ভৈলন্ত উদিত' শীৰ্ষক কীৰ্তনভাগ পৰিৱেশন কৰা হয়। উল্লেখ্য যে মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ উপলক্ষে বটদ্ৰৱাৰ কীৰ্তনঘৰ, উত্তৰ পদশিলা, দক্ষিণ পদশিলা আৰু দৌল মন্দিৰত শ শ ভক্ত-বৈষ্ণৱ উপস্থিত হৈ নৈবেদ্য, শৰাই, বন্তি আগবঢ়োৱা দৃশ্য দৃষ্টিনন্দন আছিল। মাধৱদেৱৰ জন্মোৎসৱ উপলক্ষে বটদ্ৰৱাৰ যুৱকবৃন্দৰ সৌজন্যত দৌলৰ বাটত নিশা দিহানাম অনুষ্ঠিত কৰা হয়।

# ধিঙত গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১৭ মে'** ঃ হৰি নামৰ ধ্বনিৰে আজি মুখৰিত হৈ পৰে ধিঙৰ শংকৰ মন্দিৰ। ৰাজ্যৰ আন ঠাইৰ লগতে আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধিং আঞ্চলিকৰ কাৰ্যালয়তো দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হয় মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱৰ ৫৩৪ সংখ্যক জন্মজয়ন্তী। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন গ্ৰন্থও উন্মোচন কৰা হয়। 'জানা যেন কল্পতৰু' নামৰ এখন আধ্যাত্মিক ভাৱৰ গ্ৰন্থ উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ নগাঁও শাখাৰ শৰণ সদস্য উমা হাজৰিকাই। সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশত উন্মোচন কৰা গ্ৰন্থখনৰ লেখিকা দিপালী বেজবৰুৱা। দিপালী বেজবৰুৱাৰ গ্ৰন্থখনত আধ্যাত্মিক দৰ্শনেৰে আজিৰ উচ্ছৃংখল সমাজখনক এক ইতিবাচক দিশ প্ৰদান কৰিবলৈ প্ৰয়াস কৰা হৈছে।

# কুকুৰমাৰাত ৰাষ্ট্ৰীয় পথত উভালি পৰিল ১৫০ বছৰীয়া আহত

### ■ গুৱাহাটী-গোৱালপাৰা অভিমুখী যানবাহন বন্ধ
### ■ আহত মটৰ চাইকেল আৰোহী-গছ কাটি থাকোতেই ডাল গাত পৰি আহত হ'ল বন বিষয়া

**ছয়গাঁও, ১৭ মে'** ঃ দক্ষিণ কামৰূপৰ কুকুৰমাৰাৰ শ্ৰীকৃষ্ণ মন্দিৰৰ সমীপত থকা এডাল প্ৰকাণ্ড আহত গছ আজি উভালি পৰাৰ ফলত সমূলি বন্ধ হৈ পৰে গুৱাহাটী-গোৱালপাৰা অভিমুখী যান-বাহনসমূহ। ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ গাতে লাগি থকা এই আহত গছজোপা বিগত চাৰিদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত উভালি পৰে। প্ৰায় ১৫০ বছৰীয়া প্ৰকাণ্ড আহত গছজোপা গুৰিৰ পৰাই সমূলি উভালি পৰাৰ ফলত ডেৰ ঘণ্টা ধৰি শ শ যানবাহন চলাচল বন্ধ হৈ পৰে। ইফালে, গছ উভালি পৰাৰ সময়ত ছয়গাঁও দিশৰ পৰা আহি থকা এগৰাকী মটৰ চাইকেল আৰোহী গুৰুতৰভাৱে আহত হোৱাৰ উপৰি তেওঁৰ মটৰ চাইকেলখন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। বাতৰি লিখা পৰলৈকে লোকজনৰ ঠিকনা জানিব পৰা হোৱা নাই। আনহাতে, ঘটনাস্থলীৰ ওচৰতে থকা কুকুৰমাৰা গাঁৱৰ ৪০-৫০ জনীয়া যুৱক-মহিলাৰ দল এটাই হাতে হাতে দা-কুঠাৰ লৈ পথৰ ওপৰতে থকা গছজোপা কাটি পথছোৱা মুকলি কৰি থকাৰ সময়তে কুকুৰমাৰাৰ আৰক্ষী *আঠ পৃষ্ঠাত চাওক*

# জীৱিত গঁড়ৰ খৰ্গ কাটি নিয়া চোৰাং চিকাৰীৰ তথ্য প্ৰদান কৰোতালৈ পুৰস্কাৰ ঘোষণা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৭ মে'**ঃ আজি কিছুদিন পূৰ্বে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ ভিতৰত এটি চোৰাং চিকাৰীৰ দলে এটা জীৱিত গঁড়ৰ চেতনা নাশক দ্ৰব্য ব্যৱহাৰ কৰি খৰ্গ কাটি লৈ যোৱাৰ নৃশংস ঘটনাটি দৰং আৰক্ষীয়ে গুৰুত্ব সহকাৰে লৈছে। এই নৃশংস ঘটনাৰ লগত জড়িত সমাজবিৰোধী লোক সকলৰ পৰিচয় আৰু আনুসাংগিক তথ্য যোগান ধৰা ব্যক্তি বা সংগঠনলৈ নগদ দুই লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব বুলি দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ে জনাইছে। ইচ্ছুক লোক বা সংগঠনে আৰক্ষী অধীক্ষক গৰাকীৰ ৯৪৩৫৭-৪৬০৭৫ নম্বৰত জনাব পাৰিব আৰু এই সকল লোক বা সংগঠনৰ পৰিচয় সম্পূৰ্ণ গোপনভাৱে ৰখা হ'ব বুলিও আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ে জানিব দিয়ে।

# চলিচ্চিত্ৰ পৰিচালক পাৰ্থজিৎ বৰুৱাক 'জোনাকী বাট' বঁটা প্ৰদান

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ মে'** ঃ অসমৰ প্ৰথম মহিলা মিউজিকেল বেণ্ড 'সুৰসমলয়'ৰ সৌজন্যত 'এই ধুনীয়া গধূলি লগন' শীৰ্ষক এক আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান কালি সন্ধিয়া নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক বিশিষ্টা অভিনেত্ৰী মলয়া গোস্বামী, বিশিষ্টা কণ্ঠশিল্পী দুৰ্গাময়ী বৰা, নগাঁও জিলা আৰক্ষী অধীক্ষক লীনা দলে আদিয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানতে সুৰসমলয়ৰ শিল্পীসকলৰ সংগ্ৰামৰ বিষয়ে চলচ্চিত্ৰ নিৰ্মাণ কৰোতা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, চলচ্চিত্ৰ সমালোচক পাৰ্থজিৎ বৰুৱাই নিৰ্মাণ কৰা, দেশ বিদেশত সমাদৃত হোৱা তথ্যচিত্ৰ 'ব্ৰেকিং দ্যা চাইলেঞ্চ' প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানতে চলচ্চিত্ৰ নিৰ্মাতা-পৰিচালক পাৰ্থজিৎ বৰুৱাক সুৰসমলয়ৰ 'জোনাকী বাট' বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত গৌৰৱ কুমাৰ হাজৰিকাৰ পৰিচালনাত 'সূত্ৰধাৰ'ৰ শিল্পীসকলে পৰিৱেশন কৰা নৃত্যানুষ্ঠান 'জোনাকী বাটেৰে' শীৰ্ষক অনুষ্ঠানে দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখে। আকাশবাণী নগাঁও কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালিকা পল্লৱী কলিতাৰ ভায়োলীন আৰু অঞ্জলী মহন্তৰ মেণ্ডোলীনৰ যুগলবন্দীয়ে সকলোকে আপ্লুত কৰি তোলে। সুৰসমলয়ে কালি নগাঁওবাসীক এটি সুন্দৰ সন্ধিয়া উপহাৰ দিলে বুলি সচেতন মহলে মন্তব্য কৰিছে।

# সত্ৰশালৰ ৰামৰাইকুটি সত্ৰত মাধৱদেৱৰ তিথি উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ১৭ মে'** ঃ সমগ্ৰ ৰাজ্যৰ সত্ৰ নামঘৰৰ লগতে ধুবুৰী জিলাৰ অসম পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰি সীমান্তৰ সত্ৰশালৰ ৰামৰাইকুটি সত্ৰতো দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰী মাধৱদেৱৰ ৫৩৩ সংখ্যক আবিৰ্ভাৱ তিথি পালন কৰা হয়। মহাপুৰুষজনাৰ আবিৰ্ভাৱ তিথিত ধৰ্মীয় ৰীতি মতে পুৱাৰ গীতৰ পাছতে, নগৰ কীৰ্তন উলিওৱা হয়। আইসকলৰ নাম, বাপুসকলৰ নাম কীৰ্তনৰ পাছত যুগল পটল *আঠ পৃষ্ঠাত চাওক*

# ব্যৱসায়ীৰ বাবে কৃত্ৰিম বানত ডুবিছে মান্দাকাটা বাগান



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৭ মে'** ঃ মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত কৃত্ৰিম বানত ডুবিছে এটা চুবুৰি। উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত মান্দাকটা বাগানৰ এটা চুবুৰি এতিয়া পানীৰ তলত। চুবুৰিটোৰ ভুক্তভোগী ৰাইজে অভিযোগ কৰা মতে, মান্দাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত এই মান্দাকাটা বাগান চুবুৰিটোৰ পানী নিষ্কাসন পথটো বন্ধ কৰি কনক ডেকা নামৰ এজন ব্যৱসায়ীয়ে প্ৰকাণ্ড দেৱাল বহুৱাই দিয়াৰ ফলত কৃত্ৰিম বানত ডুবিছে *আঠ পৃষ্ঠাত চাওক*

বিলৈয়াসনন্দন চ'ৰা



## ফ্লাড আহিল! আয়োজন চুৰু

**যিটো** হাৰত বৰষুণ হ'ব ধৰিছে, এইবাৰ ফ্লাড হ'ব যেন লাগিছে। ফ্লাড অহাৰ লগে লগে আমাৰ এল জেসকলৰ ব্যস্ততাও বহুখিনি বাঢ়ি যায়। অলৰেডি এল জে এম মানে লগত যোৱা মিনিষ্টাৰবোৰৰ ঘৰে ঘৰে প্ৰস্তুতি আৰম্ভ হৈ গৈছে। এতিয়া বুলি নহয়, সেই ১৯৫০ চনৰ পৰাই ফ্লাড বোলা বস্তুটো নিজকে জনহিতৈষী বুলি প্ৰমাণ কৰাৰ প্ৰামাণিক পাত্ৰ হৈ আহিছে। চাইনাই আখামখন দখল কৰি লওতে দিল্লীত বহি ঘঁৰিয়ালৰ চকুপানী টোকা নেহৰু চাচা কিমান আখামপ্ৰেমী আছিল, তাক প্ৰমাণ কৰিবলৈ তেওঁৰ সাংগোপাংগই আজিও সেই বাঁহৰ দলঙেদি '৫০ৰ ফ্লাড চাবলৈ যোৱাৰ ফটোখনকে দেখুৱাই থাকে। আজিৰ লগত যোৱা মিনিষ্টাৰবোৰেও নিজকে জনদৰদী বুলি প্ৰমাণ কৰিবলৈ এই ফ্লাডকে প্ৰধান আহিলা কৰি আহিছে। এইবাৰ ভালকৈ ফ্লাড নাহোতেই বা আহো আহো কৰোতেই তেওঁলোকৰ ঘৰে ঘৰে আয়োজন আৰম্ভ হৈয়ে গৈছে। ঘৰৰ লগুৱাবোৰক লক্ষ্য কৰি জাৰি কৰা হৈছে বিভিন্ন ধৰণৰ হুকুম—'অ'ই তহঁতে দেখিছ নে নাই?'

ঃ কি ছাৰ?
ঃ কি হাৰত বৰষুণ হ'ব ধৰিছে?
ঃ দেখিছো ছাৰ।
ঃ এইবাৰ চাগে ফ্লাড জোৰদাৰ হ'ব?
ঃ হয় ছাৰ। লক্ষণ দেখা গৈছে।
ঃ গতিকে আমাৰো সাজু হ'বৰ হ'ল।
ঃ হয় ছাৰ।
ঃ আটাইখিনি চাউল ঠিক-ঠাক কৰিলি নেকি?
ঃ কৰিলো ছাৰ।
ঃ ধান-খুদ কিমানখিনি ওলাইছে?
ঃ বহু ওলাইছে ছাৰ।
ঃ একো পেলাই নিদিবি। আটাইবোৰ বস্তাত বান্ধি থ'বি।
ঃ হ'ব ছাৰ।



ঃ আলু-বিলাহীবোৰ যে আন, তাৰ পৰা পচাখিনি বাহিৰ কৰিছ নে নাই?
ঃ কৰিছো ছাৰ।
ঃ সেইখিনি বস্তাত ভৰাই থ'বি।
ঃ হ'ব ছাৰ।
ঃ আৰু তহঁতক যে বিহুৰে-পূজাই কাপোৰবোৰ দিও, চাৰি-পাঁচ বছৰ আগেয়ে দিয়া কাপোৰবোৰ আছে নে নাই?
ঃ আছে ছাৰ। কিন্তু সব ফাটিছে।
ঃ একো নহয়। সেইবোৰ কাপোৰৰ দোকানীয়ে পেকিং কৰাৰ ষ্টাইলত পেকিং কৰি থ'বি।
ঃ হ'ব ছাৰ।
ঃ আটাইবোৰ বস্তা পেকেট এটা জাগাত জমা কৰি থ'বি।
ঃ হ'ব ছাৰ! কিন্তু ধান-খুদ, পঁচা আলু- বিলাহী, ফটা-ছিটা কাপোৰ—এইবোৰেদি কি কৰিব ছাৰ?
ঃ কিয়, ফ্লাড আহিলে ফ্লাড ৰিলিফ দিব লাগিব নহয়?

লগত যোৱা মিনিষ্টাৰে পুনৰ কথাৰ সুৰ সলাই ক'লে— 'ফ্লাড চাবলৈ গ'লে অলপ পানী খচিব পাৰিলে ভাল আছিল।'

ঃ হয় ছাৰ!
ঃ দুখনমান ফটো উঠাই ভাইৰেল কৰি দিলে মোৰ অলপ নাম হ'লহেঁতেন।
ঃ হয় ছাৰ।
ঃ কিন্তু পানী খচিলে মোৰ এলাৰ্জী হয় অ'! তৎক্ষণাত চৰ্দি লাগে।
ঃ হয় ছাৰ।
ঃ সেই কাৰণে ভাবিছো হেলিলপ্টাৰতে উঠি ফ্লাড চাম, যদিহে মহাৰাজে লগত নিয়ে।
ঃ আৰু যদি নিনিয়ে?
ঃ গছত উঠি চাম। ফ্লাডাক্ৰান্ত ৰাইজৰ দুখ-কষ্টৰ বুজ ল'বলৈ মিনিষ্টাৰে গছো বগাইছে। সেইটো এটা কম ডাঙৰ নিউজ হ'বনে?

# তেজপুৰত ড্ৰাগছসহ গ্ৰেপ্তাৰ মাতৃ-পুত্ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ,১৭ মে'** ঃ ৰাজ্যত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থকাৰ সময়ত তেজপুৰত ইতিমধ্যে একাধিক ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱাৰ বিপৰীতে এইবাৰ চহৰখনত ড্ৰাগছৰ নিষিদ্ধ বেহাৰ স'তে মহিলাও জড়িত থকাৰ বিষয় পোহৰলৈ আহিছে। উল্লেখ্য যে তেজপুৰ আৰক্ষীয়ে চলোৱা এক অভিযানত যোৱা নিশা ড্ৰাগছৰ বেহাৰে জড়িত দুজনক গ্ৰেপ্তাৰ কৰাৰ লগতে প্লাষ্টিকৰ ১৯ টা পাত্ৰত থকা ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। এই ঘটনাৰে জড়িত আন এজনকো আটক কৰিছে আৰক্ষীয়ে। আৰক্ষী সূত্ৰই উল্লেখ কৰা অনুসৰি *আঠ পৃষ্ঠাত চাওক*

# বিশ্বনাথৰ সাধাৰুপাৰৰ ব্ৰইলাৰ ফাৰ্মত বানপানীৰ ফলত ১৮০০ ব্ৰইলাৰৰ মৃত্যু

### তিনিসুঁতিত মিজিকা নদীৰ ব্যাপক খহনীয়া

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৭ মে'** ঃ নেৰানেপেৰা বৰষুণৰ ফলত বিশ্বনাথৰ কে'বাখনো গাঁও বানপানীৰ কবলত পৰিছে। বুৰাই পেলাইছে কে'বাখনো গাঁও। নেৰানেপেৰা বৰষুণৰ ফলত বুঢ়ীগাং নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত বাঢ়নী পানীয়ে নিশা ভাঙি পেলায় বুঢ়ীগাং নদীৰ মথাউৰিটো। মথাউৰিটো ভঙাৰ ফলত নদীৰ বাঢ়নী পানীয়ে বিশ্বনাথৰ শ'লমাৰী, লাওদলনী, সাধাৰুপাৰ, নতুনপাৰ, কমলপুৰ, নিজ শ'লমাৰীকে *আঠ পৃষ্ঠাত চাওক*

# নিকাছিত গোৰ্খা সন্মিলনৰ অধিবেশনত আজি অসম-ছিকিমৰ মুখ্যমন্ত্ৰী



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৭ মে'** ঃ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাগ্‌সা জিলাৰ নিকাছিত চলি আছে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় অধিবেশন। আজি অধিবেশনৰ তৃতীয় দিন। গোৰ্খা সাজ পৰিহিত পুৰুষ-মহিলাৰে একপ্ৰকাৰ উথপথপ পৰিবেশ নিকাছিৰ অধিবেশনস্থলী। বিভিন্ন গোৰ্খা নৃত্য, অসমৰ সমাজ জীৱনত গোৰ্খাসকলৰ অৱদান শীৰ্ষক আলোচনা চক্ৰৰে মুখৰ হৈছে অধিবেশনস্থলী। অধিবেশনস্থলীত গোৰ্খা জনগোষ্ঠীৰ সাজপাৰ আৰু আ-অলংকাৰৰ বহুতো বিপণি দেখা গৈছে। বিপণিসমূহত জনগোষ্ঠীটোৰে বিধে বিধে বয়বস্তু ক্ৰয় কৰা দেখা গৈছে। অৱশ্যে দুই-এপদ আপুৰুগীয়া বস্তু পাই লোকসকল আনন্দিত হোৱাও দেখা গৈছে। আজি দিনে-নিশাই মঞ্চত গোৰ্খা লোকনৃত্যৰ সাংস্কৃতিক কাৰ্যক্ৰম চলে। কাইলৈ অধিবেশৰ সামৰণি। সামৰণিৰ দিনা কাইলৈ পুৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভা। মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং গোলে, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। নিশা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যক্ৰম। নিকাছিত অনুষ্ঠিত হৈ থকা এই অধিবেশনৰ কাৰ্যসূচী ৰূপায়ণত নেৰানেপেৰা বৰষুণে কিছু বিধি পথালি দিয়ে। ইফালে, কালি হৈ যোৱা প্ৰতিনিধি সভাত অসম গোৰ্খা সন্মিলনৰ নতুন সমিতি গঠনৰ বাবে যি ভোট গ্ৰহণ হৈছিল তাৰ গণনা এই বাতৰি লিখা সময়লৈ চলি আছে। নিশাৰ ভাগত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

# চতিয়াত ঘিলাধাৰী নৈৰ কাষৰ সুঁতিত ব্যাপক বেদখল

### ■ নদীৰ পানী পৰিবহণত বাধা দিয়াৰ বাবেই উজনি অংশৰ ছয়খনকৈ ৰাজহ গাঁও ডুব গ'ল প্ৰথমটো বানত

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৭ মে'** ঃ বাৰিষাৰ প্ৰথমটো বানে উত্তৰ চতিয়াৰ ঘিলাধাৰী নদীৰ কাষৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰাত বহু পৰিয়াল গৃহবন্দী হোৱাৰ লগতে বহুতে ঘৰ-বাৰী এৰি স্কুল ঘৰত আশ্ৰয় গ্ৰহণ কৰিব লগাত পৰিছে। বাৰিষাৰ প্ৰথমটো বানত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ উত্তৰে ঘিলাধাৰী নদীৰ কাষৰীয়া গেৰেকী, ভোলাগুৰি, খেৰীয়া বস্তি, বৰপাম, কুৰ্মী গাঁও, মাগুৰমাৰী, পতিয়া গাঁৱকে ধৰি বহুকেইখন গাঁও বুৰ গৈছে। যোৱা নিশাৰে পৰা বাঢ়নী পানীয়ে ন ন অঞ্চল প্লাৱিত কৰাত এক প্ৰকাৰৰ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে উত্তৰ চতিয়াবাসীৰ মাজত। অঞ্চলটো বানৰ কবলত পৰাত পটিয়া গাঁও, মাগুৰমাৰি অঞ্চলৰ থলুৱা কৃষকে ব্যৱসায়িক ভিত্তিত কৰা বহু হেক্টৰ শাক-পাচলিৰ খেতি নষ্ট হোৱাৰ লগতে বহু পুখুৰী বুৰাই পেলোৱাত ব্যাপক ক্ষতিৰ সন্মুখীন হ'ব লগা হৈছে মৎস্যপালক। উল্লেখ্য যে পূৰ্বতে বানৰ কবলত নপৰা উত্তৰ চতিয়াৰ বিস্তীৰ্ণ অঞ্চল প্ৰথমটো বানত প্লাৱিত হোৱাৰ মূল কাৰণ হিচাপে ঘিলাধাৰী নদীৰ পানী পৰিবহণ ক্ষমতা কমি যোৱাটো বুলি অঞ্চলবাসীয়ে মত প্ৰকাশ কৰিছে। ঘিলাধাৰী নদী ১১৫ নম্বৰ ৰাষ্ট্ৰীয় *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত



## প্ৰথমদিনাই ন শতাংশ পতন এল আই চিৰ শ্বেয়াৰৰ




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ** দেশৰ সবাতোকৈ বৃহৎ বীমা কোম্পানী ভাৰতীয় জীৱন বীমা নিগম (এল আই চি)-এ পুঁজি বজাৰত প্ৰৱেশ কৰিলে। দেশৰ বৃহত্তম আই পি অ’ বোম্বে ষ্টক এক্সচেঞ্জ (বি এছ ই) আৰু নেচনেল ষ্টক এক্সচেঞ্জ (এন এছ ই)ত আঠৰ পৰা ন শতাংশ পতনৰে পুঁজি বজাৰত তালিকাভুক্ত হ’ল এল আই চি। প্ৰথমদিনাই বীমা কোম্পানীৰ শ্বেয়াৰৰ প্ৰদৰ্শনত স্বাভাৱিকতে হতাশ হ’ল বিনিয়োগকাৰীসকল। এল আই চিৰ ষ্টক আজি বি এছ ইত ৮১.৮০ টকা ৰেহাইৰ পাছত ৮৬৭.২০ টকাত তালিকাভুক্ত হয়। অৰ্থাৎ ৮.৬২ শতাংশ পতনৰে এল আই চিয়ে বি এছ ইত প্ৰৱেশ কৰিলে। একে সময়তে এল আই চিৰ ষ্টক ৭৭ টকা ৰেহাইৰে ৮৭২ টকাত এন এছ ইত তালিকাভুক্ত হ’ল। তালিকাভুক্তিৰ পাছত এই ষ্টকৰ মূল্য কিছু উত্থান হৈ ৯১৮ টকালৈ বৃদ্ধি পায়।

## সৰ্বধৰ্মৰ প্ৰাৰ্থনাস্থল হওক জ্ঞানবাপী ঃ তছলিমাৰ টুইটত বিতৰ্ক



নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ কাশীৰ বিতৰ্কিত জ্ঞানবাপী মছজিদত শিৱলিংগৰ সন্ধান লাভ কৰাৰ বাতৰিয়ে দেশজুৰি চাঞ্চল্য অব্যাহত ৰাখিছে। এই মছজিদৰ ভিতৰৰ সকলো অংশৰ সমীক্ষা আৰু ভিডিঅ’ গ্ৰহণ কৰি কালি বাৰাণসীৰ আদালতত সমীক্ষক দলে প্ৰতিবেদন দাখিল কৰি উক্ত মছজিদৰ চৌহদৰ ভিতৰত এটা শিৱলিংগ থকা বুলি দাবী কৰিছিল। ইয়াৰ পাছতে বিতৰ্কিত অঞ্চলটো তলাবন্ধ কৰি দিয়ে আদালতে। জ্ঞানবাপী মছজিদৰ এই বিতৰ্কিত প্ৰসংগত টুইটাৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বাংলাদেশৰ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিনে। তছলিমাই টুইটত কয় যে জ্ঞানবাপী মছজিদ সৰ্বধৰ্মৰ প্ৰাৰ্থনাৰ স্থল হিচাপে গঢ় দিয়া উচিত। টুইটত লেখিকাগৰাকীয়ে এইদৰে দাবী কৰে, ‘সকলোৰে বাবে এক বৃহৎ প্ৰাৰ্থনাস্থান থকা ভাল। প্ৰাৰ্থনাগৃহত থাকিব ১০ টা কক্ষ। হিন্দুৰ বাবে এটা, মুছলমানৰ এটা, খ্ৰীষ্টানৰ বাবে এটা, বৌদ্ধৰ বাবে এটা, শিখৰ বাবে এটা, ইহুদিৰ বাবে এটা, জৈনৰ বাবে এটা আৰু পাৰ্চিৰ বাবে এটা কোঠা। অন্যান্য কোঠাত পুথিভঁৰাল, খেলাঘৰ, শৌচালয়, বাৰান্দা আদি থাকিব।’ তছলিমাৰ এই টুইটে সামাজিক মাধ্যমত বিতৰ্কৰ সৃষ্টি কৰিছে।

### ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ দাবী ঃ ইউক্ৰেইনত ৰুছ বাহিনীৰ শক্তি ক্ৰমশ হ্ৰাস পাইছে


## হঠাৎ ৰুছ সীমান্তত উপস্থিত হ’ল ইউক্ৰেইনৰ সেনা বাহিনী

**নিউজ ব্যুৰ’ কীভ, ১৭ মে’ ঃ** যোৱা ২৪ ফেব্ৰুৱাৰীত যুদ্ধ আৰম্ভ হোৱাৰ সময়ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ঘোষণা কৰি কৈছিল যে তেওঁ সমগ্ৰ ইউক্ৰেইনক স্বাধীন কৰিব। কিন্তু পাছত এই লক্ষ্য ত্যাগ কৰি ৰাছিয়াই পূব আৰু দক্ষিণ ইউক্ৰেইনত অধিক মনোনিৱেশ কৰিছিল। কিন্তু এতিয়া উত্তৰ-পূব ইউক্ৰেইনত ৰাছিয়াৰ দখলদাৰী বিপুল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সামাজিক মাধ্যমত শেহতীয়াভাৱে এক ভিডিঅ’ ভাইৰেল হৈছে। এই ভিডিঅ’ত আবদ্ধ হোৱা দৃশ্য অনুসৰি ৰুছ সীমান্তত ইউক্ৰেইনৰ সেনা বাহিনী উপস্থিত হৈছে আৰু ইউক্ৰেইনৰ সেনাই ‘আমি ইয়াত মিষ্টাৰ প্ৰেছিডেণ্ট’ বুলি হুংকাৰ দিছে। এই মুহূৰ্তত একমাত্ৰ মাৰিঅ’পুলসহ ডনবাছ অঞ্চল ৰাছিয়াৰ নিয়ন্ত্ৰণত আছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে অৱশ্যে



দাবী কৰি কৈছে যে অচিৰে তেওঁ মাৰিঅ’পুল ৰাছিয়াৰ দখলৰ পৰা মুক্ত কৰিব। ইউক্ৰেইনক এই ক্ষেত্ৰত ইউৰোপ, আমেৰিকা আৰু জি৭ৰ সদস্য দেশে প্ৰয়োজনীয় সাহায্য আগবঢ়াইছে। এইসমূহ দেশে ইতিমধ্যে ঘোষণা কৰি কৈছে যে ৰাছিয়াই যদি ইউক্ৰেইনৰ সীমান্ত সলনিৰ অপচেষ্টা চলায় তেন্তে ইয়াক মান্যতা প্ৰদান কৰা নহ’ব। ৰুছ সীমান্তৰ ইউক্ৰেইনৰ চুমী অঞ্চলতো মস্কো আগ্ৰাসন বন্ধ হৈছে বুলি স্থানীয় প্ৰশাসনে দাবী কৰিছে। সম্প্ৰতি ইউক্ৰেইনৰ পশ্চিম অঞ্চল যথেষ্ট শান্ত হৈ আছে। ইতিমধ্যে ৰাজধানী কীভতো ভাৰতৰ দূতাবাসৰ কাম-কাজ পুনৰ আৰম্ভ কৰাৰ যো-জা চলিছে। অৱশ্যে ডনবাছ অঞ্চলত এতিয়াও ৰুছ সেনাই বাহৰ পাতি আছে।

ইফালে, ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়লৈ আজি এক বিবৃতিত উল্লেখ কৰা অনুসৰি যুদ্ধ আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে ৰাছিয়াৰ স্থলসেনা বাহিনীয়ে এক তৃতীয়াংশ সেনাক হেৰুৱালে। বিপুল ক্ষয় ক্ষতিৰ লগতে ৰাছিয়াৰ বহুসংখ্যক সেনাৰ এই যুঁজত মৃত্যু হোৱা বুলি ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে দাবী কৰিছে। ব্ৰিটিছ মন্ত্ৰণালয়ে উক্ত বিবৃতিত এইদৰে কয়, ‘ৰুছ বাহিনীৰ শক্তি ক্ৰমশ হ্ৰাস পাইছে। নৈতিক দিশৰ পৰা তেওঁলোকে সক্ৰিয়তা হেৰুৱাইছে। ফলত ৰাছিয়াৰ অভিযান ক্ৰমশ দুৰ্বল হৈছে।’



### ৰুছ-ইউক্ৰেইনৰ যুদ্ধৰ মাজতে হাইপাৰছ’নিক অস্ত্ৰৰ সফল পৰীক্ষা আমেৰিকাৰ

**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ১৭ মে’ ঃ** আমেৰিকাৰ বায়ুসেনাই প্ৰকাশ কৰা অনুসৰি সোমবাৰে দেশখনে এটা এ আৰ আৰ ডব্লিউ হাইপাৰছ’নিক অস্ত্ৰৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিলে। মাৰ্কিন বায়ুসেনাই প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা অনুসৰি বি-৫২ এইচ ষ্ট্ৰেট’ফ’ৰ্টেৰেছে যোৱা ১৪ মে’ত দক্ষিণ কেলিফ’ৰ্ণিয়া উপকূলৰ পৰা এই হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা চলাইছিল। আমেৰিকাই ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে হাইপাৰছ’নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ চলোৱাৰ ঘটনাই বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## ইন্ধন সংকটত জৰ্জৰিত শ্ৰীলংকাত ১৫ ঘণ্টা বিদ্যুৎ কৰ্তন, হ’ব পাৰে দুৰ্ভিক্ষ ঃ এয়াৰলাইন্স বিক্ৰীৰ সিদ্ধান্ত


**নিউজ ব্যুৰ’ কলম্বো, ১৭ মে’ ঃ** মাত্ৰ এদিনৰ বাবে পেট্ৰ’ল মজুত আছে শ্ৰীলংকাত। কালি এই কথা প্ৰকাশ কৰিছিল দেশখনৰ সদ্য নিযুক্ত প্ৰধানমন্ত্ৰী ৰণিল বিক্ৰমসিংহেয়ে। ইতিমধ্যে দেশখনত ইন্ধন সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইন্ধন সংকটৰ ফলত দেশজুৰি দিনে ১৫ ঘণ্টাকৈ বিদ্যুৎ কৰ্তনৰ সম্ভাৱনা প্ৰকট হৈছে। পেট্ৰ’লৰ অভাৱত শ্ৰীলংকাৰ পৰিবহণ ব্যৱস্থা বাধাগ্ৰস্ত হৈছে। একেটা কাৰণতে প্ৰভাৱিত হৈছে দেশখনৰ



খাদ্যসামগ্ৰী, দৰৱসহ বিভিন্ন নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ যোগান আৰু বিক্ৰী ব্যৱস্থা। কালি দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত বিক্ৰমসিংহেয়ে এইদৰে কয়, ‘এই মুহূৰ্তত মাত্ৰ এদিনৰ জোখাৰে পেট্ৰ’ল আমাৰ দেশত মজুত আছে। আগন্তুক দুমাহ আমাৰ বাবে সবাতোকৈ কঠিন সময় হ’ব। এই সময়ৰ স’তে সন্মুখীন হ’বলৈ আমি নিজক প্ৰস্তুত ৰাখিব লাগিব। বহু প্ৰত্যাহ্বান আমাৰ সন্মুখলৈ আহিব। আমি ত্যাগ স্বীকাৰ কৰি এই কঠিন সময় আমি চম্ভালি ল’ব লাগিব।’ ইতিমধ্যে আৰ্থিক দুৰৱস্থাৰ পৰিপ্ৰেক্ষিতত দেশৰ এয়াৰলাইন্স বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছে বিক্ৰমসিংহেৰ চৰকাৰে। প্ৰধানমন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি প্ৰয়োজনীয় সামগ্ৰী আন দেশৰ পৰা আমদানি কৰাৰ বাবে শ্ৰীলংকাত সম্প্ৰতি ভাৰতীয় মুদ্ৰাত প্ৰায় ৫৮০ কোটি টকাৰ প্ৰয়োজন হ’ব। ইতিমধ্যে চৰকাৰে নতুনকৈ টকা ছপা কৰিবলৈকো নিৰ্দেশ দিছে। বাধ্য হৈয়ে এই সিদ্ধান্ত লোৱা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিছে। সম্প্ৰতি শ্ৰীলংকাত যি পৰিস্থিতি অব্যাহত আছে ইয়াৰ ফলত দেশখনত দুৰ্ভিক্ষৰ আগমন ঘটিব পাৰে বুলিও বিশেষজ্ঞসকলে শংকা প্ৰকাশ কৰিছে। খাদ্য সামগ্ৰীৰ অভাৱৰ ফলত শ্ৰীলংকাৰ বহু নাগৰিকে সম্প্ৰতি অনাহাৰে জীৱন যাপন কৰিবলগীয়া হৈছে।

### প্লাষ্টিক ছাৰ্জাৰী কৰাবলৈ গৈ মৃত্যু কন্নড় অভিনেত্ৰীৰ

**নিউজ ব্যুৰ’, বাংগালুৰু, ১৭ মে’ ঃ প্লাষ্টিক ছাৰ্জাৰী কৰোৱাৰ সিদ্ধান্তই কাল হ’ল কন্নড় অভিনেত্ৰী চেতনা ৰাজৰ বাবে। মাত্ৰ ২১ বছৰ বয়সতে প্ৰাণ হেৰুৱালে অভিনেত্ৰীগৰাকীয়ে। প্ৰকাশিত বাতৰি অনুসৰি অলপতে বাংগালুৰুৰ এটা ক্লিনিকত চেতনাই শৰীৰৰ চৰ্বি হ্ৰাস কৰিবলৈ প্লাষ্টিক ছাৰ্জাৰী সম্পন্ন কৰাইছিল আৰু ইয়াৰ পাছত দেখা দিয়া স্বাস্থ্যজনিত জটিলতাত কম বয়সতে প্ৰাণ হেৰুৱালে। চেতনা অস্ত্ৰোপচাৰৰ পাছত হৃদৰোগত আক্ৰান্ত হোৱা বুলিও চিকিৎসকে দাবী কৰিছে। কিন্তু অভিনেত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে চেতনাৰ অকাল মৃত্যুৰ বাবে চিকিৎসকক দোষাৰোপ কৰিছে। কন্নড় টেলিভিছনৰ একাধিক ধাৰাবাহিকত অভিনয় কৰি চেতনাই জনপ্ৰিয়তা অৰ্জন কৰিছিল।**



## ৰাছিয়াত স্থায়ীভাৱে ব্যৱসায় বন্ধ কৰিলে মেক ড’নাল্ডছে, ৮৫০ বিপণী বিক্ৰীৰ সিদ্ধান্ত



**নিউজ ব্যুৰ’, মস্কো, ১৭ মে’ ঃ** ৩২ বছৰীয়া পুৰণি ব্যৱসায়ৰ অৱশেষত ইতি পৰিল। ৰাছিয়াৰ পৰা সম্পূৰ্ণভাৱে ব্যৱসায় প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত ল’লে মেক ড’নাল্ডছ প্ৰতিষ্ঠানে। বহুজাতিক খাদ্য প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনত যি ধৰণৰ মানৱতাৰ সংকটে দেখা দিছে, এই পৰিস্থিতিত ৰাছিয়াত তেওঁলোকৰ ব্যৱসায় বাহাল ৰখাটো সম্ভৱ নহ’ব। সেয়েহে ৰাছিয়াৰ পৰা খাদ্যৰ ব্যৱসায় সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সিদ্ধান্ত ল’লে মেক ড’নাল্ডছে। প্ৰতিষ্ঠানটোৱে লগতে প্ৰকাশ কৰা অনুসৰি ৰাছিয়াত থকা মুঠ ৮৫০ খন বিপণী তেওঁলোকে চৰ্তসাপেক্ষে বিক্ৰী কৰিব। এই চৰ্ত অনুসৰি সংস্থাৰ হৈ কৰ্মৰত ৬২ হেজাৰ কৰ্মীৰ হস্তান্তৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ক্ৰেতাই চাকৰিত বাহাল ৰাখিব লাগিব। উল্লেখ্য যে যোৱা মাৰ্চত আমেৰিকাৰ এই খাদ্য প্ৰস্তুতকাৰক সংস্থাটোৱে ইউক্ৰেইনত আক্ৰমণ চলোৱাৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াত মেক ড’নাল্ডছৰ ব্যৱসায় সাময়িকভাৱে বন্ধ ঘোষণা কৰিছিল।

## চিদাম্বৰমৰ একাধিক গৃহত চিবিআইৰ তালাচী, পুত্ৰৰ বিৰুদ্ধে নতুন গোচৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১৭ মে’ ঃ** পুনৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰমৰ বাসগৃহ আৰু কাৰ্যালয়ত তালাচী চলালে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে। আজি পুৱাতে চিদাম্বৰমৰ মুম্বাই, চেন্নাই আৰু তামিলনাডুত থকা বাসগৃহৰ লগতে কাৰ্যালয়ত ধাৰাবাহিক তালাচী চলালে চিবিআয়ে। সূত্ৰৰ খবৰ অনুসৰি, চিদাম্বৰমৰ পুত্ৰ কাৰ্তি চিদাম্বৰমৰ বিৰুদ্ধে বিত্তীয় অনিয়ম বিষয়ক নতুন গোচৰ তৰা হৈছে। এই গোচৰতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে আজি



বিশেষ তালাচী চলালে। মুম্বাই, চেন্নাই, ওড়িছা, পঞ্জাৱ আৰু কৰ্ণাটকৰ মুঠ নটা স্থানত চিবিআয়ে তালাচী চলায়। ২০১০ৰ পৰা ২০১৪ৰ ভিতৰত বিদেশত আৰ্থিক লেনদেন বিষয়ক কেলেংকাৰিৰ তদন্ত চলাইছে চিবিআয়ে। সূত্ৰৰ খবৰত উল্লেখ কৰা মতে, কেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়ত পঞ্জাৱত এক প্ৰকল্পৰ কামত কেইজনমান চীনা নাগৰিকক ধনৰ বিনিময়ত ভিছা অনুমোদনৰ ব্যৱস্থা কৰি দিছিল চিদাম্বৰমে। পূৰ্বে আইএনএক্স মিডিয়া দুৰ্নীতিৰ গোচৰতো নাম সাঙোৰ খাইছিল প্ৰাক্তন কেন্দ্ৰীয় বিত্তমন্ত্ৰীজনৰ। আনকি ২০১৯ বৰ্ষত চিদাম্বৰমক চিবিআয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু পাছত তেওঁ জামিনত মুক্তি লাভ কৰিছিল।




### স্বয়ং তৃণমূলৰ কৰ্মীয়ে প’ষ্টাৰ আঁৰি সন্ধান বিচাৰিলে সাংসদ নুছৰতৰ

**নিউজ ব্যুৰ’, বছিৰহাট, ১৭ মে’ ঃ** পশ্চিমবংগৰ বছিৰহাটৰ তৃণমূল কংগ্ৰেছৰ সাংসদ নুছৰত জাহানৰ বিৰুদ্ধে সংসদীয় সমষ্টিক আওকাণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ’ল। স্বয়ং তৃণমূল কংগ্ৰেছৰে কৰ্মীয়ে সাংসদগৰাকীৰ বিৰুদ্ধে সন্ধানহীন হোৱাৰ অভিযোগত প’ষ্টাৰ আঁৰিলে। চাঁপাতলা পঞ্চায়ত অঞ্চলৰ তৃণমূল কংগ্ৰেছৰ কৰ্মীয়ে প’ষ্টাৰ আঁৰি অভিনেত্ৰী সাংসদগৰাকীৰ সন্ধান বিচাৰিলে। উক্ত প’ষ্টাৰত এইদৰে লিখা হৈছে, ‘বছিৰহাটৰ সাংসদ নুছৰত জাহান সন্ধানহীন, সন্ধান বিচাৰিলো। প্ৰতাৰিত জনগণ। প্ৰচাৰত তৃণমূল কৰ্মীবৃন্দ।’ চাঁপাতলা পঞ্চায়তৰ মুৰব্বী হুমায়ুন ৰেজা চৌধুৰীয়ে এইদৰে প’ষ্টাৰ আঁৰাৰ সন্দৰ্ভত কয়, ‘বছিৰহাটত ২০০৯ৰ পৰা ২০১৪লৈকে সাংসদ আছিল হাজী নুৰুল ইছলাম। অঞ্চলটোৰ উন্নয়নসহ সকলো কাম-কাজত সাধাৰণ মানুহৰ পৰা তৃণমূল কৰ্মীলৈকে সকলোৱে তেওঁৰ সহযোগিতা লাভ কৰিছিল। কিন্তু বৰ্তমানৰ তৃণমূলৰ সাংসদক কোনেও লগ নাপায়। সেয়েহে অঞ্চলটোৰ ৰাইজে এনে প’ষ্টাৰ আঁৰিলে।’

### ২০৩০ বৰ্ষত ভাৰতত প্ৰৱৰ্তিত হ’ব ৬জি ইণ্টাৰনেট সেৱা

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ ভাৰতত ৬জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তনৰ সন্দৰ্ভত**




**গুৰুত্বপূৰ্ণ ঘোষণা কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰীৰ দাবী অনুসৰি চলিত দশকৰ অন্তিম ভাগত অৰ্থাৎ ২০৩০ বৰ্ষৰ ভিতৰত ভাৰতত ৬জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তন কৰা হ’ব। মোদীয়ে লগতে জনোৱা অনুসৰি ৬জি প্ৰযুক্তিৰ বিকাশৰ বাবে টাস্ক ফ’ৰ্চে বৰ্তমানে পূৰ্ণ গতিত কাম-কাজ অব্যাহত ৰাখিছে। উল্লেখ্য যে বৰ্তমানে ভাৰতত ৪জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তিত হৈ আছে আৰু চলিত বৰ্ষৰ অন্তিম ভাগৰ ভিতৰত দেশত ৫জি ইণ্টাৰনেট সেৱাৰ প্ৰৱৰ্তনৰ সম্ভাৱনা আছে। ৫জি সেৱা প্ৰৱৰ্তনৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰি ক’লে যে ২০৩০ৰ ভিতৰত দেশত ৬জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তনৰ সম্ভাৱনা আছে।**


## চলিত বৰ্ষত বিশ্বজুৰি ঘেঁহুৰ মূল্য ৬০ শতাংশ বৃদ্ধি

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ** দেশত ঘেঁহুৰ সংকটৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে ইতিমধ্যে ঘেঁহুৰ ৰপ্তানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। চলিত বৰ্ষত অত্যধিক তাপপ্ৰৱাহৰ ফলত ঘেঁহুৰ উৎপাদন হ্ৰাস পাইছে। উৎপাদন হ্ৰাসৰ ফলত আগন্তুক সময়ত ঘেঁহুৰ অভাৱ হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে ঘেঁহুৰ ৰপ্তানি সীমিত কৰাৰ সিদ্ধান্ত লৈছে। বিশ্বজুৰি শেহতীয়াভাৱে ঘেঁহুৰ মূল্য যথেষ্ট বৃদ্ধি পাইছে। ৰাছিয়া, ইউক্ৰেইনৰ যুদ্ধ আৰু ভাৰতে ঘেঁহুৰ ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত আন্তৰ্জাতিক বজাৰত ঘেঁহুৰ মূল্য পুনৰ বৃদ্ধিৰ শংকা প্ৰকট হৈছে। চলিত বৰ্ষত বৰ্তমানলৈকে বিশ্বজুৰি ঘেঁহুৰ মূল্য প্ৰায় ৬০ শতাংশ বৃদ্ধি পাইছে। ভাৰতে ঘেঁহুৰ ৰপ্তানি বন্ধ কৰাৰ বাবে লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিলে জি৭ গোষ্ঠীৰ সদস্য দেশকেইখনে। জি৭ৰ অভিযোগ অনুসৰি ভাৰতৰ এই সিদ্ধান্তৰ ফলত বিশ্বজুৰি খাদ্য সংকটে দেখা দিব পাৰে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি কিছুমান চৰ্ত সাপেক্ষে ভাৰতে ঘেঁহু নিৰ্দিষ্ট পৰিমাণত ৰপ্তানি অব্যাহত ৰাখিব।



## এইবাৰ কংগ্ৰেছ নেতা প্ৰমোদ কৃষ্ণমৰ দাবী ঃ চৰকাৰে তাজমহল-কুতুবমিনাৰ হিন্দুক অৰ্পণ কৰক

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ** বাৰাণসীৰ জ্ঞানবাপী মছজিদত শিৱলিংগৰ সন্ধান লাভৰ দাবীৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কংগ্ৰেছ নেতা প্ৰমোদ কৃষ্ণমে। কংগ্ৰেছ নেতাজনে কয় যে এতিয়া অধিক প্ৰমাণৰ প্ৰয়োজন নাই আৰু আদালতে যি নিৰ্দেশ দিব সেয়া সকলোৱে মানি ল’ব লাগিব। কৃষ্ণমে লগতে দাবী কৰি কয় যে কুতুবমিনাৰ আৰু তাজমহল ভাৰত চৰকাৰৰ অধীনত আছে, কিন্তু এই দুই স্মাৰক কোনো




ধৰ্মৰ স’তে জড়িত নহয়। সেয়েহে চৰকাৰে তাজমহল আৰু কুতুবমিনাৰ হিন্দুসকলক অৰ্পণ কৰা উচিত বুলি কংগ্ৰেছ নেতাজনে দাবী জনালে। উল্লেখ্য যে কালি কৃষ্ণমে কংগ্ৰেছ সাংসদ দীপেন্দ্ৰ হুড্ডাৰ স’তে অযোধ্যাত ৰামলল্লা আৰু হনুমানগড়ী দৰ্শন কৰিছিল। সেই সময়তে কৃষ্ণমে জ্ঞানবাপী মছজিদ প্ৰসংগত মন্তব্য কৰি সকলোকে এই বিষয়ত আদালতৰ ৰায় স্বীকাৰ কৰিবলৈ আহ্বান জনালে।

### দুহেজাৰৰ তললৈ নামিল দেশৰ দৈনিক সংক্ৰমণ, ১৯ জনৰ মৃত্যু

নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ দেশজুৰি পুনৰ হ্ৰাস পালে কৰ’নাৰ দৈনিক সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ১,৫৬৯ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। সোমবাৰে দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ২,২০২ জন। বিগত ২৪ ঘণ্টাত ক’ভিড আক্ৰান্ত হোৱা ১৯ জন লোকৰ মৃত্যু হ’ল। সোমবাৰে মৃতকৰ সংখ্যা আছিল ২৭ জন। সম্প্ৰতি দেশত ১৬,২৬০ জন সক্ৰিয় ক’ভিড ৰোগী আছে। দিল্লীত বিগত এদিনত ৩৭৭ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। আনহাতে, কেৰালাত পুনৰ ৩১১ জন লোক ক’ভিডত সংক্ৰমিত হৈছে।



## অপ্ৰয়োজনীয়, মানৱাধিকাৰ আয়োগসহ পাঁচ চৰকাৰী বিভাগ বন্ধ কৰিলে তালিবানে



**নিউজ ব্যুৰ’, কাবুল, ১৭ মে’ ঃ** আফগানিস্তানৰ তালিবান চৰকাৰে মানৱাধিকাৰ আয়োগসহ পাঁচটা মন্ত্ৰণালয় বন্ধ কৰিলে। দেশখনৰ আৰ্থিক সংকটৰ পৰিপ্ৰেক্ষিতত এই বিভাগসমূহ অপ্ৰয়োজনীয় বিবেচনা কৰি তালিবান চৰকাৰে বন্ধ কৰাৰ সিদ্ধান্ত ল’লে। উল্লেখ্য যে ক্ষমতা লাভৰ পাছত যোৱা শনিবাৰে তালিবান চৰকাৰে প্ৰথমখন ৰাষ্ট্ৰীয় বাজেট ঘোষণা কৰিছিল। বাজেটত চৰকাৰে উল্লেখ কৰা অনুসৰি চলিত বিত্তীয় বৰ্ষত আফগানিস্তান চৰকাৰৰ বাজেটত তিনি হেজাৰ ৮৯৬ কোটি টকাৰ ঘাটি হ’ব। চৰকাৰৰ ঘাটি হ্ৰাস কৰিবলৈ তালিবানে মানৱাধিকাৰসহ পাঁচটা চৰকাৰী বিভাগ বন্ধ কৰিলে।

### দিল্লী, ৰাজস্থান, হাৰিয়ানাত অব্যাহত থাকিব প্ৰচণ্ড তাপপ্ৰৱাহ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ** প্ৰচণ্ড তাপপ্ৰৱাহত চটফটাইছে দিল্লীবাসীয়ে। ইতিমধ্যে দেশৰ ৰাজধানী চহৰখনৰ পাৰাস্তম্ভই ৪৯ ডিগ্ৰী চেলছিয়াছৰ সীমা অতিক্ৰম কৰিছে। দিল্লীবাসীৰ একাংশই দাবী কৰা অনুসৰি তেওঁলোকে জীৱনত পূৰ্বে ইমান উষ্ণতা কেতিয়াও অনুভৱ কৰা নাছিল। ১৯৬৬ৰ পাছত এয়ে প্ৰথমবাৰৰ বাবে সবাতোকৈ অধিক উষ্ণতাৰ সন্মুখীন হৈছে দিল্লী। মূলত বৃষ্টিপাতৰ অভাৱতে দিল্লীত তাপপ্ৰৱাহে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি দিল্লীৰ লগতে ৰাজস্থান আৰু হাৰিয়ানাতো আগন্তুক কে’বাদিনলৈ প্ৰচণ্ড তাপপ্ৰৱাহ অব্যাহত থাকিব।

### ১৯৯৩ৰ মুম্বাই ধাৰাবাহিক বিস্ফোৰণত অভিযুক্ত চাৰি পলাতক সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ


**নিউজ ব্যুৰ’, আহমেদাবাদ, ১৭ মে’ ঃ** গুজৰাটৰ সন্ত্ৰাসবিৰোধী স্কোৱাড (এ টি এছ)-এ মুম্বাইৰ ১৯৯৩ৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাত জড়িত চাৰিজন পলাতক সন্ত্ৰাসবাদীক অৱশেষত গ্ৰেপ্তাৰ কৰিলে।



জয়পুৰত সন্ত্ৰাসবাদীৰ ঘটনাত এই চাৰি সন্ত্ৰাসবাদী জড়িত আছিল। এ টি এছে গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদীকেইজন হৈছে আবু বকৰ, ইউছুফ ভটকা, ছুয়েব বাবা আৰু ছৈয়দ কুৰেছি। এ টি এছৰ জেৰাত চাৰি সন্ত্ৰাসবাদীয়ে ১৯৯৩ৰ মুম্বাই বিস্ফোৰণত জড়িত থকাৰ কথা স্বীকাৰ কৰিছে। এ টি এছৰ আহমেদাবাদ গোটে চাৰি সন্ত্ৰাসবাদীক আহমেদাবাদ বিমানকোঠৰ সমীপৰ চৰ্দাৰ নগৰত গ্ৰেপ্তাৰ কৰে।

### তিনি মাহৰ সৰ্বনিম্ন সোণৰ মূল্য


**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৭ মে’ ঃ** ভাৰতৰ বজাৰত সোণৰ মূল্য তিনি মাহৰ সৰ্বনিম্ন হওক। সোমবাৰে এম চি এক্সৰ সোণৰ জুন ফিউচাৰ বজাৰত ০.১১ শতাংশ বৃদ্ধিৰ ফলত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৪৯,৯৩৭ টকা হৈছিল। আনহাতে, এম চি এক্সত ৰূপৰ মূল্য ০.৯১ শতাংশ বৃদ্ধিৰে প্ৰতি কিলোৰ মূল্য ৫৯,৮৬৯ টকা হৈছিল। বিগত এসপ্তাহত ভাৰতত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য পুনৰ এহেজাৰ টকা প্ৰতি কিলো ৰূপৰ মূল্য



দুহেজাৰ টকা হ্ৰাস পালে। সম্প্ৰতি দেশৰ বজাৰত ২৪ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৫০,৩৬৭ টকা, ২৩ কেৰেটৰ ১০ গ্ৰামৰ মূল্য ৫০,১৬৫ টকা আৰু ২২ কেৰেটৰ ১০ গ্ৰামৰ মূল্য ৪৬,১৩৬ টকা হৈছে।

### ইৰাকত ব্ৰিটিছ ভূতত্ত্ববিদ-জাৰ্মান পৰ্যটকক মৃত্যুদণ্ডৰ ৰায়

**নিউজ ব্যুৰ’, বাগদাদ, ১৭ মে’ ঃ** দক্ষিণ ইৰাকৰ এৰিডু চহৰত এক পুৰাতাত্ত্বিক অঞ্চলৰে পৰা ১২ টা শিল আৰু প্ৰাচীন পাত্ৰৰ ভঙা অংশ নিজৰ দেশলৈ নিয়াৰ পৰিকল্পনা গ্ৰহণ কৰিছিল অৱসৰপ্ৰাপ্ত এজন ব্ৰিটিছ ভূতত্ত্ববিদে। এই অভিযোগতে ইৰাকৰ এখন আদালতে ভূতত্ত্ববিদক মৃত্যুদণ্ডৰ ৰায় দিলে। জাৰ্মান পৰ্যটক এজনকো একেটা অভিযোগতে আদালতে মৃত্যুদণ্ডৰ ৰায় দিছে। অভিযুক্ত ৬৬ বছৰীয়া ভূতত্ত্ববিদজনৰ নাম জিম ফিটন। ফলকাৰ ৱাল্ডমেন নামৰ জাৰ্মান পৰ্যটক এজনো ফিটনৰ স’তে ইৰাকলৈ আহিছিল। যোৱা ২০ মাৰ্চত দেশলৈ ওভতাৰ সময়ত বিমানকোঠত দুয়োকে আৰক্ষীয়ে ধৰা পেলাইছিল।



অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৮ মে', বুধবাৰ ২০২২ পৃষ্ঠা ৮

# ৰাজ্যজুৰি আগতীয়া বানৰ ৰুদ্ৰমূৰ্তি

*তিনি পৃষ্ঠাৰ পৰা* শিশু ৩,৭৪৯টি। তদুপৰি ২২গৰাকী গৰ্ভৱতী তথা প্ৰসূতি মাতৃও আশ্ৰয় শিবিৰত আছে। এই তথ্য অনুসৰি ৰাজ্যৰ মুঠ ১১টা মথাউৰি বাঢ়নী পানীত ছিগিছে আৰু ছটা ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ৭৩টা পথ আৰু ছখন দলং বানৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। আনহাতে, বানৰ কৱলত এই পৰ্যন্ত আঠজন লোকৰ মৃত্যু হয়।

### গহপুৰ নগৰৰ বান পৰিস্থিতি সামান্য প্ৰশমিত ঃ এতিয়াও জলমগ্ন বিস্তীৰ্ণ অঞ্চল ঃ শতাধিকক উদ্ধাৰ

**গহপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** কালি পুৱাৰে পৰা গহপুৰ নগৰৰ সাত আৰু আঠ নম্বৰ ৱাৰ্ডত জলপ্ৰলয়ৰ সৃষ্টি কৰা ছত্ৰং নদীৰ বাঢ়নী পানীৰ তাণ্ডৱ আজি পুৱাৰ ভাগলৈকে অপৰিৱৰ্তিত হৈ থাকে যদিও বিয়লিৰ ভাগলৈ বান পৰিস্থিতি সামান্য প্ৰশমিত হোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে পাহাৰীয়া খৰস্ৰোতা ছত্ৰং নদীৰ বাঢ়নী পানীয়ে কালি পুৱা প্ৰায় ৬-৩০ বজাত নগৰ খনৰ আঠ নম্বৰ ৱাৰ্ডৰ ছত্ৰং মাজগাঁৱত মথাউৰি ভাঙি ৱাৰ্ডটোৰ বিস্তীৰ্ণ অঞ্চলত জল প্ৰলয়ৰ সৃষ্টি কৰাৰ বিপৰীতে মথাউৰিৰ পূৰ্বতে ভঙা অংশৰে বাঢ়নী পানী সোমাই নগৰখনত তাণ্ডৱৰ সৃষ্টি কৰে। ছত্ৰং নদীৰ এনে অভূতপূৰ্ব বানৰ কবলত পৰি ৱাৰ্ড দুটাৰ ৰাইজ দিশহাৰা হোৱাৰ লগতে জলবন্দী হৈ পৰাত এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। নগৰ খনৰ এনে ভয়াৱহ বান পৰিস্থিতি আজি পুৱাৰ ভাগলৈকে অপৰিৱৰ্তিত হৈ থাকে যদিও আজি বিয়লিৰ ভাগলৈ ছত্ৰং নদীৰ জলস্তৰ হ্ৰাস পায়। কালি এছডিআৰএফৰ জোৱানে প্ৰায় ৪০ জন জলবন্দীক উদ্ধাৰ কৰাৰ পাছত আজি পুৱাৰে পৰা বিয়লিলৈকে এনডিআৰএফৰ জোৱানে গহপুৰ মহকুমা প্ৰশাসনৰ সহযোগিতাত আঠ নম্বৰ ৱাৰ্ডৰ চাৰিজন ৰুগীয়া লোকসহ মুঠ ১২২ জন জলবন্দীক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনে। ৰোগীয়া লোককেইজনক লগে লগে চিকিৎসাধীন কৰা হয়। আজি উদ্ধাৰ কৰা জলবন্দীসকলৰ ভিতৰত ৪৭ জন পুৰুষ আৰু ৬৯ গৰাকী মহিলাৰ লগতে ছয়টি শিশুও আছে।

ইপিনে, অভূতপূৰ্ব বানত ঘৰ-বাৰী হেৰুওৱা বন্যাৰ্তৰ নিৰাপদ আশ্ৰয়ৰ বাবে গহপুৰৰ মহকুমা প্ৰশাসনৰ উদ্যোগত কালি গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটা আশ্ৰয় শিবিৰ স্থাপন কৰাৰ পাছত আজি নগৰখনৰ কনকলতা ভৱনত দ্বিতীয়টো আশ্ৰয় শিবিৰ স্থাপন কৰা হয়। আজি বিয়লি চাৰি বজালৈকে উক্ত আশ্ৰয় শিবিৰ দুটাৰ গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আশ্ৰয় শিবিৰত ১০টি শিশুসহ ১৯টা বন্যাৰ্ত পৰিয়ালৰ মুঠ ৮৬ জন লোকে আশ্ৰয় গ্ৰহণ কৰিছে। সেইদৰে কনকলতা ভৱনৰ আশ্ৰয় শিবিৰত এটি শিশুসহ সাতটা বন্যাৰ্ত পৰিয়ালৰ সৰ্বমুঠ ১৮ জন লোকে আশ্ৰয় লৈছে। আশ্ৰয় শিবিৰ দুটাত চিকিৎসা শিবিৰৰ স্বাস্থ্যকৰ্মী আৰু অংগনৱাড়ী কৰ্মীয়ে সেৱা আগবঢ়োৱাৰ লগতে মহকুমা প্ৰশাসনৰ তৰফৰ পৰা যথোপযুক্ত খাদ্য সামগ্ৰীৰ যোগান ধৰা বুলি জনাইছে। ইফালে, নগৰখনৰ আঠ নম্বৰ ৱাৰ্ডৰ ছত্ৰং মাজগাঁৱৰ ৰেল আলিৰ সমীপত কালি ছত্ৰং নদীৰ বাঢ়নী পানীৰ তীব্ৰ স্ৰোতধাৰাই খহাই নিয়া মথাউৰিৰ প্ৰায় ৪০ মিটাৰ ভগ্ন অংশৰ মেৰামতিৰ কাম অহা দুদিনৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়ে গহপুৰৰ মহকুমাধিপতি দীপন বৰ্মনে। উল্লেখ্য যে মথাউৰিৰ উক্ত ভগ্ন অংশৰে ছত্ৰং নদীৰ জলধাৰাই গতি সলোৱাৰ ফলতে নগৰখনৰ আঠ নম্বৰ ৱাৰ্ডৰ বিস্তীৰ্ণ অঞ্চলত কালি জল প্ৰলয়ৰ সৃষ্টি হয়। অনতিপলমে উক্ত ভগ্ন অংশ মেৰামতি নকৰিলে ছত্ৰং নদীৰ জলস্তৰ বৃদ্ধি পালেই পুনৰ কালিৰ দৰে পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

উল্লেখ্য যে ছত্ৰং নদীৰ বাঢ়নী পানীৰ তাণ্ডৱত নগৰখনৰ মুঠ পাঁচ শতাধিক পৰিয়ালৰ ঘৰ-বাৰী জলমগ্ন হৈ পৰিছে বুলি জানিবলৈ দিছে গহপুৰ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া নমিতা বৰাই। বানাক্ৰান্ত অঞ্চলত কালিৰে পৰা পশু খাদ্য আৰু আজিৰে পৰা বান সাহায্যৰূপে চাউল আৰু দাইল বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও কাৰ্যবাহী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে, ছত্ৰং নদীৰ বাঢ়নী পানীৰ তীব্ৰ স্ৰোতধাৰাই আজি পুৱাৰ ভাগত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমীপত থকা চাৰিলেনযুক্ত পথৰ নৱনিৰ্মিত পকী দলঙৰ দুয়োপাৰত খহনীয়াৰ সৃষ্টি কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰে। ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত বিচ্ছিন্ন হৈ পৰাৰ আশংকা ঘনীভূত হৈ পৰে। এনে অৱস্থাত গহপুৰৰ মহকুমাধিপতি আৰু স্থানীয় বিধায়ক উৎপল বৰাই উক্ত স্থানত উপস্থিত থাকি তৎপৰতাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষতিগ্ৰস্ত অংশৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰাত তদাৰক কৰে। উক্ত মেৰামতিৰ কামৰ বাবে আজি পুৱাৰ ভাগত কিছু সময়ৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত ব্যাহত হৈ পৰে। সেইদৰে গহপুৰ নগৰৰ মাজ মজিয়াত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ছত্ৰং নদীৰ ওপৰত থকা পুৰণি পকী দলংখনো আজি বিয়লিৰে পৰা ভাঙি পেলোৱাৰ কাম অব্যাহত আছে। স্মৰ্তব্য যে ছত্ৰং নদীৰ জলধাৰা প্ৰবাহিত হোৱাত বাধাৰ সৃষ্টি কৰা উক্ত পুৰণি পকী দলংখন ভাঙি পেলোৱাৰ দাবীত কালি একাংশ বানাক্ৰান্তই ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

### 'পূবৰ ছুইজাৰলেণ্ড' হাফলঙত বিধ্বস্ত জনজীৱন ঃ শেষ সম্বল লৈ নিৰাপদ স্থানলৈ গাঁওবাসী ঃ ৰেল কেতিয়া চলিব নিশ্চয়তা নাই ঃ ৰেল পথত হেলিকপ্টাৰ নমাই উদ্ধাৰ ৩৫ কৰ্মচাৰীক

**বকলীয়াঘাটৰ বিশেষ সংবাদদাতা /ডংকামোকামৰ অগ্ৰদূত বাৰ্তা ঃ** নেৰানেপেৰা বৰষুণ-প্ৰলয়ংকাৰী বান আৰু ভয়ংকৰ ভূমিস্খলনত 'পূবৰ ছুইজাৰলেণ্ড' খ্যাত হাফলঙৰ জনজীৱন বিধ্বস্ত হৈ পৰিছে। তাৰ সমান্তৰালকৈ আৰম্ভ হৈছে জল প্ৰলয়। ভয়ংকৰ বান-ভয়ংকৰ ভূমি স্খলনত পণবন্দী ডিমা হাছাওৰ বাসিন্দা। চৌদিশে হাহাকাৰ পৰিৱেশ। শনিবাৰৰ ভয়াৱহ ঘটনাৰ পাছত ডিমা হাছাওৰ হাফলঙৰ ভিন্ন প্ৰান্তত অব্যাহত আছে প্ৰকৃতিৰ ৰুদ্ৰ ৰূপ। ফলত ক্ষতিগ্ৰস্ত হৈছে ২৮খন গাঁও। তছনছ হোৱা ঘৰ-বাৰী এৰি হাতত শেষ সম্বল লৈ এতিয়া নিৰাপদ স্থানলৈ ঢাপলি মেলিব লগাত পৰিছে ক্ষতি হোৱা গাঁওসমূহৰ বাসিন্দাসকলে। ইপিনে, আজিও ডিমা হাছাওৰ বিধ্বস্ত পাঁচটা ৰাজ্যিক পথ আৰু একমাত্ৰ ৰাষ্ট্ৰীয় পথ বন্ধ থকাৰ লগতে বন্ধ আছে ৰেল পথো। ফলত বহিঃজগতৰ স'তে এতিয়াও যোগাযোগ বিচ্ছিন্ন হৈয়ে আছে হাফলঙৰ। নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভয়াৱহ ভূমিস্খলনৰ সময়ত পাহাৰৰ পৰা প্ৰবল গতিত নামি অহা পানী-শিল আৰু মাটিয়ে পুতি পেলাইছে কে'বাখনো গাঁও। গাঁৱলীয়া পথ, ৰাজ্যিক পথ, ৰাষ্ট্ৰীয় পথ সকলোতে বিধ্বস্ত ৰূপ। খাদ্য সামগ্ৰীৰ তীব্ৰ নাটনিৰ কবলত পৰা ডিমা হাছাওৰ তেল ডিপ'সমূহতো নাই পৰ্যাপ্ত ইন্ধন। এনে হাহাকাৰ পৰিস্থিতিৰ সময়ত জিলা প্ৰশাসন আগবাঢ়ি আহিছে ক্ষতিগ্ৰস্ত লোকক সকাহ দিবলৈ। ইপিনে, ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদে পৰিষদৰ সাহায্য পুঁজিৰ বেংক একাউণ্টলৈ আৰ্থিক সাহায্য বিচাৰিছে সহৃদয় লোক আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা। এক অসমৰ্থিত সূত্ৰই জনোৱা মতে, ডিমা হাছাওৰ মাইবাঙৰ সমীপৰ সম্বোধন নামৰ গাঁওখনৰ মাজৰ পথটো এতিয়া নৈত পৰিণত হোৱাৰ লগতে বিধ্বস্ত হৈছে গাঁওবাসীৰ ঘৰ-বাৰী। ইপিনে, আনহাতে, ডিমা হাছাওত আবদ্ধ হৈ থকা ৩৫ জন ৰেল কৰ্মচাৰীক আজি সেনা বাহিনীয়ে ৰেলপথত হেলিকপ্টাৰ নমাই উদ্ধাৰ কৰি গন্তব্য স্থানলৈ লৈ যায়। আনহাতে, প্ৰতিকূল বতৰৰ বাবে হেলিকপ্টাৰেৰে সাহায্য সামগ্ৰী বিতৰণ কৰিব নোৱাৰা প্ৰশাসনৰ সূত্ৰই জনাইছে। ইফালে, ৰেল ষ্টেছন আৰু ৰেলপথ বিধ্বস্ত হোৱাত ডিমা হাছাওত ৰেল কেতিয়া চলিব, তাৰ কোনো সঠিক উত্তৰ নাই ৰেল বিভাগৰ হাতত। কাৰণ ক্ষতিৰ পৰিমাণ বহুত আৰু ক্ষতিও হৈছে ভিন্ন স্থানত। অসম চৰকাৰৰ দুৰ্যোগ প্ৰশমন মন্ত্ৰী তথা পাৰ্বত্য জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহনে কালিয়ে হাফলং অভিমুখে আহিছিল যদিও ক্ষতিগ্ৰস্ত পথৰ বাবে হাফলঙত উপস্থিত হ'ব নোৱাৰিলে। আজি মন্ত্ৰী মহনে পাহাৰীয়া জিলাখনৰ ক্ষয়ক্ষতিৰ লগতে বিহিত ব্যৱস্থাৰ বাবে প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়। ডিমা হাছাওৰ হাফলঙলৈ যোৱা মাইবাঙৰ বন্ধ সুৰংগ পথ মুকলিৰ বাবে ইতিমধ্যে তিনিখন বুলড'জাৰেৰে কাম অব্যাহত আছে। মাইবাঙৰ সুৰংগ পথ বন্ধৰ ভয়াৱহতাৰ কথা উল্লেখ কৰি এজন স্থানীয় লোকে কয়, 'পৰহি পুৱা পাঁচ বজাত সকলো ঠিক আছিল। প্ৰায় চাৰে ছয় বজাত পাহাৰৰ পৰা শিল-বালি-মাটি-পানী-গছ নামি আহে। অতি ভয়াৱহ পৰিস্থিতি। প্ৰথমে ভবা নাছিলো ইমান ভয়াৱহ হ'ব বুলি। সেয়ে কামত লাগি যাওঁ পথ মুকলিৰ বাবে। লগে লগে দেখিলো পাহাৰ খহি ৰালত পৰিছে। ৰাল ভাঙিবলৈ লৈছে। আমাৰ সাতজন মানুহ আছিল। জেচিবি ফঁচি গ'ল। অপাৰেটৰ আছিল। আমি প্ৰাণ লৈ পলাব লগা হ'ল। অতি ভয়ানক।' ইপিনে, বোকাজানৰ বিধায়ক তথা অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে আজি ডিমা হাছাওত উপস্থিত হৈ ক্ষতিগ্ৰস্ত আৰু ৰেল ষ্টেছনত আবদ্ধ হৈ থকা একাংশ লোকক সাক্ষাৎ কৰি ক্ষয়-ক্ষতি আৰু পৰিস্থিতিৰ বুজ লয়।

ইপিনে, ধাৰাবাহিকভাৱে গতি বৃদ্ধি পাইছে কপিলী নদীৰ জলপৃষ্ঠৰ। পশ্চিম কাৰ্বি আংলং জিলাৰ কপিলীৰ দাঁতিকাষৰীয়া গাঁওসমূহত বানে বুৰাই পেলোৱাৰ পাছত আজি পুৱাৰে পৰা পুনৰ পূৰ্বতকৈ কপিলীৰ জলপৃষ্ঠৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ লগে লগে ন ন গাঁওসমূহতো এক প্ৰকাৰৰ বানে সংহাৰী ৰূপ সৃষ্টি কৰিছে। বানৰ সংহাৰৰ মাজতে খেৰণি বন সংমণ্ডৰ অধীনস্থ মেনমেজি মখিম ইংহি গাঁৱত আজি পুৱতি নিশা ১-৩০ বজাত অহা এজাক বনৰীয়া হাতীয়ে বহু ঘৰ-বাৰী ভাঙি বিনষ্ট কৰাৰ লগতে ভঁৰালৰ ধান, কুঁহিয়াৰ আদি খাই তাণ্ডৱ চলায়। ইপিনে, বানৰ মাজত বহু বন্যহস্তী আবদ্ধ হৈ থকাৰো খবৰ পোৱা গৈছে। দিন দিন ধৰি পানীৰ মাজত আৱদ্ধ হৈ থকা কিছু বনৰীয়া হাতীয়ে খাদ্যৰ সন্ধানত গাঁৱত প্ৰৱেশ কৰি তাণ্ডৱ চলাই পুৱাই প্ৰস্থানৰ পথ নোপোৱাত গাঁৱৰ কাষৰ বাৰীত জাকটো আবদ্ধ হৈ থাকে। পূৰ্বৰ তুলনাত ক্ৰমাৎ বাঢ়নী পানীৰ বৃদ্ধি পোৱাত খেৰণিৰ দাঁতি কাষৰীয়া গাঁও দাসবস্তি, নেপালী বস্তিকে আদি কৰি সৰু-বৰ ন ন গাঁও প্লাৱিত হোৱাৰ লগতে টুম্প্ৰেং, তৰাডুবি, হাতীমৰা, তৰাডুবি, লাংফাকি, বগৰিঘাট, চিলডুবি আদি কপিলী নৈৰ দাঁতিকাষৰীয়া বৃহৎৰ অঞ্চলসমূহো বানে বুৰাই পেলাইছে। ইয়াৰউপৰি বিথুং ৰেংথামাৰ গাৰো গাঁৱৰ প্ৰায় **১৬**খনৰো অধিক গাঁৱৰ লগতে নতুন ঘিলানী, সাত গাঁও, গাৰো গাঁও, ভেলাপাৰাৰ কাৰৈমাৰী, হানলক্ৰক, ৰংজামিৰ, ৰংকুৰই আদি পাঁচ নম্বৰ ৰংখাং পৰিষদীয় সমষ্টিৰ শতাধিক গাঁৱতো বানৰ কবলত বুৰ গৈ ওখ ঠাইসমূহত পশুধন-গঞাই সহবাস কৰিব লগা হৈছে।

### মঙলদৈত নিশাৰ ভিতৰতে ছিগিল শাকতোলা নৈৰ মথাউৰি ঃ ছিগিল মঙলদৈ-মাজিকুছি পথ মথাউৰি দুই প্ৰকাৰত ছিগে ঃ মন্ত্ৰী পীযুষ হাজৰিকা

**মঙলদৈ/দেওমৰনৈৰ অগ্ৰদূত বাৰ্তা ঃ** ৰাজ্যৰ প্ৰথমটো প্ৰলয়ংকৰী বানৰ পৰা সাৰি নগ'ল মঙলদৈও। মঙলদৈ বিধানসভা সমষ্টিৰ মাজেৰে বোৱা সকলোবোৰ নৈ-উপনৈ যোৱা কিছুদিনৰ বৰষুণত উফন্দি উঠি বহু অঞ্চল প্লাৱিত কৰি তুলিছে। চৰ-চাপৰিৰ উপৰি বাম অঞ্চলতো বহুতৰ ঘৰ-বাৰী পানীত বুৰ গৈছে। এনে অৱস্থাতে যোৱা নিশা হঠাতে খৰস্ৰোতা শাকতোলা নৈৰ পূব দিশৰ মথাউৰিটো বৰআঠিয়াবাৰীত প্ৰায় ১৫ মিটাৰ ছিগি নিয়াত বহু গাঁৱলৈ ভয়াৱহ দুৰ্যোগ নামি আহিছে। হুৰহুৰাই সোমোৱা পানীয়ে নিশাটোৰ ভিতৰতে কে'বাখনো গাঁৱৰ ঘৰ-বাৰী, পুখুৰী আদি বুৰাই পেলায়। আজি এই খবৰ পোৱা মাত্ৰকে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই মথাউৰিৰ ছিগা অংশটো পৰিদৰ্শন কৰে। পৰিদৰ্শনস্থলীত তেওঁ সাংবাদিকক কয়, 'মথাউৰি দুই প্ৰকাৰে ভাঙে। এটা বইলিং হ'লে ভাগে আৰু আনটো লাহে লাহে ভাগে। লাহে লাহে ভাগিলে বচাব পাৰি। যোৱাবাৰ ১৫টা মথাউৰি বচাইছিলো। বইলিং হ'লে হঠাতে ভাগে আৰু এইটো সেয়ে হঠাতে ভাগিল। এনে হ'লে আমাৰ উপায় নাই। কালি আমি ভাগিব বুলি জনা নাছিলো।' পানী কমিলে সাময়িকভাৱে পুতি দিয়া হ'ব আৰু নৰেস্বৰত ভালকৈ মেৰামতি কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। তদুপৰি বানাক্ৰান্তই সাহায্য পোৱাত অকণো অসুবিধা নহ'ব বুলিও মন্ত্ৰীজনে প্ৰতিশ্ৰুতি দিয়ে। পৰিদৰ্শন কালত তেওঁক সংগ দিয়ে স্থানীয় বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, উপায়ুক্ত প্ৰণৱ শৰ্মাই। ইয়াৰ পাছতে মন্ত্ৰী হাজৰিকাই চেৰেঙত হোৱা ব্যাপক গৰাখহনীয়া পৰিদৰ্শন কৰে। আনহাতে, স্থানীয় বিধায়ক দাসে জনাৰামচৌকা, হলৌচৌকা আদিত ঘাইপথৰ ওপৰেদি শাকতোলাৰ পানী বাগৰি পথৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা পৰিৱেশৰ লগতে ঔতলাৰ বিস্তৰ ক্ষতিসাধন হোৱা বেচিমাৰী গাঁও আৰু ৰামহৰি আদি গাঁৱো পৰিদৰ্শন কৰি প্ৰশাসনক যাৱতীয় আৰু তাৎক্ষণিক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। বিয়লি পুব মঙলদৈৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰে বিধায়ক দাসে। সন্ধিয়া পৰ্যন্ত নোৱানৈ, শাকতোলা, কুলশীৰ পাৰ বাগৰা পানীয়ে ন-ন অঞ্চলৰ ক্ষতিসাধন কৰিছে। তদুপৰি মঙলদৈ-ভুটীয়াচাং পথৰ চি এম দত্ত বান্ধৰচ'কত, মঙলদৈ-পাথৰিঘাট পথৰ জনাৰামচৌকাত, ৰঙামাটি-কলাইগাঁও পথৰ হলৌচৌকাত পথকেইটা দুছেও হোৱাৰ আশংকা বৃদ্ধি পাইছে। ইফালে, দেওমৰনৈ অঞ্চলতো খেতিপথাৰ পানীৰে উপচি পৰাৰ লগতে পুখুৰীৰ পোহনীয়া মাছ বানত উটি যায়।

### তেজপুৰত ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে বাগৰিল পানী ঃ বালিপৰাতো হাহাকাৰ

**তেজপুৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** তেজপুৰৰ বিভিন্ন অঞ্চলো পৰিছে বানৰ কবলত। ইতিমধ্যে ঘগৰা আৰু ডিপোতা নৈৰ বাঢ়নী পানীয়ে বাঁহবাৰী মৌজাৰ বহু অঞ্চল প্লাৱিত কৰিছে। যোৱা নিশাৰে পৰা তেজপুৰৰ বিহগুৰি অঞ্চলত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে পানী বাগৰিবলৈ আৰম্ভ কৰে। ইতিমধ্যে গাভৰুকে ধৰি বিভিন্ন নৈ-উপনৈ সমূহৰ জলস্তৰ বৃদ্ধি পোৱাত বৰছলা সমষ্টি অন্তৰ্গত আন বহু অঞ্চলৰ প্ৰতি ভাবুকি আহিছে। উল্লেখ্য যে ইতিমধ্যে বিহগুৰিত একাধিক বিদ্যালয় জলমগ্ন হৈ পৰিছে। অঞ্চলটোৰ ব্ৰহ্মপুত্ৰ পাব্লিক স্কুল, শ্ৰীমন্ত শংকৰদেৱ জাতীয় বিদ্যালয় আদি শিক্ষানুষ্ঠান সম্প্ৰতি পানীৰ তলত। এই বানৰ বাবে ইতিমধ্যে ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে থকা ওখ গছবোৰৰ একাংশ উভালি পৰিছে। অৱশ্যে এনে গছ পথাৰৰ দিশে পৰাত পথছোৱা বন্ধ হৈ পৰা নাই আৰু পানী বাগৰি থকা পথৰ দুয়োপাৰে সুৰক্ষাৰ বাবে সম্প্ৰতি ৰঙা নিচান স্থাপন কৰা হৈছে। ইপিনে, বাঁহবাৰী মৌজাৰ সহস্ৰাধিক লোকে দুটাকৈ নিশা ভোকে-পিয়াহে স্থানীয় স্কুলত আশ্ৰয় লৈ থাকিবলগীয়া হৈছে। শোণিতপুৰ প্ৰশাসন, বৰছলাৰ বিধায়ক গণেশ লিম্বুৱে এইসকল লোকৰ এবাৰো খবৰ ল'বলৈ আহৰি নোপোৱাত তেওঁলোকে বিদ্যালয়তে ইটাৰ চৌকা পাতি চকুলো টুকি অপেক্ষা কৰিছে যদিও এমুঠি চাউল, এটুপি খোৱাপানীৰ বাবে হাহাকাৰ অৱস্থাৰ সন্মুখীন হৈছে। বাঁহবাৰী মৌজাৰ ডেকা চুবুৰীৰ সহস্ৰাধিক বানাক্ৰান্তৰ লগতে কণ কণ শিশুসহ সহস্ৰাধিক আদিবাসী পৰিয়ালে দুদিন ধৰি লঘোণে-ভোকে থাকি সাহায্যৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছে। ইপিনে, তেজপুৰৰ গৰৈমাৰী অঞ্চলতো ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে পানী বাগৰাৰ সমান্তৰালকৈ বায়ুসেনাৰ চৌহদো প্লাৱিত হৈছে। সম্প্ৰতি শোণিতপুৰত জীয়াভৰলী নৈ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে জলস্তৰ অধিক বৃদ্ধি পাইছে। আনহাতে, শোণিতপুৰৰ বালিপৰাত মানশিৰি বানে উটুৱাই নিলে ভকতগাঁও-বুঢ়াগাঁও-লোক্ৰা বজাৰ সংযোগী বাঁহৰ দলংখন। ফলত এই অঞ্চল যোগাযোগ বিচ্ছিন্ন হৈ পৰাত জলবন্দী হৈ আছে স্থানীয় বহু লোক। তদুপৰি মানশিৰি নৈৰ সংহাৰী বানত ডুব গৈছে দীঘলী, দীঘলী মানশিৰি, সোতৰ মাইলৰ বিস্তৃৰ্ণ অঞ্চল। ঘৰ-দুৱাৰ, খেতিপথাৰ বানত বুৰ যোৱাত উপায়হীন হৈ পৰিছে সৰ্বসাধাৰণ। বানাক্ৰান্তৰ মাজত খাদ্য আৰু খোৱাপানীৰ বাবে হাহাকাৰ পৰিস্থিতিয়ে বিৰাজ কৰিছে। উল্লেখ্য যে স্থানবিশেষে কলৰ ভুৰ আৰু থাৰ্মকলৰ ভুৰেৰে বানাক্ৰান্তই চলাইছে জীৱন ৰক্ষাৰ চেষ্টা। আনহাতে, দীঘলী মানশিৰিত থকা মথাউৰিটো যিকোনো মুহূৰ্ততে মানশিৰি নৈয়ে খহাই নিয়াৰ আশংকাত স্থানীয় ৰাইজ শংকিত হৈছে। এতিয়াও বৰষুণ অব্যাহত থকাত ক্ৰমান্বয়ে বাঢ়িয়েই আছে জৰাসৰ আৰু মানশিৰিৰ জলপৃষ্ঠ। ইপিনে, শোণিতপুৰত বানৰ সময়ত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত প্ৰশাসনৰ আগতীয়া কোনো পৰিকল্পনা নথকাৰ বাবেই এনে দৰে বানাক্ৰান্তই জীয়াতু ভুগীবলগীয়া হোৱা বুলি ক্ষোভিত ৰাইজে অভিযোগ কৰাৰ লগতে জিলাখনলৈ চৰকাৰীভাৱে আবণ্টিত পশুখাদ্যকে ধৰি বিভিন্ন সামগ্ৰী প্ৰকৃততে ক'লৈ গ'ল বুলি প্ৰশ্ন কৰি বানাক্ৰান্তই শোণিতপুৰ সম্প্ৰতি একাংশ অদক্ষ প্ৰশাসনীয় বিষয়াৰ বাহ হোৱা বুলি ক্ষোভ উজাৰে।

### পশ্চিম নলবাৰীত বানত বুৰিল বহু গাঁও ঃ চামতা-কৈঠালকুছি গড়কাপ্তানী পথৰ যাতায়াত ব্যাহত

**চামতাৰ অগ্ৰদূত বাৰ্তা ঃ** পশ্চিম নলবাৰীত বুঢ়াদিয়া, মৰাপাগলাদিয়া আৰু কানাইখুণ্ডাৰ বানৰ তাণ্ডৱ অব্যাহত আছে। বুঢ়াদিয়াৰ বানে লখোপুৰ অঞ্চলৰ গান্ধীবস্তিত মথাউৰি ছিঙাৰ উপৰি চামতা-কৈঠালকুছি গড়কাপ্তানী পথৰ নদলা বজাৰৰ কালভাৰ্টটো কিছু অংশ খহাই নিয়াত পথটোলৈ ভাবুকি আহি পৰিছে। বুঢ়াদিয়াৰ বানে কুলবিল হীৰাপাৰাৰ প্ৰায় ৭০টা পৰিয়ালৰ ঘৰ-দুৱাৰ বুৰাই পেলোৱাত পৰিয়াল কেইটাৰ অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। বুঢ়াদিয়াৰ বানে কুলবিলঘাট ৰাজহুৱা শিৱালয়, সাপুৰ ৰাজঘাটৰ দুৰ্গা মন্দিৰ প্ৰাংগণ, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ চৌহদ বুৰাই পেলোৱাৰ লগতে কুলবিল হীৰাপাৰাৰ ২২৪ নম্বৰ হীৰাপাৰা অংগনৱাড়ী কেন্দ্ৰ আৰু খাটাৰূপীয়াবাথান সাহপুৰ অংগনৱাড়ী কেন্দ্ৰৰ লগতে ধৰ্মপুৰ জ্ঞানদায়িনী হাইস্কুলখনো পানীয়ে বুৰাই পেলোৱাত বিস্তৰ ক্ষতিসাধন হয়। সেইদৰে বুঢ়াদিয়াৰ বানে চামতা-কৈঠালকুছি পথৰ চামতা মটৰ ষ্টেণ্ডৰ উত্তৰ দিশৰ পৰা ৰূপকোঁৱৰ কলা পৰিষদ, ভোমৰাতল অংশ একাঠুঁলৈ বানত বুৰ যোৱাৰ উপৰি সাহপুৰ দুৰ্গা মন্দিৰৰ পৰা জ্ঞানদায়িনী হাইস্কুললৈ পথছোৱা বানে বুৰাই পেলাইছে। বানে সাহপুৰ-হাৰিভাঙা পথটোৰ একাংশ বুৰাই পেলোৱাত যাতায়াত বিঘ্নিত হৈ পৰিছে। আনহাতে, মৰা পাগলাদিয়া আৰু বুঢ়াদিয়াৰ বানে লখোপুৰ অঞ্চলৰ উত্তৰ দিশৰ গান্ধীবস্তি অঞ্চলৰ মথাউৰি ছিঙাত কেন্দুবাৰী, ঘোপা, গান্ধীবস্তি, ভোজকুছিকে ধৰি সাতখন গাঁও জলমগ্ন কৰাত বৃহত্তৰ অঞ্চলৰ প্ৰায় ১৫শ পৰিয়াল অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। আজি দুপৰীয়া নলবাৰীৰ উপায়ুক্ত গীতিমণি ফুকনে লখোপুৰৰ গান্ধীবস্তিত বুঢ়াদিয়াৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰে আৰু বান পৰিস্থিতিৰ বুজ লয়। ইফালে, বানে চামতা-কৈঠালকুছি পথৰ নদলা বজাৰৰ কালভাৰ্টৰ এটা অংশ খহাই পথটোলৈ ভাবুকিৰ সৃষ্টি কৰাত স্থানীয় লোক তথা পথচাৰীসকল শংকিত হৈ পৰাৰ সময়তে আজি গড়কাপ্তানী পথ বিভাগে কেইটামান বাঁহৰ খুঁটা মাৰি দুটাকৈ কামি বান্ধি পথৰ খহনীয়া ৰোধৰ চেষ্টা চলোৱা কাৰ্যই সচেতন ৰাইজৰ চকু কপালত তোলে।

### হোজাই-নগাঁও জিলাৰ শতাধিক গাঁও পানীৰ তলত ঃ মন্ত্ৰী শুক্লবৈদ্যৰ জৰুৰী বৈঠক

**যমুনামুখ/লংকা/কছুৱা/কামপুৰৰ অগ্ৰদূতবাৰ্তা ঃ** হোজাই আৰু নগাঁও জিলাত কপিলীৰ বানৰ সংহাৰ অব্যাহত আছে। জিলা দুখনৰ বিভিন্ন প্ৰান্তত বিগত দুদিনৰে পৰা বানে লৈছে সংহাৰী ৰূপ। হোজাই জিলাৰ যমুনামুখৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। চৰকাৰী তথ্য মতে, এবুকু পানীৰ তলত আবদ্ধ হৈ পৰিছে ডবকা ৰাজহ চক্ৰৰ ১৬ খন গাঁৱৰ বাসিন্দা। দুয়োখন জিলাৰ শতাধিক গাঁও ডুব যোৱা বুলি প্ৰশাসনৰ সূত্ৰই জনাইছে। ডবকা ৰাজহ চক্ৰ আৰু কাষৰীয়া বানাক্ৰান্ত গাঁওকেইখন হ'ল বিন্নাকান্দি, চাৰ্লক, বালিৰাম, ভেদৌআটি, চাংমাজি মিকিৰগাঁও, এৰা কপিলী, কাঠকঠীয়া, ভকতগাঁও, বকুলগুৰী, ডেকেৰুৱা, নগাএঞাপাম ৪৮ নম্বৰ ব্লক, পটীয়াপাম, যমুনামুখ টাউন, ভেদৌআটী, কান্দুলীমাৰি আৰু কমাৰগাঁও, ভেৰভেৰী, ডবকা চহৰৰ সমীপৰ নাম ডবকা (ৰাজবাৰী)। বেচৰকাৰী তথ্য মতে অঞ্চলটোৰ ৩০খনৰো অধিক গাঁও প্লাৱিত হৈছে। নেৰানেপেৰা বৰষুণ আৰু কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত কপিলী নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰে উক্ত অঞ্চলসমূহ। ডবকা-যমুনামুখ সংযোগী পথ আৰু যমুনামুখ-সৰুপথাৰ সংযোগী পথ পানীত ডুব যোৱাত সম্প্ৰতি যমুনামুখৰ লগত সংযোগ বিচ্ছিন্ন হৈ পৰিছে। উক্ত অঞ্চলটোৰ কে'বা হেজাৰ পৰিয়াল আক্ৰান্ত বানৰ পানীত। পানীত বুৰ গৈছে শ শ বিঘা বৰো ধানৰ খেতি। পশু খাদ্যৰ বাবেও হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। কুঁহিহাৰ, ধানখেতি নষ্ট হোৱাৰ উপৰি পুখুৰীৰ পৰা মাছ উলাই যোৱাত মীন পালকসকলৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ডবকা ৰাজহ চক্ৰ বিষয়া অংকিতা বৰাই জনোৱা মতে, হোজাই জিলা প্ৰশাসনে ১৬টাকৈ সাহায্য শিবিৰৰ ব্যৱস্থা কৰিছে যমুনামুখত। ইফালে, হোজাইৰ ন ন অঞ্চললৈ বাগৰিছে পানী, ৯৭ খন বিদ্যালয় পানীত ডুব গৈছে। ৭৮ হেজাৰ লোক আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। ৪০টা আশ্ৰয় শিবিৰত ২০ হেজাৰ লোক থকাৰ ব্যৱস্থা কৰিছে প্ৰশাসনে। ইয়াৰ মাজতে হোজাইৰ মাজেৰে বৈ যোৱা কপিলীৰ জলপৃষ্ঠ সন্ধিয়া পৰ্যন্ত বৃদ্ধি হৈ থকাত ন ন অঞ্চল প্লাৱিত হৈছে। হোজাইৰ উত্তৰ লস্কৰ পথাৰ, দক্ষিণ লস্কৰ পথাৰ, মাণ্ডুলি,কাৰিখানা ঠাইছুবালি, ৰাইকটা, ইছলামপুৰ, কছাৰীগাঁও, চন্দনপুৰ, দক্ষিণ কোমোৰাকাটা, উত্তৰ কোমোৰাকাটা, ঠেপ্লাগুৰি, নভঙা, হাতীমৰা, জাতিওৱা, দক্ষিণ কেন্দুগুৰি, কেন্দুগুৰি, বাৰ ফুটি, নমাটি, মইনাপথৰ, ৰাজবৰী, ৰাধানগৰ, যোগীজান আদি অঞ্চল পানীৰ তলত। ডবকা আদিৰ ৭৮ হেজাৰ লোক আক্ৰান্ত হয়। লংকাত মুঠ তিনিটা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। ইয়াৰে হোজাই ৰাজহ চক্ৰত ৩১টা আৰু লংকাত দুটা আশ্ৰয় শিবিৰ স্থাপন কৰি প্ৰয়োজনীয় খাদ্য সামগ্ৰী বিতৰণ কৰা হৈছে বুলি হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে প্ৰকাশ কৰিছে। ইপিনে, বছৰৰ প্ৰথমটো বানত কপিলীৰ লগতে ইয়াৰ উপনৈৰ জলস্তৰ বৃদ্ধি পাই বহু অঞ্চল প্লাৱিত কৰাৰ লগতে কে'বাটাও মথাউৰিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ উপৰি বহুকেইটা পথৰ বিস্তৰ ক্ষতি কৰাত যোগাযোগ ব্যৱস্থা বন্ধ হৈ পৰে। ইতিমধ্যে কপিলী জল বিদ্যুৎ প্ৰকল্পৰ গেট বন্ধ কৰা বুলি সূত্ৰই জনাইছে যদিও পাহাৰীয়া জিলাখনত একেৰাহে হৈ থকা বৰষুণৰ বাবে যিকোনো মুহূৰ্তত পুনৰ গেট খুলি দিয়াৰ আশংকা ঘনীভূত হৈ পৰিছে। ইপিনে, আজি জিলাখনত উপস্থিত হৈ বান পৰিস্থিতিৰ খবৰ লয় হোজাইৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্যই। মন্ত্ৰীজনে আজি জিলা সদৰ শংকৰদেৱনগৰত উপস্থিত হৈ উপায়ুক্ত, আৰক্ষী অধীক্ষক, সেনা বাহিনীৰ বিষয়াৰ লগত আলোচনাত মিলিত হয়। লগতে তেওঁ জিলাখনৰ হোজাই আৰু যমুনামুখ সমষ্টিৰ বান পীড়িত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে কপিলী আৰু ইয়াৰ উপনৈসমূহৰ বানে নগাঁও জিলাৰ কছুৱা, কামপুৰ, কঠিয়াতলি আদিতো ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই অঞ্চলসমূহৰো অৰ্ধশতাধিক গাঁও সম্প্ৰতি পানীৰ তলত থকা স্থানীয় লোকৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

## নগাঁৱত সৰ্প দংশনত যুৱকৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ মে' ঃ** সৰ্প দংশনত নগাঁৱত এজন যুৱকৰ মৃত্যু ঘটিছে। মৃত যুৱকজনৰ নাম প্ৰদীপ বণিয়া। দুৰ্ভগীয়া যুৱকজনৰ ঘৰ নগাঁৱৰ ৰণথলী আদৰ্শ গাঁৱত। কালি বিয়লি পথাৰৰ পৰা ম'হ আনিবলৈ যাওঁতে সাপে দংশন কৰে বণিয়াক। প্ৰথম অৱস্থাত পৰিয়ালৰ লোকে বণিয়াক বেজৰ কাষলৈ নিছিল যদিও সুস্থ নোহোৱাত পাছত সাপে খোঁটা যুৱকজনক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। অৱশ্যে চিকিৎসালয়ত উপস্থিত হোৱাৰ পাছতে চিকিৎসকে বণিয়াক মৃত বুলি ঘোষণা কৰে। ইপিনে, পৰিয়ালৰ লোকে বণিয়াৰ চিকিৎসকৰ ভুল চিকিৎসাৰ বলি হৈ মৃত্যু হোৱা বুলি চিকিৎসকৰ বিৰুদ্ধে এক অভিযোগ উত্থাপন কৰিছে। অৱশ্যে এই অভিযোগ খণ্ডন কৰিছে চিকিৎসালয় কৰ্তৃপক্ষই।

# ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত অৱতীৰ্ণ হ'ব অবড়ো সুৰক্ষা সমিতিৰ প্ৰাৰ্থী

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী/জালাহ, ১৭ মে' ঃ** বিটিআৰৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একেদৰে যোৱা নিৰ্বাচনত গণ সুৰক্ষা পাৰ্টি অৰ্থাৎ জিএছপিৰ প্ৰাৰ্থী মৃদুল দাসে দ্বিতীয় স্থান লাভ কৰি পৰাজয় বৰণ কৰে। সেয়েহে এইবাৰ অবড়ো সুৰক্ষা সমিতি আৰু জিএছপিৰ ঐক্যতাত প্ৰাৰ্থী প্ৰদান কৰি ককলাবাৰী পৰিষদীয় সমষ্টিত অবড়ো সুৰক্ষা সমিতিয়ে জয়ী হৈ আহিব বুলি অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় মুখপাত্ৰ সোণাৰাম দাসে সংবাদ মাধ্যমক জানিব দিয়ে। জালাহ লক্ষ্মী মন্দিৰ প্ৰাংগণত আজি অবড়ো সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈ যোৱাৰ পাছত মুখপাত্ৰ সোণাৰাম দাসে কয়, 'ককলাবাৰী পৰিষদীয় সমষ্টিত উপ-নিৰ্বাচনৰ বাবে আজি এখন গুৰুত্বপূৰ্ণ সভা আহ্বান কৰা হৈছিল আৰু সভাত কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত এখন চাৰিজনীয়া প্ৰাৰ্থী বাছনি সমিতি গঠন কৰি দিয়া হৈছে আৰু এই চাৰিজনীয়া সমিতিখনে প্ৰাৰ্থী হ'ব বিচৰাসকলৰ পৰা আবেদন গ্ৰহণ কৰি প্ৰাৰ্থী নিৰ্বাচন কৰিব।' আগন্তুক উপ-নিৰ্বাচনত ককলাবাৰী পৰিষদীয় সমষ্টিত আমি নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হ'ম। জিএছপিয়ে অবড়ো সুৰক্ষা সমিতিক নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ অনুমতি প্ৰদানেৰে সাংসদ নৱ কুমাৰ শৰণীয়াই শুভেচ্ছা প্ৰদান কৰিছে বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে দুই এদিনতেই প্ৰাৰ্থী নিৰ্বাচিত কৰা হ'ব। আজি আমি প্ৰাৰ্থী হ'ব বিচৰাসকলৰ পৰা আবেদন বিচাৰিছো। সেয়ে আবেদন আজিৰ পৰা আহিব নিশ্চয়। যোৱাবাৰ আমাৰ প্ৰাৰ্থী মৃদুল দাসে কম ভোটৰ ব্যৱধানত পৰাজয়বৰণ কৰিছিল। কিন্তু এইবাৰ ককলাবাৰী পৰিষদীয় সমষ্টিটো আমি ইউপিপিএলৰ দখলৰ পৰা আমাৰ দখললৈ আনিব পাৰিম।

# নগাঁৱত হেৰ'ইনসহ মহিলা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ মে' ঃ** নগাঁও আৰক্ষীৰ ড্ৰাগছ বিৰোধী অতি কঠোৰ অভিযানৰ মাজতো নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী কেতবোৰ অঞ্চলত একাংশ সমাজ বিৰোধী চক্ৰই ড্ৰাগছৰ ৰমৰমীয়া বেহা অব্যাহত ৰাখিছে। অতি উদ্বেগজনক বিষয়টো হ'ল, এই ড্ৰাগছ মাফিয়াসকলে ইয়াৰ সৰবৰাহ আৰু বেহাত একাংশ অসাধু মহিলাক নিয়োজিত কৰিছে। আজি তেনে এগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী চেঁচামুখৰ এটা ভাড়াঘৰৰ পৰা টাউন ইটাচালী আৰক্ষী চকীৰ আৰক্ষীয়ে ড্ৰাগছৰ ব্যৱসায়ৰ লগত জড়িত মহিলা গৰাকীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ ঘৰৰ পৰা জব্দ কৰিছে বৃহৎ পৰিমাণৰ হেৰ'ইন, ড্ৰাগছ ভৰাবলৈ অনা খালী কণ্টেইনাৰৰ উপৰি বহু সংখ্যক পাচবুক, এখন চেক, কিছু আপত্তিজনক নথি-পত্ৰ আৰু তিনিখন স্কুটী। ধৃত ড্ৰাগছ সৰবৰাহকাৰী মহিলাগৰাকীৰ নাম সীমা বৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি সীমা বৰা নামৰ এই মহিলাগৰাকীয়ে নগাঁৱৰ বিভিন্ন স্থানত ঘৰ ভাড়ালৈ লৈ ড্ৰাগছৰ ব্যৱসায় চলাই থাকি শেহতীয়াকৈ চেঁচামুখৰ এই ঘৰটো ভাড়ালৈ লৈ পুনৰ লিপ্ত হৈছিল ড্ৰাগছৰ ব্যৱসায়ত। বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আৰক্ষীয়ে আজি এই ঘৰটোত অভিযান চলাই ড্ৰগছসহ সীমা বৰাক কৰায়ত্ত কৰে যদিও সীমা বৰাৰ বোৱাৰী পিংকী পলাই যাবলৈ সক্ষম হয়। উল্লেখ্য যে ধৃত বৰা চেঁচামুখৰ স্থায়ী বাসিন্দা নহয় আৰু কিছুদিন পূৰ্বে চেঁচামুখত এই ঘৰটো ভাড়ালৈ লৈছিল বুলি জনায় স্থানীয় লোকে।

# ১১৩.৮৩ কোটিৰ কাম দিল্লীৱালা

*ছয় পৃষ্ঠাৰ পৰা* প্ৰমাণপত্ৰ লৈ ১১৩.৮৩ কোটি টকাৰ কামৰ নিবিদাত অংশগ্ৰহণ কৰিব নোৱাৰে। ৰাজ্যখনৰ নগাঁও জিলাত চৰকাৰে ৰূপায়ণ কৰিব বিচৰা কাম স্থানীয় ঠিকাদাৰক কৌশলেৰে কৰিবলৈ নিদি বহিৰাগত ঠিকাদাৰক নিয়োজিত কৰি এক বৃহৎ অংকৰ ধন লুণ্ঠন কৰিবলৈ এনে কাৰ্যত জড়িত হৈছে বুলি অভিযোগ কৰিছে আৰটিআই কৰ্মী নাথে। শক্তি মন্ত্ৰী আৰু বিভাগীয় বিষয়াই ১১৩.৮৩ কোটি টকাৰ ঠিকা দিল্লীৱালা ঠিকাদাৰক গতাই দি থলুৱা ঠিকাদাৰক ভাতে মৰাৰ ব্যৱস্থা কৰিব বিচাৰিছে বুলি মন্তব্য কৰি নাথে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে।

# ব্যৱসায়ীৰ বাবে কৃত্ৰিম বানত ডুবিছে

*ছয় পৃষ্ঠাৰ পৰা* চুবুৰিটো। ৱালখন বহুৱাৰ সময়ত ৰাইজে পানী যোৱা পথটো বন্ধ নকৰিবলৈ বাৰম্বাৰ অনুৰোধ কৰিছিল যদিও ৰাইজৰ অনুৰোধক কৰ্ণপাত নকৰিলে ব্যৱসায়ীজনে। তাৰ পৰিৱৰ্তে সেই দেৱালৰ ভিতৰৰ অংশ ডেকাই ধ্যান ফাউণ্ডেচনক গো-শালা স্থাপনৰ বাবে ভাড়াত দিয়াত গো-শালাৰ গোবৰ-মূত্ৰৰে এতিয়া ভৰিছে চুবুৰিটো। উপায়বিহীন ভুক্তভোগী ৰাইজে সমস্যাটো সমাধানৰ বাবে কামৰূপ জিলা উপায়ুক্তক আহ্বান জনাইছে।

# বিশ্বনাথৰ সাধাৰুপাৰৰ ব্ৰইলাৰ ফাৰ্মত

*ছয় পৃষ্ঠাৰ পৰা* ধৰি কে'বাখনো গাঁও বুৰাই পেলায়। আনহাতে, এই বাঢ়নী পানীৰ ফলত সাধাৰুপাৰৰ গজেন বৰাৰ ব্ৰইলাৰ ফাৰ্মখন বুৰ যোৱাত প্ৰায় ১৮০০ ব্ৰইলাৰৰ মৃত্যু হয়। তদুপৰি শ'লমাৰী, লাওদলনী আৰু সাধাৰুপাৰৰ আন কে'বাখনো ব্ৰইলাৰ ফাৰ্ম পানীত বুৰ যোৱাত বিস্তৰ ক্ষতিসাধন হয়। ইফালে, তিনিসুঁতিত মিজিকা নদীয়ে ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। তামোলকে ধৰি অন্যান্য বহু গছ নদীৰ বুকুত জাহ গৈছে। আনহাতে, বাঢ়নী পানীৰ ফলত লেহুগাঁও পঞ্চায়তৰ পাভৈ মিজিকা মূল সংযোগী পথ খহাই দিয়াৰ ফলত আজি যাতায়াত স্তব্ধ হৈ পৰে। নেৰানেপেৰা বৰষুণৰ ফলত বিশ্বনাথৰ কে'বাখনো গাঁও প্লাবিত হৈছে। এই অঞ্চলসমূহত থকা প্ৰায় ৪০-৫০টা মান পৰিয়ালৰ বাসগৃহত পানী সোমাই ঘৰত থাকিব নোৱাৰা পৰিৱেশৰ সৃষ্টি হৈছে। যাৰ বাবে এই পৰিয়াল আশ্ৰয় শিবিৰত থাকিবলগীয়া হৈছে।

# চতিয়াত ঘিলাধাৰী নৈৰ কাষৰ সুঁতিত

*ছয় পৃষ্ঠাৰ পৰা* পথৰ ওপৰত থকা দলঙৰ পৰা নামনি অংশৰ বৰভেটী, কুহৰ আটী, পলসনি অঞ্চলত ব্যাপক বেদখল হৈছে। এই অংশৰে বৈ গৈ নদীখন ঘিলাধাৰী মুখত গঁড়েহাগী সুঁতিত মিলিত হৈ ব্ৰহ্মপুত্ৰত পৰিছে। নৈখনৰ পলসনি-কুহৰ আটিৰ মাজৰ অংশৰ এৰাসুতি বৰহোলাত বান্ধ দি বহু লোকে বৃহৎ বৃহৎ পুখুৰী খন্দাত এই অংশটোত নদীখনৰ স্বাভাৱিক গতি ৰুদ্ধ হৈ পৰিছে। স্থানীয় ৰাইজে চৰকাৰী মাটি দখল কৰি অবৈধভাৱে খন্দা পুখুৰীসমূহ উচ্ছেদ কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

# কুকুৰমাৰাত ৰাষ্ট্ৰীয় পথত উভালি পৰিল

*ছয় পৃষ্ঠাৰ পৰা* বিষয়া বলেন কলিতা, ছয়গাঁও আৰক্ষী থানাৰ বিষয়া মহম্মদ আফাজুদ্দিন আহমেদ আৰু কুকুৰমাৰাৰ বন বিষয়া ধৰ্মেন্দ্ৰ বৰুৱা ঘটনাস্থলীত উপস্থিত হয়। বন বিভাগৰ দলে গছ কাটি ঘাই পথছোৱা মুকলি কৰাৰ সময়ত এডাল গছৰ ডাল হঠাতে ছিটিকি আহি আহত হয় বন বিষয়া বৰুৱা। উল্লেখ্য যে বৃহৎ আকাৰৰ আহত গছজোপা গুৰিৰ পৰা উভালি যোৱাৰ ফলত অত্যন্ত ব্যস্ত ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথটি দীৰ্ঘসময় বন্ধ হৈ থকাৰ সম্ভেদ পোৱাৰ পাছতেই কুকুৰমাৰা গাঁৱৰ যুৱকসকল উপস্থিত হৈ আৰক্ষী আৰু বন বিভাগক সহায় কৰে। যুৱকসকলৰ পদক্ষেপক শলাগ লয় আবদ্ধ হৈ থকা যানবাহনৰ কৰ্মচাৰীৰ লগতে যাত্ৰীসকলে। উল্লেখ্য যে অঞ্চলটোৰ ৰাষ্ট্ৰীয় পথছোৱাত আজিও বহু কেইজোপা শতায়ু গৰকা গছৰ বাবে পুনৰ এনে ঘটনা সংঘটিত হ'ব পাৰে বুলি জানিবলৈ দিছে স্থানীয় ৰাইজে।

# তেজপুৰত ড্ৰাগছসহ গ্ৰেপ্তাৰ মাতৃ-পুত্ৰ

*ছয় পৃষ্ঠাৰ পৰা* যোৱা নিশা তেজপুৰৰ ভিতৰুৱা অঞ্চল কুৰকানিৰ আব্দুল কাদিৰৰ বাসগৃহত এই অভিযান চলাই আৰক্ষীয়ে ড্ৰাগছৰ বেহাৰে জড়িত থকাৰ অভিযোগত কাদিৰৰ পত্নী জোহৰা খাতুন (৫০) আৰু পুত্ৰ আব্দুল হাচিফ (২৫)ক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে। অভিযোগ অনুসৰি এই মাতৃ-পুত্ৰই দীৰ্ঘদিন ধৰি নিজ গৃহৰ পৰাই ড্ৰাগছ সৰবৰাহ কৰাৰ লগতে এক ৰমৰমীয়া বজাৰ গঢ়ি তুলিছিল। বিশেষকৈ অঞ্চলটোৰ একাংশ যুৱকক দুয়ো যোগান ধৰি আহিছিল মাৰাত্মক ড্ৰাগছ। যোৱা নিশা গোপন খবৰৰ ভিত্তিত চলোৱা অভিযানত খাতুন আৰু হাচিফৰ কৱলৰ পৰা ১৯ টা প্লাষ্টিক কণ্টেইনাৰ ভৰ্তি আৰু সন্দেহ কৰা মতে নিষিদ্ধ হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে অভিযুক্ত মাতৃ-পুত্ৰক কৰায়ত্ত কৰাৰ লগতে ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এএছ-১৩ এম-০৫০৪ নম্বৰৰ এখন ৰয়েল এনফিল্ড মটৰ চাইকেলো জব্দ কৰে। উল্লেখ্য যে ধৃত হাচিফৰ স্বীকাৰোক্তিৰ ভিত্তিত পাছত বৰঘাট ঝাৰণি অঞ্চলৰ পৰা উছমান আলী নামৰ আন এজন যুৱককো ড্ৰাগছ সৰবৰাহৰে জড়িত থকাৰ অভিযোগত আটক কৰে আৰক্ষীয়ে।

# মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱত

*ছয় পৃষ্ঠাৰ পৰা* কৰে। ধৰ্মালোচনা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়নৰ সহকাৰী অধ্যাপক মৃণাল কুমাৰ বৰুৱাই। সন্ধিয়া বৰপেটা সত্ৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাসগৃহত বন্তি প্ৰজ্বলন কৰা হয়। সত্ৰৰ স্থায়ী ৰংগমঞ্চত সন্ধিয়াৰে পৰা পৰিৱেশন কৰা হয় সাংস্কৃতিক অনুষ্ঠান। কাইলৈ পুৱা অনুষ্ঠিত হ'ব নাম-প্ৰসংগ। নাম-প্ৰসংগৰ অন্তত ভক্তপ্ৰাণ ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হ'ব। বিয়লি টুপৰ চোতালত অনুষ্ঠিত হ'ব আইসকলৰ নাম । সন্ধিয়া সত্ৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাসগৃহত বন্তি প্ৰজ্বলন কৰা হ'ব।

# সত্ৰশালৰ ৰামৰাইকুটি সত্ৰত মাধৱদেৱৰ

*ছয় পৃষ্ঠাৰ পৰা* নাম কীৰ্তন আৰু গায়ন-বায়নসকলে নাম কীৰ্তন পৰিৱেশন কৰে। বিয়লি থিয়নাম, বন্তি প্ৰজ্বলন আৰু নিশা ন বজাত সেৱাৰ গীতেৰে অনুষ্ঠানৰ সামৰণি পৰিব। ইপিনে, ৰামৰাইকুটি সত্ৰৰ মূল নামঘৰৰ পুনৰ নিৰ্মাণ ইতিমধ্যে সম্পন্ন হৈছে। নামঘৰটো উদ্বোধন কৰি সত্ৰৰ সেৱাৰ বস্তু তথা চতুৰ্ভুজ বিগ্ৰহ নৱ নিৰ্মিত নামঘৰত স্থাপন কৰাৰ বাবে ইতিমধ্যে মুখ্যমন্ত্ৰীক যোগাযোগ কৰা হৈছে যদিও শীঘ্ৰে উদ্বোধনৰ ব্যৱস্থা কৰা হ'ব বুলিও জানিব পৰা গৈছে। ৰামৰাইকুটি সত্ৰৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে ভকতসকলৰ স'তে গুৰুজনাক সোঁৱৰে আৰু ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে ওৰে দিনটো এই কাৰ্যসূচী ৰূপায়ণ কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড,** গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**

**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**

**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

# জলজীৱন মিছন আঁচনিৰ নামত মেৰাপানীত কেলেংকাৰি

## ■ কণ কণ ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি একাংশ ঠিকাদাৰৰ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১৭ মে' ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগ গোলাঘাট সংমণ্ডলৰ অধীনত জলজীৱন মিছন আঁচনিৰ দ্বাৰা বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহৰ কণ কণ শিশু, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে আৱণ্টন দিয়া বিশুদ্ধ খোৱা পানী যোগানৰ নামত মেৰাপানীত চলিছে ব্যাপক অনিয়ম। গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত মেৰাপানী, তৰাণি, কাছমাৰী, আদৰ্শ, অৰুণাচল, ৰতনপুৰ আদি কে'বাখনো গাঁও পঞ্চায়তত বিদ্যালয় তথা অংগনৱাড়ী কেন্দ্ৰসমূহত বিশুদ্ধ খোৱাপানী যোগানৰ নামত ঠিকাদাৰৰ ব্যাপক অনিয়মৰ তথ্য পোহৰলৈ আহিছে। মেৰাপানী অঞ্চলটোৰ কে'বাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক, পৰিচালনা সমিতি তথা অভিভাৱকসকলে কৰা অভিযোগৰ ভিত্তিত বিদ্যালয়সমূহত সাংবাদিকৰ এটা দলে চৰজমিন তদন্ত কৰি ঠিকাদাৰৰ দুৰ্নীতিৰ দস্তাৱেজ পোহৰলৈ আনিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, মেৰাপানীৰ ডাঃ কে এন শইকীয়া বালিকা বিদ্যালয়, এক নম্বৰ নেঘেৰীবিল প্ৰাথমিক বিদ্যালয়, তৰাণিৰ তৰাণি কাকডোঙা উচ্চ মাধ্যমিক বিদ্যালয়, ২১ নম্বৰ ওপৰ তৰাণি প্ৰাথমিক বিদ্যালয়ত বিভাগীয় নীতি অনুযায়ী আঁচনি ৰূপায়ণৰ বিপৰীতে জালিয়াতিৰে কাম ৰূপায়ণৰ অপচেষ্টা কৰিছে একাংশ দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে। প্ৰাক্কলন অনুসৰি, এই চলমান পানীযোগান আঁচনিত এটা সম্পূৰ্ণ কামৰ বাবে দুলাখ ১০ হজাৰ ২২ টকাকৈ আৱণ্টন দিয়ে আৰু উক্ত টকাৰে ঠিকাদাৰে নতুনকৈ চাৰি ইঞ্চি পাইপত চামাৰচিৱল টিউবৱেল বৰিং কৰি, ভেচেল, ফিল্টাৰসহ ওখ ষ্টেণ্ডত এহেজাৰ আয়তনৰ পানী টেংকী বনব লাগে। ইয়াৰ পাছতো ঠিকাদাৰে পানীৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰত পানীৰ বিশুদ্ধতা, আৰ্চেনিক মুক্তকৰণ আদি নিশ্চিত হোৱাৰ পাছতহে জিলা সংমণ্ডল কাৰ্যালয়ত বিলৰ বাবে আবেদন কৰিব পাৰে। ইয়াৰ বিপৰীতে মেৰাপানীৰ কে'বাটাও কেন্দ্ৰত কাম লাভ কৰা সংশ্লিষ্ট কেইজনমান ঠিকাদাৰে বিভাগীয় সকলো নীতি নিয়ম জলাঞ্জলি দি বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলি অতি নিম্নমানৰ কামেৰে চৰকাৰী ধন আত্মসাতৰ অভিসন্ধি ৰচনা কৰিছে। ক্ষেত্ৰভিত্তিক অধ্যয়নত পোহৰলৈ অহা তথ্য অনুসৰি, অভিযুক্ত ঠিকাদাৰকেইজনে টিউবৱেলসমূহ নিৰ্ধাৰিত বয়িঙৰ বিপৰীতে অতি কমকৈ খনন কৰি, চাৰি ইঞ্চি পাইপৰ বিপৰীতে তিনি ইঞ্চি পাইপ ব্যৱহাৰ কৰিছে। তাতোতকৈ ভয়ংকৰ কথাটো হ'ল যে কে'বাখনো বিদ্যালয়ত নতুনকৈ বৰিং কৰাৰ বিপৰীতে বিদ্যালয়ৰ পুৰণি মাৰ্ক তিনি টিউবৱেলতে নিম্ন গভীৰতাত মটৰ বহুৱাই পানী নিষ্কাসন কৰাৰ তথ্যও পোহৰলৈ আহিছে। আনহে নালাগে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জনস্বাস্থ্য নীতিক ভেঙুচালি কৰি বিদ্যালয়ৰ শৌচাগাৰৰ নিম্ন দূৰত্বতেই পানীৰ উৎস স্থাপন কৰি শিশুসকলৰ জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। বিদ্যালয়সমূহত স্থাপন কৰা জলজীৱন আঁচনিৰ এনে ভয়ংকৰ তথ্য পোহৰলৈ অহাত সাংবাদিকৰ দলটোৱে গোলাঘাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগক ফোনযোগে আঁচনিৰ সবিশেষ জানিব বিচাৰোতেই ঠিকাদাৰৰ জালিয়াতিৰ তথ্য উন্মোচিত হয়। উল্লেখ্য যে চৰকাৰ তথা জনস্বাস্থ্য কাৰিকৰী বিভাগসমূহে জনসাধাৰণৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক আইৰন, আৰ্চেনিক মুক্ত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে ৰাজকোষৰ ধন ব্যয় কৰি বৃহৎ বৃহৎ আঁচনি ৰূপায়ণৰ চেষ্টা কৰিছে যদিও সংশ্লিষ্ট বিভাগসমূহৰ হেমাহি আৰু ঠিকাদাৰৰ দুৰ্নীতিৰ বাবেই প্ৰকৃতাৰ্থত এই আঁচনিসমূহ ফলপ্ৰসূ হোৱাত হেঙাৰৰূপে থিয় দিছে। এই ক্ষেত্ৰত জিলাখনত জলজীৱন মিছনৰ আঁচনিসমূহ সঠিক ৰূপত ৰূপায়ণৰ বাবে ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগক চোকা দৃষ্টি দিয়াৰ আহ্বান জনাইছে।



# নিৰ্ধাৰিত পৰিমাণৰ চাউল নাপালে পোনপটীয়াকৈ অভিযোগ দিয়ক ঃ বজালীত মন্ত্ৰী দাস

বিশেষ সংবাদদাতা

**পাঠশালা, ১৭ মে' ঃ** ৰাজ্যৰ বিপিএল কাৰ্ডৰ হিতাধিকাৰীসকল যাতে নিজৰ প্ৰাপ্যৰ পৰা এক ইঞ্চিও বঞ্চিত নহয়, সেই সংক্ৰান্তত বিশেষভাৱে তৎপৰ হৈ পৰিছে ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। কালি বজালীত মন্ত্ৰীজনে সংবাদ মাধ্যমযোগে এই বিষয়ে সদৰী কৰাৰ লগতে জনপ্ৰিয় সামাজিক মাধ্যম ফেচবুকযোগেও অৱগত কৰি কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদত আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত ৰাজ্যখনৰ প্ৰায় ২.৫০ কোটি বিপিএল কাৰ্ড থকা হিতাধিকাৰীক 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন'ৰ অধীনত নিৰ্ধাৰিতভাৱে পাঁচ কিলোগ্ৰামকৈ আৰু পৰিয়ালে প্ৰতি সৰ্বাধিক ৩৫ কিলোগ্ৰামকৈ চাউল নিৰৱচ্ছিন্নভাৱে যোগান ধৰি অহা হৈছে। ইয়াৰ উপৰি 'প্ৰধানমন্ত্ৰী গৰিব কল্যাণ আঁচনি'ৰ জৰিয়তে পাঁচ কিলোগ্ৰামকৈ অতিৰিক্ত চাউলো এই হিতাধিকাৰীসকলক যোগান ধৰি অহা হৈছে। যদিহে এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে সময়মতে তেওঁলোকৰ প্ৰাপ্য চাউলখিনি পোৱা নাই নাইবা নিৰ্ধাৰিত পৰিমাণতকৈ কম চাউল পাইছে তেনে ক্ষেত্ৰত হিতাধিকাৰীসকলক মন্ত্ৰীজনৰ ফেচবুক পেজযোগে সদৰী কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰী দাসে কয় যে বৰ্তমান সময়ত হিতাধিকাৰীসকলে নিজৰ প্ৰাপ্য চাউল কমকৈ পোৱাৰ কোনো যুক্তি নাই। কিয়নো, ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে এই বিষয়টোত যাতায়তৰ খৰচ, ডিলাৰ মাৰ্জিন, কমিছন আদি নিয়মিতভাৱে পৰিশোধ কৰি আহিছে। পূৰ্বে এইবোৰ নিয়মিতভাৱে হোৱা নাছিল বাবে ডিলাৰসকলে হিতাধিকাৰীক পৰিমাণতকৈ কম ৰেছন যোগান ধৰি তেওঁলোকে আনুষাংগিক খৰচবোৰ আদায় কৰাৰ দিহা কৰিছিল। কিন্তু যিহেতু এতিয়া চৰকাৰে তেওঁলোকৰ খৰচসমূহ পৰিশোধ কৰাৰ ব্যৱস্থা কৰিছে গতিকে এইক্ষেত্ৰত পূৰ্বৰ দৰে চাউল কমকৈ পোৱা অভিযোগৰ যদি পুনৰাবৃত্তি হৈছে তেতিয়াহ'লে অনিয়ম চলি থকা সুলভ মূল্যৰ দোকানৰ সম্পূৰ্ণ ঠিকনাসহ ফোন নম্বৰ আদিৰ সবিশেষ মন্ত্ৰীজনৰ নামত থকা জনপ্ৰিয় সামাজিক মাধ্যম ফেচবুক পেজযোগে জনাবলৈ হিতাধিকাৰীসকলক বিনম্ৰভাৱে অনুৰোধ জনায়।

## মুকালমুৱাত দুৰ্ধৰ্ষ ডকাইত আৰক্ষীৰ জালত

**মুকালমুৱা, ১৭ মে' ঃ** মুকালমুৱা আৰু দৌলাশাল আৰক্ষীৰ অভিযানত ঘোগাৰ পৰা আটক কৰে ডকাইত জুৱেল আলীক। বিভিন্ন ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে আটক কৰে ডকাইত জুৱেলক। দৌলাশাল আৰক্ষী চকীত ৰুজু হৈ থকা ২১৫/২২ নম্বৰৰ গোচৰৰ ভিত্তিত তেওঁক আটক কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে মুকালমুৱাৰ কাপলাবড়ীত আৰক্ষীৰ গুলিত আহত হৈছিল দিলবৰ আলী নামৰ এজন ডকাইত। আৰক্ষীৰ গুলিত আহত দিলবৰ আলীৰ সহযোগী ডকাইত আছিল বুলি সদৰী কৰিছে আৰক্ষীয়ে। সম্প্ৰতি ধৃত আলীক জেৰা অব্যাহত ৰাখিছে দৌলাশাল আৰক্ষীয়ে।



*বিজেপি নেতা শিলাদিত্য দেৱৰ সাম্প্ৰদায়িক মন্তব্যৰ প্ৰতিবাদ মইনবৰীত।*

# ৩৫ নম্বৰ মুদৈজান নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত মাতৃ-শিশুৰ সচেতনমূলক সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**কাকজান, ১৭ মে' ঃ** মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত ৩৫ নম্বৰ মুদৈজান নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত যোৱা ১৪ মে'ত মহিলা সামাজিক সংস্থা আকাশবন্তি মানৱ সেৱা নাৰী সমিতিৰ উদ্যোগত মাতৃ আৰু শিশুৰ ওপৰত এক এলানি সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত সভাত নাৰী সৱলীকৰণৰ বিষয়ৰ লগতে শিশুৰ বৌদ্ধিক সচেতনতাৰ ওপৰত এক আলোকপাত কৰে। উল্লেখ্য যে বৰ্তমান সমাজত নাৰী নিৰ্যাতন যৌতুক, হত্যা, ধৰ্ষণ আদিৰ ওপৰত বিস্তৃতভাৱে ব্যাখ্যা দাঙি ধৰে মানৱ সেৱা নাৰী সংস্থাটোৱে। বিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা পীতাম্বৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত সমল ব্যক্তি হিচাপে টীয়ক প্ৰাথমিত শিক্ষক সন্মিলনীৰ সভাপতি ৰমেন শৰ্মা উপস্থিত থকাৰ লগতে আকাশবন্তি মানৱ সেৱা সমিতিৰ সভানেত্ৰী চম্পাকলি বৰদলৈ, সম্পাদিকা অঞ্জলি প্ৰভা গগৈ, ৰাজু হাজৰিকা, দিপালী মহন্ত পাচনী, সান্ত্বনা শইকীয়া দীপালি বৰুৱা, মৃদুলা বৰুৱা অনাতাঁৰ শিল্পী ইলা দত্ত, অল্পনা ভৰালী, বন্দনা শইকীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আৰাধনা শইকীয়া বৰদলৈ প্ৰমুখ্যে স্থানীয় ৰাইজ উপস্থিত থাকে।

# মৰাণত ২২ মে'ত লেখিকা সংস্থা অসমৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৭ মে' ঃ** অসমৰ লেখিকাসকলৰ শক্তিশালী মঞ্চ লেখিকা সংস্থা, অসমৰ নৱনিৰ্বাচিত সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অহা ২২ মে'ত চৰাইদেউ জিলাৰ মৰাণত অনুষ্ঠিত হ'ব। মৰাণ শাখা লেখিকা সংস্থাৰ সহযোগত মৰাণৰ তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সভাকক্ষত সেইদিনা দিনৰ ১১ বজাৰ পৰা সংস্থাৰ কেন্দ্ৰীয় সভানেত্ৰী মৃদুলা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত সংস্থাই আগন্তুক দিনত ৰূপায়ণ কৰিবলগীয়া বিভিন্ন কাৰ্যাৱলীৰ পৰিকল্পনা যুগুত, সাংগঠনিক দিশ তথা প্ৰকাশনকে ধৰি কে'বাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। গতিকে এই সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা সকলো শাখাৰে কাৰ্যনিৰ্বাহক বিষয়ববীয়া তথা সদস্যাবৃন্দক জৰুৰীভাৱে উপস্থিত থাকিবলৈ লেখিকা সংস্থাৰ প্ৰধান সম্পাদিকা বিজয়া দেৱদাসে আহ্বান জনাইছে। লগতে সংস্থাৰ তিনিমহীয়া পত্ৰিকা অৰ্ধআকাশৰ বাবে লেখা আৰু বৰঙণি লগত লৈ আহিবলৈ সংস্থাৰ পত্ৰিকা সম্পাদিকাই অনুৰোধ জনাইছে।

# জটিল ৰোগত আক্ৰান্ত দক্ষিণপাটৰ নিঃসহায় পৰিয়ালৰ উন্নত চিকিৎসাৰ হেতু সহায় ভিক্ষা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৭ মে' ঃ** আজি পাঁচ মাহ ধৰি অৰ্থৰ অভাৱত উন্নত চিকিৎসা কৰিব নোৱাৰি এক জটিল ৰোগৰে বিছনাত যুঁজি আছে মাজুলী দক্ষিণপাট নাওশালী নিৱাসী মাখন বৰা নামৰ এজন ব্যক্তিয়ে। এটি দৰিদ্ৰ পৰিয়ালৰ মুৰব্বী মাখন বৰা আজি পাঁচ মাহৰ পৰা জটিল দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ গুৱাহাটী বি বৰুৱা কেন্সাৰ হাস্পতালত চিকিৎসা সেৱা গ্ৰহণ কৰি আছে যদিও সম্প্ৰতি ব্যয়বহুল অস্ত্ৰোপচাৰ বাবে অৰ্থৰ প্ৰয়োজন। পৰিয়ালটো আৰ্থিকভাৱে অতি দুৰ্বল হোৱাত ৰোগী মাখন বৰাৰ অস্ত্ৰোপচাৰ অসম্ভৱ হৈ পৰিছে। হৃদয়ৱান ব্যক্তি, ৰাইজক মাজুলী বনগাঁওস্থিত পঞ্জাৱ নেছনেল বেংক শাখাৰ একাউন্ট নম্বৰ ১৩২০০১০২২৩৩৬১ (পূৰ্বত প্ৰকাশ কৰা একাউন্ট নম্বৰ ১৩২০০১০২২৩৩৬২ অত নহয়) আই এফ এছ চি ঃ পি ইউ এন বি ০১৩২০২০অত পোন পটীয়াকৈ অৰ্থ সাহায্য আগবঢ়াই পৰিয়ালটোৰ ভৱিষ্যত মংগল কামনা কৰিবলৈ পৰিয়ালে সংবাদ মাধ্যমৰ যোগে কাতৰ আহ্বান জনাইছে। তদুপৰি ইচ্ছুক ব্যক্তিয়ে ম'বাইল নম্বৰ ৯৯৫৪৮৯০৫৩৫/৯৯৫৭১৯৯৪৬৭ অত যোগাযোগ কৰি সবিশেষ জানিবলৈ পৰিয়ালে বিনম্ৰ অনুৰোধ জনাইছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়লৈ ভকতৰ অনুদান

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৭ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভকতৰ বৰঙণি দ্বাৰা পৰিচালিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়লৈ কালি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্যৰ হাতত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ উপ-সভাপতি অৱসৰপ্ৰাপ্ত অধ্যাপক খগেন ফুকনে একলাখ টকা আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক অনন্ত বৰুৱাই একলাখ টকা অনুদান চেকযোগে জিলা শাখাৰ নামঘৰত প্ৰদান কৰে। দুয়োজন শিক্ষাবিদ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একান্ত সংগী। দুয়োজন ভকতলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ আৰু প্ৰধান সম্পাদক বাবুল বৰাই কৃতজ্ঞতা জ্ঞাপন কৰে।

# বিলাসীপাৰাত অগ্নিদগ্ধ মহিলাৰ মৃত্যু

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ১৭ মে' ঃ** বিলাসীপাৰা চহৰত স্বামী-স্ত্ৰীৰ কাজিয়াৰ মাজতে পত্নীয়ে গাত কেৰাচিন ঢালি জুই লগাই আত্মহত্যা কৰাৰ ঘটনা সংঘটিত হয়। বিলাসীপাৰা চহৰৰ তিনি নম্বৰ ৱাৰ্ড বাতাপাৰাত সংঘটিত হয় এই ঘটনা। ৱাৰ্ডটোৰ বাসিন্দা মাহমুদা বেগমৰ বিগত সাত বছৰ পূৰ্বে বিয়া হৈছিল বগৰীবাৰীৰ আংগাৰকাটা গাঁৱৰ বাসিন্দা ছাহজাহান আলীৰ স'তে। কালি মাহমুদা বেগমে স্বামীসহ ফুৰিবলৈ আহিছিল পিতৃ গৃহ বাতাবৰাত। তাৰ পাছতে যোৱা নিশা স্বামী আৰু বায়েকৰ স'তে কাজিয়াৰ সূত্ৰপাত হয় মাহমুদাৰ। পাছত কাজিয়াৰ আলম লৈ দুটা সন্তানৰ মাতৃ মাহমুদাই নিজৰ গাত কেৰাচিন ঢালি জুই লগাই আত্মহত্যাৰ চেষ্টা চলায়। অগ্নিদগ্ধ অৱস্থাত মহিলাগৰাকীক বিলাসীপাৰা আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে। কিন্তু শাৰীৰিক অৱস্থা অধিক অৱনতি হৈ পৰাত কোকৰাঝাৰ আৰ এন বি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি চিকিৎসালয়খনত চিকিৎসাধীন অৱস্থাত মহিলাগৰাকী মৃত্যুমুখত পৰে। এই ঘটনাত মাহমুদাৰ শৰীৰৰ জুই নুমাবলৈ গৈ স্বামী ছাহজাহানৰো শৰীৰ কিছু পৰিমাণে অগ্নিদগ্ধ হয়।

# খুমটাইৰ হালধীবাৰীত পশুধনৰ বিনামূলীয়া টিকাকৰণ শিবিৰ সম্পন্ন

**খুমটাই, ১৭ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁৱৰ কাষৰীয়া খুমটাইৰ হালধীবাৰীত কালি পশুধনৰ বিভিন্ন ৰোগত, প্ৰতিৰোধৰ বাবে পশুধনৰ বিনামূলীয়া টিকাকৰণ শিবিৰ অনুষ্ঠিত হয়। খুমটাই আঞ্চলিক কৃষক শ্ৰমিক সন্থাৰ উদ্যোগত চংকলা ৰাজ্যিক পশু চিকিৎসালয়ৰ সহযোগত পশুধনৰ চবকা আৰু গল ফুলা ৰোগত প্ৰতিৰোধৰ বাবে প্ৰতিষেধক প্ৰদান কৰে। উল্লেখ্য যে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম গোলাঘাট জিলা সমিতিৰ সম্পাদক চন্দন বৰাই উদ্বোধন কৰা বিনামূলীয়া পশুধনৰ টিকাকৰণ কাৰ্যসূচীত অঞ্চলটোৰ দুশৰো অধিক পশুধনক বিনামূলীয়াকৈ টিকাকৰণ কৰে। এই টিকাকৰণ কাৰ্যসূচীত চংকলা ৰাজ্যিক পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়ক ৰাতুল বৰবৰা, স্থানীয় যুৱক জয়ন্ত গগৈয়ে পশুধনসমূহক টিকাকৰণ কৰি সহায় কৰে। কৃষক শ্ৰমিক সন্থাৰ সম্পাদক বাবুল গগৈয়ে আঁত ধৰা টিকাকৰণ কাৰ্যসূচীত অঞ্চলটোৰ কে'বাগৰাকী আদৰ্শ কৃষক, গোপালকসকল উপস্থিত থাকি খুমটাই আঞ্চলিক কৃষক শ্ৰমিক সন্থাৰ পদক্ষেপক শলাগ লয়।


# টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা উন্মোচন

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১৭ মে' ঃ** সমগ্ৰ অসমৰ বিদ্যালয়সমূহৰ লগতে টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়তো যোৱা ১২ মে'ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ সম্পন্ন কৰা হয়। এই ক্ষেত্ৰত গুণোৎসৱৰ নিৰ্ধাৰিত কাৰ্যাৱলীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিদ্যালয়ৰ গণিত আৰু বিজ্ঞান ক্লাবৰ উদ্যোগত উদয়ন আৰু দাপোণ নামৰ দুখনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ একলব্য সোণোৱাল আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মোহন সোণোৱালৰ উপস্থিতিত দুয়োখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়খনৰ গুণোৎসৱৰ বহিঃমূল্যায়নকাৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাসায়ন বিভাগৰ অধ্যাপক ড° সুৰজিৎ কোঁৱৰে। প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু আভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে।

# তেজপুৰৰ প্ৰতিভাশালী উপাসনালৈ ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছৰ স্বীকৃতি

ষ্টাফ ৰিপ'ৰ্টাৰ




**তেজপুৰ, ১৭ মে' ঃ** তেজপুৰৰ মাজগাঁও হাতভগা চুবুৰি নিৱাসী তথা ইঞ্চপায়াৰ একাডেমীৰ একাদশ শ্ৰেণীৰ প্ৰতিভাশালী ছাত্ৰী উপাসনা কলিতাই তেওঁৰ পাৰদৰ্শিতাৰ বলত নিজৰ নাম ইণ্ডিয়া বুক অৱ ৰেকৰ্ডচত অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে তেওঁ পাঁচবিধ লোকবাদ্য বাদনৰে এই কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যোৱা ১১ এপ্ৰিলত তেওঁ ৰাজ্যৰ পাঁচবিধ লোকবাদ্য ঢোল, খোল, নাগাৰা, গগনা আৰু সুতুলি বজাই প্ৰদৰ্শন কৰাৰ পাছত যোৱা ১৬ মে'ত উপাসনাক তেওঁৰ পাৰদৰ্শিতাৰ বাবে তেওঁৰ নাম ইণ্ডিয়া বুক অৱ ৰেকৰ্ডচত ২২ এপ্ৰিলত অন্তৰ্ভুক্তিৰ বিষয়ে জনোৱা হয়। উল্লেখ্য যে লোকবাদ্যৰ উপৰি প্ৰতিভাশালী উপাসনাই মৃণ্ময় প্ৰতিমা নিৰ্মাণৰ লগতে বিহুনাচ, অভিনয়ৰ ক্ষেত্ৰতো পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ উপৰি জিলা, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়তো সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

# তেজপুৰ হাৰিগাঁৱত ৰংমন, প্ৰতিভা বিকাশ-সজাগতা কাৰ্যসূচী উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৭ মে' ঃ** বেচৰকাৰী সংস্থা 'মান্দল'ৰ উদ্যোগত তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ সহযোগত কালি তেজপুৰৰ নিকটৱৰ্তী হাৰিগাঁৱত এদিনীয়া কাৰ্যসূচীৰে ৰংমন, প্ৰতিভা বিকাশ আৰু সজাগতা অনুষ্ঠান অনুষ্ঠিত হয়। স্থানীয় ৰাইজক ৰংমন অনুষ্ঠানৰ জৰিয়তে মনোৰঞ্জন প্ৰদান কৰা, ছাত্ৰ-ছাত্ৰী তথা নৱপ্ৰজন্মৰ সুপ্ত প্ৰতিভা বিকশিত কৰা আৰু বিশিষ্ট অতিথিবৃন্দৰ ভাষণৰ মাধ্যমেৰে ৰাইজক বিভিন্ন দিশত সজাগতা বৃদ্ধি কৰাই আছিল অনুষ্ঠানটোৰ মূল উদ্দেশ্য। তদুপৰি এই অনুষ্ঠানটোতে বিভিন্ন ক্ষেত্ৰত অসমলৈ সুনাম কঢ়িয়াই অনা ছগৰাকী স্থানীয় যুৱক-যুৱতীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে এই অনুষ্ঠানত ভাৰত পেট্ৰ'লিয়ামৰ সহযোগত আৰু মান্দল বেচৰকাৰী সংস্থাৰ উদ্যোগত চলি থকা ১২মহীয়া চিলাই প্ৰশিক্ষণ দক্ষতা বিকাশ প্ৰকল্পৰ ১১০গৰাকী শিক্ষাৰ্থীয়ে নিজ হাতে চিলাই কৰা বিভিন্ন ধৰণৰ পৰিধানযোগ্য বস্ত্ৰ প্ৰদৰ্শন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জয়া চক্ৰৱৰ্তী, সহকাৰী অধ্যাপক ড° মনোজ দেউৰী তথা ঢেকিয়াজুলিৰ মাংগৰা মুণ্ডা উপস্থিত থাকি কাৰ্যসূচীৰ লগত সংগতি ৰাখি ভাষণ প্ৰদান কৰে। তদুপৰি অনুষ্ঠানটোত মান্দলৰ সভাপতি অনন্ত কুজুৰ তথা সম্পাদক বিষ্ণু মুণ্ডাৰ লগতে কুডুখ সাহিত্য সভাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি জাক্ৰীয়াছ লাক্ৰা আৰু সম্পাদক ইমানুৱেল কুজুৰ, লদন বাৰ্লা উপস্থিত থাকে। উল্লেখ্য যে উক্ত অনুষ্ঠানত টৰণ্টো আন্তঃৰাষ্ট্ৰীয় নাৰী চলচ্চিত্ৰ সমাৰোহত শেহতীয়াকৈ শ্ৰেষ্ঠ যুৱ শিল্পীৰ সন্মান অৰ্জন কৰা নগাঁৱৰ নয়নমণি মুৰাক মান্দলৰ তৰফৰ পৰা ফুলাম গামোচা আৰু প্ৰশংসাপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি এই অনুষ্ঠানতে আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় স্তৰত ফুটবল খেলি ক্ৰীড়া ক্ষেত্ৰত ৰাজ্যলৈ সুনাম কঢ়িয়াই অনা খেলুৱৈ ক্ৰমে একলেইন বাৰ্লা, জন পিটাৰ কুজুৰ, প্ৰীতম তাঁতী, তানিছ ভেংগ্ৰা আৰু সুৰেন মিলিক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে স্থানীয় শিল্পীৰ দ্বাৰা শিশু শ্ৰমিক নিষিদ্ধ কৰা বিষয়ত আধাৰিত 'ইঠিনে কি হৱাথে' শীৰ্ষক বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানটোত নিকামূল, হাৰিগাঁৱৰ ৰাইজৰ লগতে শতাধিক দৰ্শকৰ সমাগম হয়।

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ মঞ্জুৰি পত্ৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৭ মে' ঃ** বিহপুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰা হিতাধিকাৰীসকলক মঞ্জুৰি পত্ৰ বিতৰণ অনুষ্ঠান যোৱা ১৫ মে'ত অনুষ্ঠিত হয়। এই উদ্দেশ্যে বিহপুৰীয়া উন্নয়ন খণ্ডৰ সভাগৃহত আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। খণ্ড উন্নয়ন বিষয়া ভৃগুপতি ৰায়ে আঁত ধৰা সভাখনত বিধায়ক ড° অমিয় কুমাৰ ভূঞাই মঞ্জুৰিপত্ৰ বিতৰণ আৰম্ভ কৰে। সভাত চাৰিখন পঞ্চায়তৰ মুঠ ৭৬১ গৰাকী হিতাধিকাৰীৰ ভিতৰত প্ৰতিখন পঞ্চায়তৰ পৰা ২০জনকৈ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ মঞ্জুৰিপত্ৰ প্ৰদান কৰা হয়। সভাত পঞ্চায়তসমূহৰ সভাপতি, আঞ্চলিক সদস্য আৰু পঞ্চায়তৰ ৱাৰ্ড সদস্যৰ লগতে বহুতো লোক উপস্থিত থাকে।

# কৃত্ৰিম বানৰ কবলত নলবাৰী চহৰ ঃ জীৱন যাত্ৰা ব্যাহত

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৭ মে' ঃ** যোৱা ১৪ মে'ৰ নিশাৰ পৰা হোৱা নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত নলবাৰী চহৰৰ প্ৰতিটো পথ কৃত্ৰিম বানৰ কবলত পৰাত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰে। মাজনিশাৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত চহৰখনৰ হাজো-নলবাৰী পথ, কলেজ পথ, পল্লা পথ, ডাকঘৰ পথ, বেজবৰুৱা পথ, এনটি ৰোড, বৰমা পথ, আইন মহাবিদ্যালয় পথ, গোহাঁইপাৰা পথ, সত্ৰ এমভিৰ পৰা গোপাল বজাৰৰ প্ৰেমদা হোটেল পথকে ধৰি প্ৰতিটো পথ কৃত্ৰিম বানে বুৰাই পেলায়। উল্লেখ্য যে বাৰিষাৰ আগমনৰ লগে লগে পৌৰসভাই চহৰখনৰ নলাসমূহ পৰিষ্কাৰ কৰিব লাগে যদিও এইবাৰ পৌৰসভা গঠন কৰোতে কিছু পলম হৈছিল। তাৰ ফলত নলাসমূহেৰে যি গতিত পানী ওলাই যাব লাগিছিল সেই গতিৰে পানী ওলাই যাব পৰা নাই। যাৰ ফলত দুপৰীয়াৰ ভাগৰ পৰা বৰষুণ নিদিয়াৰ পাছতো কৃত্ৰিম বানে প্ৰতিটো পথ বাতৰি লিখা পৰলৈ বুৰাই ৰাখিছে। উল্লেখ্য যে কৃত্ৰিম বানে আনকি চহৰৰ কে'বাটাও চৰকাৰী কাৰ্যালয়ৰ উপৰি ভালেকেইটা আৱাসিক অঞ্চল বুৰাই পেলোৱাত আৱাসীসকল ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। তদুপৰি দিনটো ৰিক্সা, ঠেলা, ই-ৰিক্সাচালক সকলো ভীষণ সমস্যাত পৰা পৰিলক্ষিত হৈছে। ইফালে, বৰষুণৰ ফলত চহৰখনৰ হাটখোলা বজাৰৰ প্ৰতিটো নলা বুৰ যোৱাত ব্যৱসায়ীসকল হাৰাশাস্তিৰ মুখামুখি হয়। কৃত্ৰিম বানে থানা চ'কৰ পৰা পল্লা পথ, বালিকৰিয়া মালিপাৰা পথ, কাজিপাৰা পথ, তিনকোনীয়া পুখুৰী পাৰৰ পৰা কৈঠালকুছি পথ, মোল্লাপাৰা, শান্তিপুৰ, ছহিদ মুকুন্দ কাকতি হাস্পতালৰ পিছফালৰ অঞ্চল, সোণপুৰ, বিদ্যাপুৰৰ কে'বাটাও উপ-পথ কৃত্ৰিম বানে জলমগ্ন কৰি ৰাখিছে। উল্লেখ্য যে কৃত্ৰিমভাৱে ঠায়ে ঠায়ে আৱাসিক অঞ্চলৰ ঘৰৰ ভিতৰতো পানী সোমাই সমস্যাৰ সৃষ্টি কৰিছে।

# ২২ মে'ত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**চামতা, ১৭ মে'ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত অহা ২২ মে'ত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, সিদিনা পুৱা ন বজাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমানে পতাকা উত্তোলন কৰাৰ পাছতে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুভাষ বৰ্মন আৰু পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে ছহিদ তৰ্পণ কৰিব। এই কাৰ্যসূচীৰ পাছতে স্মৃতি তৰ্পণ কৰিব পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি আৰু কাৰ্যকৰী সভাপতি ক্ৰমে গণেশ বৰ্মন আৰু ৰাজেন বৈশ্যই। পুৱা ৯.৪৫ বজাত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰ্মন, নলবাৰী জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপেন মেনা আৰু পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক প্ৰাণজিৎ ঠাকুৰীয়াই গছপুলি ৰোপণ কৰিব। উল্লেখ্য যে দিনৰ ১০.৩০ বজাত প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন সোঁৱৰণী প্ৰেক্ষাগৃহত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমানৰ সভাপতিত্বত সম্পন্ন হ'ব লগা মুকলি অধিবেশনখন উদ্বোধন কৰিব নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকনে। মুকলি সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি টুটুমণি ফুকনে মুখ্য অতিথি, উদ্যোগ-বাণিজ্য, পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, যোগানমন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্তমল্ল বৰুৱাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। তদুপৰি অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক আৰু সাংগঠনিক সম্পাদক ক্ৰমে মুকুটৰাজ শৰ্মা আৰু কিশোৰজ্যোতি শৰ্মাই নিৰ্দিষ্ট বক্তা, বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মন, বৰমাৰ বিধায়ক ভূপেন বড়ো, পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, ভাৰত বাৰ্তাজীৱী মহাসংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মধুসূদন মেধি আৰু সচেতন নাগৰিক মঞ্চ, অসমৰ সভাপতি চন্দন ভট্টাচাৰ্য, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, লেখক-নাট্যকাৰ নৱৰত্ন পাটোৱাৰী, পকোৱা জিলা পৰিষদৰ সদস্য পৱিত্ৰ কুমাৰ ডেকা, বিশিষ্ট সমাজকৰ্মী পুলক কুমাৰ শৰ্মা, নলবাৰীৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া চুম্পী চুতীয়া, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, বেলশৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিটুমণি শৰ্মা, জনমভূমি এমপ্লয়িজ ইউনিয়নৰ সভাপতি উৎপল ভাগৱতী, অসম বাৰ্তাজীৱী সংঘৰ প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন আৰু কাৰ্যনিৰ্বাহক সদস্যা নৱনীতা কলিতাই আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব। ইফালে, বিয়লি দুই বজাত প্ৰতিনিধি আৰু বিষয়বাছনি সভাখন অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই জনাইছে।

# এজাক বৰষুণতে বিধ্বস্ত ঘগ্ৰাপাৰৰ-কঞাঁজেনী সংযোগী পথ



## ■ পথৰ দুৰৱস্থা শীঘ্ৰে আঁতৰ কৰিবলৈ আছুৰ দাবী

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ১৫ মে' ঃ** সমাগত বাৰিষাৰ পূৰ্বে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কঞাঁজেনী প্ৰাথমিক বিদ্যালয় সংযোগী পথটোত এজাক বৰষুণতে বোকা-পানী একাকাৰ হৈ পৰাত সৰ্বসাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক জীয়াতু ভুগাইছে বুলি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই অভিয়োগ কৰিছে। উল্লেখ্য যে নাৰিকুছি-বৰখলা লোকনিৰ্মাণ বিভাগৰ পথৰ কঞাঁজেনী গাঁৱৰ ফজল আলীৰ ঘৰৰ কাষৰ পৰা কঞাঁজেনী মিলন প্ৰাথমিক বিদ্যালয় হৈ মনছুৰ আলী ঘৰ সংযোগী প্ৰায় ডেৰকিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত প্ৰায় ১৫ বছৰ ধৰি এচপৰাও মাটি নপৰাত সম্প্ৰতি জৰাজীৰ্ণৰূপ ধাৰণ কৰিছে যদিও কোনো এজন জনপ্ৰতিনিধিয়ে উক্ত পথছোৱা পুনৰ নিৰ্মাণ কৰাত মুঠেই গুৰুত্ব প্ৰদান কৰা নাই বুলি স্থানীয় ৰাইজৰ লগতে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ইলীয়াছ আলীয়ে অভিযোগ উত্থাপন কৰিছে। আছুৰ নেতাজনে অভিযোগত কয় যে উক্ত পথছোৱাৰ পকীকৰণতো দূৰৰ কথা প্ৰায় ১৫ বছৰে পঞ্চায়তৰ আওতাত নপৰাত আজি পৰ্যন্ত উক্ত পথছোৱাত এচপৰাও মাটি নিদিয়াত সমাগত বাৰিষা পথছোৱাৰে অহা-যোৱা কৰাত জনসাধাৰণে ভীষণ সমস্যাত পৰিব বুলিও দাবী কৰে। সম্প্ৰতি বাৰিষাৰ পূৰ্বে এজাক বৰষুণতে পথছোৱাৰ বিধ্বস্তৰূপ ধাৰণ কৰাত ছাত্ৰ-ছাত্ৰী, পথচাৰীয়ে নিতৌ যমৰ -যাতণা ভুগি আহিছে বুলি চৰ্চিত হৈছে। শেহতীয়াভাৱে পথছোৱাত বোকা-পানী সৃষ্টি হোৱাত যাতায়ত ব্যাহত হোৱাৰ লগতে বিগত কে'বাদিনো ধৰি হৈ থকা বৰষুণৰ ফলত পথৰে খোজ কাঢ়ি অহা-যোৱাও অসম্ভৱ হৈ পৰিছে। ইপিনে, কঞাঁজেনী মিলন প্ৰাথমিক বিদ্যালয় আৰু কঞাঁজেনী অংগনৱাড়ী কেন্দ্ৰৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে নিতৌ বিপদসংকুলভাৱে অহা-যোৱা কৰাৰ ফলত বিগত সময়ত বহুকেইটা দুৰ্ঘটনা সংঘটিত হৈছিল। বিগত দিনত উক্ত পথছোৱাৰ মেৰামতি তথা পকীকৰণৰ বাবে স্থানীয় ৰাইজ আৰু দল-সংগঠনে ১৩ পৃষ্ঠাত চাওক

# নগাঁৱৰ বজাৰত প্ৰতিষ্ঠিত কোম্পানীৰ নকল বৈদ্যুতিক ফেন

## ■ আৰক্ষীৰ অনুসন্ধান অব্যাহত

বিশেষ সংবাদদাতা
**নগাঁও, ১৭ মে' ঃ** নগাঁও চহৰৰ একাংশ অসাধু ব্যৱসায়ীয়ে তুফান কোম্পানীৰ নকল বৈদ্যুতিক ফেন বিক্ৰী কৰি থকাৰ এক গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি, নগাঁও চহৰৰ একাধিক পাইকাৰী ব্যৱসায়ীয়ে চহৰখনৰ বজাৰত নকল তুফানৰ ফেনৰ এক ৰমৰমীয়া ব্যৱসায় চলাই আহি সাধাৰণ লোকক ঠগি আহিছে। অভিযোগ মতে, যোৱা ১৪ মে'ত তুফান কোম্পানীৰ নামত নিৰ্মাণ কৰা নকল তুফান ফেন নগাঁৱৰ হয়বৰগাঁৱৰ এক প্ৰতিষ্ঠানে সৰবৰাহ কৰি আনিছিল। নগাঁৱৰ হয়বৰ গাঁও আৰক্ষী চকীৰ নাতি দূৰৈৰ এটা ভঁৰালত নমাই থকা হৈছিল ফেনসমূহ। স্থানীয় লোকে এই সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত হয়বৰ গাঁও আৰক্ষীয়ে এক ঠেলা ফেন জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে নগাঁৱত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। এই বিষয়ে জানিব পাৰি তুফান কোম্পানীৰ এজন বিষয়া যোৱা ১৫ মে'ত নগাঁৱলৈ আহি হয়বৰ গাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এই সন্দৰ্ভত আৰক্ষীৰ লগত যোগাযোগ কৰাত আৰক্ষীয়ে এই সন্দৰ্ভত কোম্পানীটোৱে এজাহাৰ দিয়াৰ কথা উল্লেখ কৰাৰ লগতে বিষয়টোৰ অনুসন্ধান অব্যাহত ৰখা হৈছে বুলি জানিবলৈ দিয়ে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত অধিক তথ্য সদৰী কৰিব বিচৰা নাই।

# পৰ্বতাৰোহী নৱ ফুকনৰ বিৰুদ্ধে সমালোচনা

## ■ অভিযোগ শীঘ্ৰে তথ্য সহকাৰে প্ৰমাণ কৰিব নোৱাৰিলে আইনী প্ৰক্ৰিয়াৰ হুংকাৰ

বিশেষ সংবাদদাতা
**শিৱসাগৰ ১৭ মে' ঃ** হেমন্ত বেজবৰুৱা নামৰ এগৰাকী লেখকৰ কালি এখন অসমীয়া দৈনিক কাকতত 'এভাৰেষ্টত অসমীয়া' নামৰ প্ৰকাশ পোৱা লেখাটিত পৰ্বতাৰোহী শিৱসাগৰ চেপনৰ নৱ ফুকনক চূড়ান্তভাৱে সমালোচনা কৰাকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। হেমন্ত বেজবৰুৱাৰ এই লেখনিক লৈ সৰৱ হৈ পৰে ২০১৬ত ভাৰত, চীন, ইৰান, কোৰিয়া আদি আন্তঃৰাষ্ট্ৰীয় ১৪ জনীয়া পৰ্বতাৰোহী দলেটোক নেতৃত্ব দিয়া ফুকনে। শিৱসাগৰ প্ৰেছ ক্লাবত এক সংবাদমেল আয়োজন কৰি ফুকনে লেখক বেজবৰুৱাক তীয্যক মন্তব্যৰে সমালোচনা কৰি কয়, 'হেমন্ত বেজবৰুৱা কোন হয় মই চিনি নাপাওঁ। তেওঁ কাৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ মোৰ কেৰিয়াৰ ধ্বংস কৰাৰ চেষ্টা চলাইছে সেয়া এক ৰহস্যৰ বিষয়। কিন্তু মোৰ পৰ্বতাৰোহণৰ সবিশেষ নজনাকৈ মোৰ বিৰুদ্ধে যি বেজবৰুৱাই মনেসজ্জা লেখনি লেখি মোক অসমৰ জনসাধাৰণৰ আগত লজ্জানত কৰিবলৈ চেষ্টা কৰিলে ইয়াৰ বিৰুদ্ধে মই আদালতৰ কাষ চাপিম। তেওঁ সংবাদমেলখনত উল্লেখ কৰে যে ২০১৬ত তেওঁৰ নেতৃত্বত এভাৰেষ্ট শৃংগ আৰোহণলৈ যোৱা আন্তঃৰাষ্ট্ৰীয় ১৪ জনীয়া পৰ্বতাৰোহী দলটোৰ এগৰাকী সদস্য আছিল হাৰিয়ানাৰ নৰেন্দ্ৰ সিং। সেই সময়ত দলটোৰ সদস্য সিঙৰ পৰ্যাপ্ত পৰিমাণৰ নিজৰ লগত অক্সিজেন মজুত নথকাৰ বাবে তেওঁ এভাৰেণ্ট শৃংগ আৰোহণ কৰিব পৰা নাছিল। যাৰ বাবে দলটোৰ নেতৃত্বত থকা ফুকনে সিঙক এভাৰেষ্ট শৃংগৰ পৰা কে'বা কিলোমিটাৰ আঁতৰত এৰি থৈ ১৩ জনীয়া সদস্যৰ দলটোক লৈ এভাৰেষ্ট আৰোহণ কৰিছিল। পৰৱৰ্তী সময়ত ১৩ জনীয়া দলটো উভতি আহোতে কেম্বৰ পৰা সিঙক লগত লৈ আহে। কিন্তু ২৯ আগষ্ট ২০২০ত দেশৰ ৰাষ্ট্ৰপতিয়ে ১৩ পৃষ্ঠাত চাওক

# কৃত্ৰিম বানত বুৰ গ'ল বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়

**বৰমা, ১৭ মে' ঃ** বৰমাৰ অগ্ৰণী শিক্ষানুষ্ঠান বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন যোৱা ১৫ মে'ত পুনৰ কৃত্ৰিম বানত বুৰ যায়। বিদ্যালয়খনৰ পুৰণি গৃহৰ চাপৰ ভেটি আৰু ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ নামনিত থকা বাবে এজাক বৰষুণ দিলেই বিদ্যালয়খনৰ পৰিৱেশ বিনষ্ট হয়। বিদ্যালয়খনৰ পাছফালে থকা পুখুৰীটো মেটেকাৰে ভৰি থাকে। বৰষুণৰ পানী তৎকালে ওলাই যাব নোৱাৰাৰ বাবে বিদ্যালয়খনৰ সন্মুখ, পাছফাল, অধ্যক্ষৰ কাৰ্যালয়, পৰীক্ষা নিয়ন্ত্ৰণ কক্ষসকলো পানীত বুৰ যায়। কালিৰে ১৩ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত শিক্ষক চাৰউদ্দিনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**হোজাই, ১৭ মে' ঃ** হোজাইৰ মোৱাঝাৰৰ ৰোহিনী পথাৰ নিৱাসী বৰবালি মোক্তাৰ বিদ্যালয়ৰ স্বেচ্ছামূলক অৱসৰপ্ৰাপ্ত শিক্ষক মহম্মদ ছাৰউদ্দিন (৬০)ৰ যোৱা নিজ বাসভৱনত মৃত্যু ঘটে। দীৰ্ঘদিন ধৰি তেওঁ অসুস্থ হৈ আছিল। সামাজিকভাৱে সক্ৰিয় শিক্ষকজনৰ মৃত্যুত হোজাই জিলা কৰ্মচাৰী পৰিষদ, হোজাই জিলা সাহিত্য সভা, যমুনা ভেলী প্ৰেছ ক্লাব, আমছুৰ হোজাই জিলা সমিতি, মোৱাজাৰ প্ৰেছ ক্লাব, মাহেকীয়া আলোচনী জ্ঞান সম্ভাৰ, হোজাই প্ৰেছ ক্লাব, নীলবাগান প্ৰেছ ক্লাব আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীসহ বহু আত্মীয়ক এৰি গৈছে।

# চৰকাৰী অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ বিপণীয়েও চলাই আছে অবৈধ সুৰাৰ বৃহৎ ব্যৱসায়

## ■ নামতিৰ পৰা নগালেণ্ডলৈ সৰবৰাহ হোৱা বৃহৎ পৰিমাণৰ অবৈধ সুৰা হালোৱাটিঙত জব্দ

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ১৭ মে' ঃ** শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষীয়ে পৰহি বিয়লি নগালেণ্ডলৈ সৰবৰাহ কৰা বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নামতি অঞ্চলৰ চৰকাৰী অনুজ্ঞাপত্ৰ থকা এখন বিলাতী সুৰাৰ বিপণীৰ পৰা নগালেণ্ডলৈ সৰবৰাহ কৰা প্ৰায় চাৰিশ বটল অবৈধ বিলাতী সুৰাৰ স'তে এএছ-০৬ বি-০০১৮ নম্বৰৰ মাৰুতি জেন গাড়ীৰ চালকসহ জব্দ কৰে । এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গাড়ী চালক সীমান্ত বৰুৱাক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰা বুলি প্ৰকাশ। উল্লেখ্য যে নামতিৰ চৰকাৰী অনুজ্ঞাপত্ৰ থকা এখন বিলাতী সুৰাৰ বিপণীৰ পৰা দীৰ্ঘদিন ধৰি নগালেণ্ডলৈ অবৈধভাৱে বিলাতী সুৰা সৰবৰাহ কৰাৰ উত্থাপিত অভিযোগৰ মাজতে পৰহি সুৰা বিপণীখনৰ পৰা অবৈধ বিলাতী সুৰা সৰবৰাহ কৰাৰ সময়তে আৰক্ষীয়ে কৰায়ত্ত কৰা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে। লক্ষ্যণীয় যে শিৱসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলত চলি থকা দীৰ্ঘদিনীয়া অবৈধ বিলাতী সুৰা ব্যৱসায় পোহৰলৈ অহাৰ পাছতো সংশ্লিষ্ট বিভাগ অথবা আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰি এনে অবৈধ মদ বেপাৰীক নামমাত্ৰ কৰায়ত্ত কৰি এৰি দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। অসম-নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষীয়ে পৰহি জব্দ ১৩ পৃষ্ঠাত চাওক

# অৱশেষত কালমণি নৈৰ পুনৰ খনন আৰম্ভ

## ■ আজাৰাত কৃত্ৰিম বানৰ সমস্যা সমাধানৰ আশা



অগ্ৰদূত বাৰ্তা
**আজাৰা, ১৭ মে' ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ জৰে, পাটগাঁও, আজাৰা, কাঁহিকুছি অঞ্চলৰ মাজেৰে যোৱা মৃত কালমণি নৈখন জলসম্পদ বিভাগৰ জৰিয়তে পুনৰ খনন কাৰ্য আৰম্ভ কৰাত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণে সন্তোষ প্ৰকাশ কৰিছে। বাৰিষাৰ পূৰ্বে মৃত নৈখনক পুনৰ উদ্ধাৰ কৰাৰ বাবে চৰকাৰীভাৱে লোৱা এনে পদক্ষেপে আগন্তুক বাৰিষাত কিছু হ'লেও ৰাইজক কৃত্ৰিম বানৰ গৰাহৰ পৰা ৰক্ষা কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

উল্লেখ্য যে ৰাণী পাহাৰৰ পৰা বৈ অহা এই নৈখন ১৮৯৭ত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণে খান্দি বোৱাই আনিছিল। এসময়ত জনসাধাৰণে সকলো কামতে ব্যৱহাৰ কৰা উক্ত নৈখনে সমগ্ৰ অঞ্চলটোৰ অতিৰিক্ত পানী ভাগ ওলাই যোৱাত বিশেষ অৰিহণা যোগাই আহিছিল। কালক্ৰমত এচাম অসাধু লোকে নৈখনক ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰাই নহয় বেদখল কৰি নৈখনৰ চিন- মোকাম নোহোৱা কৰে। ফলস্বৰূপে আজি কেইবছৰমানৰ পৰা আজাৰা অঞ্চলৰ অতিৰিক্ত পানীভাগ ওলাই যোৱাৰ কোনো ব্যৱস্থা নোহোৱাৰ ফলত বাৰিষাৰ ১৩ পৃষ্ঠাত চাওক

# চিৰাঙত বুদ্ধ জয়ন্তী উদ্‌যাপন



অগ্ৰদূত ব্যুৰ'
**ৰঙাইগাঁও, ১৭ মে' ঃ** বিশ্বৰ অন্যান্য ঠাইৰ লগতে কালি চিৰাং জিলাতো বুদ্ধদেৱৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। চিৰাং জিলাৰ দেওশ্ৰী পেমা চৌখলিন গনপা বৌদ্ধ মন্দিৰত আয়োজিত বুদ্ধ জয়ন্তী উপলক্ষে দেওশ্ৰী অঞ্চলত বৌদ্ধ ধৰ্মীয় লোকসকলে বিশ্ব শান্তিৰ কামনাৰে এক সমদল উলিয়ায়। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, বিগত তিনিদিনৰ পৰা বুদ্ধ জয়ন্তী উপলক্ষে ধৰ্ম গ্ৰন্থ পাঠ কৰাৰ লগতে ১৩ পৃষ্ঠাত চাওক

# আজাৰা ডাকঘৰত নাই কেৰাণী

## ■ গ্ৰাহকৰ মাজত হাহাকাৰ

অগ্ৰদূত বাৰ্তা
**আজাৰা, ১৭ মে' ঃ** আজাৰা অঞ্চলৰ অতি গুৰুত্বপূৰ্ণ আজাৰা উপ ডাকঘৰত কেৰাণী অবিহনে বিভাগীয় কাম-কাজ চলোৱাত যিদৰে সমস্যাৰ সৃষ্টি হৈছে ঠিক তেনেদৰে বৃহত্তৰ অঞ্চলটোৰ ডাকঘৰত একাউণ্ট থকা গ্ৰাহকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আজাৰা উপ-ডাকঘৰৰ পোষ্ট মাষ্টৰে সদৰী কৰা অনুসৰি আজাৰা উপ-ডাকঘৰত নিযুক্ত কেৰাণীজনে চিকিৎসাৰ বাবে যোৱা সাঁত মে'ৰ পৰা ছুটীত আছে। ফলস্বৰূপে উপ-ডাকঘৰটোত সকলো ধৰণৰ আৰ্থিক লেন-দেন বন্ধ হৈ পৰিছে। ইয়াৰ বিপৰীতে মাজতে এগৰাকী কৰ্মচাৰীক অস্থায়ীভাৱে উক্ত কামৰ বাবে বিভাগীয়ভাৱে নিযুক্ত কৰা হৈছিল যদিও সেই কৰ্মচাৰীজনে অসুখৰ বাবে ছুটী লয়। ফলত ডাকঘৰটোত টকাৰ লেন-দেন সম্পৰ্কীয় সকলো কাম-কাজ বন্ধ হৈ পৰে। উল্লেখ্য যে আজাৰা ৰাজহ চক্ৰৰ বিভিন্ন অঞ্চলৰ বাবে আজাৰা উপ-ডাকঘৰটোৱে ডাক বিভাগৰ একমাত্ৰ তথা ১৩ পৃষ্ঠাত চাওক

# নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত দৰ্শন বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ১৬ মে' ঃ** নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ দৰ্শন বিভাগৰ কাইলৈ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ অনুষ্ঠিত হ'ব। সমাৰোহ পুৱা ন বজাত প্ৰাক্তন শিক্ষাৰ্থীৰ নাম পঞ্জীয়নেৰে আৰম্ভ হ'ব। সমাৰোহৰ অন্যান্য কাৰ্যসূচীৰ লগতে মুকলি সভা, অন্তৰংগ আলাপ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# মৰিগাঁৱত ১৯ জুনৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আছুৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

## জিলা আছুৰ উদ্যোগত অভ্যৰ্থনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১৭ মে' ঃ** মৰিগাঁও নগৰৰ মাজমজিয়াত অহা ১৯ জুনৰ পৰা দুদিনীয়া বৰ্ণাঢ্য আৰু বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ ২০২২ৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস সফলভাৱে ৰূপায়ণ কৰাৰ উদ্দেশ্যে আজি দিনত মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত গান্ধী ভৱন প্ৰাংগণত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা আৰু মৰিগঞা ৰাইজৰ সহযোগত অনুষ্ঠিত সভাই অহা ১৯ আৰু ২০ জুনত আছুৰ কেন্দ্ৰীয় বিষ্ণুৰাভা দিৱস উদ্‌যাপনৰ বাবে এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সদৌ মৰিগাঁও দিজলা ছাত্ৰ সন্থাৰ উদ্যোগত, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাই মৰিগাঁৱৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি তথা বিশিষ্ট শিক্ষাবিদ পোনাৰাম নাথক সভাপতি, অতনু কুমাৰ শৰ্মা আৰু নৱ নাথক কাৰ্যকৰী সভাপতি, আছুৰ উপ-সভাপতি উৎপল শৰ্মাক সাধাৰণ সম্পাদকৰ লগতে দিপুল কুমাৰ নাথ আৰু ৰূপজ্যোতি মেধিক যুটীয়া সম্পাদকৰূপে বাছনি কৰে। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধিয়ে আঁত ধৰা সভাখনত মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা আৰু সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপক আমচংক পৃষ্ঠপোষক আৰু জিলাখনৰ একাধিক বিশিষ্ট লোকক উপদেষ্টাৰূপে ১৩ পৃষ্ঠাত চাওক

# বোকা-পানীৰে একাকাৰ সৌৰামুৰী কদমতলৰ পৰা চন্দ্ৰপুৰলৈ যোৱা পথ

## কাণসাৰ নাই জনপ্ৰতিনিধিৰ



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ১৭ মে' ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত বাৰাংহাটী গাঁও পঞ্চায়তৰ অধীনস্থ সৌৰামুৰী কদমতল চ'কৰ পৰা চন্দ্ৰপুৰলৈ যোৱা পথটো বছৰ বছৰ ধৰি বোকা-পানীৰে একাকাৰ হৈ ৰাইজক জীয়াতু ভোগাই আছে। ইতিমধ্যে পথটোৰ দুৰ্দশা বৰ্ণনা কৰি স্থানীয় বিধায়িকা তথা পঞ্চায়ত প্ৰতিনিধিক বাৰম্বাৰ মেৰামতিৰ বাবে অনুৰোধ কৰি আহিছে যদিও তেওঁলোকে হ'ব হ'ব বুলি ৰাইজক আভুৱা ভাঁৰি দিন নিয়াইছে। বৰ্তমান পথটোৰ অৱস্থা দেখিলে সমষ্টিটোৰ প্ৰকৃত উন্নয়নৰ ছবি স্পষ্ট হৈ পৰে। বোকা আৰু পানীৰ বাবে পথচাৰী জোতা-ছেণ্ডেল হাতত লৈ খোজকাঢ়িব লগা অৱস্থা হৈছে। স্থানীয় বিধায়িকাই যোৱাটো কাৰ্যকালতে পথটি প্লেভাৰ ব্লকৰে নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। পঞ্চায়ত প্ৰতিনিধিও সেই একে কথাই কৈছিল। পিছে কথা আৰু কামৰ মিল নাই বাবে বৰ্তমানলৈ পথটো এনেদৰে থাকিব লগা হ'ব। যাতায়াতৰ দিশৰ পৰা পথটো ১৩ পৃষ্ঠাত চাওক

# সমাজকৰ্মী টিকেন বৰাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ১৭ মে' ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ মাহৰিআটিৰ নিৱাসী বিশিষ্ট সমাজকৰ্মী টিকেন বৰা (৮১)ৰ যোৱা নিশা পৰলোকপ্ৰাপ্তি ঘটে। গড়কাপ্তানী বিভাগত চাকৰি কৰি অৱসৰ গ্ৰহণৰ পাছত ব্যৱসায়ৰ লগতে সামাজিক কাম-কাজত জড়িত হৈ পৰা বৰা সমাজকৰ্মী হিচাপেও তেওঁ অঞ্চলৰ ৰাইজৰ মাজত পৰিচিত আছিল। উদাৰ মনৰ সৰবৰহী লোকজনে বাৰ্ধক্যজনিত কাৰণত মৃত্যুক আঁকোৱালি লয়। পুৱা বৰাৰ মৃত্যুৰ ঘৰৰ বিয়পি পৰাৰ লগে লগে বেবেজীয়াকে ধৰি জনমভূমি মাহৰিআটিত শোকৰ ছাঁই বিৰাজ কৰে। জীৱন নাটৰ যৱনিকা পৰাৰ সময়ত তেওঁ দুই পুত্ৰ-বোৱাৰী, এগৰাকী জী-জোৱাই আৰু নাতি-নাতিনীৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# ঘগ্ৰাপাৰৰ কটকীয়াত স্বাধীনতাৰ ৭৫ বছৰ পাছত এটা পথত পৰিল মাটি ঃ উৎফুল্লিত ৰাইজ

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১৭ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অঞ্চলাধীন কটকীয়া গাঁৱৰ এটি জৰাজীৰ্ণ পথত স্বাধীনতাৰ ৭৫ বছৰ পাছত মাটি পৰাক লৈ ৰাইজ আনন্দিত হৈছে। শেহতীয়াভাৱে ঘগ্ৰাপাৰ গাঁও পঞ্চায়তে পথছোৱাৰ উন্নয়ন কৰাৰ বাবদ আঁচনি গ্ৰহণৰ লগে লগে মাটি আৰু ছেণ্ডগ্ৰেভেল পৰাত ৰাইজৰ দীৰ্ঘদিনীয়া যাতায়াতৰ ক্ষেত্ৰত হোৱা অসুবিধা দূৰ হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ঘগ্ৰাপাৰ দামোদৰ ধাম পথৰ পৰা কটকীয়া গাঁৱৰ বাপুতি কলিতাৰ ঘৰলৈ যোৱা পথছোৱা উন্নীতকৰণৰ নামত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তে পঞ্চদশ বিত্তীয় আয়োগ ২০২০-২০২১ৰ অধীনত দুই লাখ টকা ব্যয় কৰিছে। ইতিমধ্যে পথছোৱাত মাটি আৰু ছেণ্ডগ্ৰেভেল পেলোৱা পথছোৱাৰ দীৰ্ঘদিনীয়া কদৰ্য ৰূপ আঁতৰ হোৱাৰ উপৰিসম্প্ৰতি বাৰিষা পথছোৱাৰে যাতায়াত সুকলমে কৰিব পৰা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাইজ উৎফুল্লিত হৈ পৰাৰ লগতে পথছোৱা পুনৰ নিৰ্মাণ কৰা কাৰ্যৰ বাবে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কটকীয়া গাঁও সভাৰ সদস্য বাপুতি কলিতাক ধন্যবাদ জ্ঞাপন কৰিছে।

# মৰিয়নি পৌৰসভাৰ দ্বাৰা ব্যৱসায়ীক ডাষ্টবিন বিতৰণ

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ১৭ মে' ঃ** মৰিয়নি পৌৰসভাৰ নতুন সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে কেতবোৰ কাৰ্যসূচী হাতত লৈছে। তাৰেই এই অংশস্বৰূপে আজি মৰিয়নি নগৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত একোটাকৈ ডাষ্টবিন বিতৰণ কৰে। কালি প্ৰতিকূল বতৰ সত্বেও ৭০ টা ডাষ্টবিন বিতৰণ কৰে। দোকানে দোকানে এই ডাষ্টবিনসমূহ বিতৰণ কৰে মৰিয়নি পৌৰসভাৰ সদস্যসকলে। কাৰ্যসূচীত মৰিয়নি পৌৰসভাত পৌৰপতি বিশ্বপ্ৰভা শইকীয়া, উপ-পৌৰপতি প্ৰদীপ দাস, দুই নম্বৰ ৱাৰ্ডৰ পৌৰসদস্য শংকৰ চক্ৰৱৰ্তী, তিনি নম্বৰ ৱাৰ্ডৰ পৌৰসদস্য কাজল ভট্টাচাৰ্য, ১০ নম্বৰ ৱাৰ্ডৰ পৌৰসদস্য বিজন মজুমদাৰ, মৰিয়নি পৌৰসভাৰ মৃদুল শইকীয়া আদিয়ে অংশগ্ৰহণ কৰি ডাষ্টবিনসমূহ বিতৰণ কৰে। পৰৱৰ্তী সময়ত আন দোকানসমূহতো এই ডাষ্টবিন বিতৰণ কৰা হ'ব। আনহাতে, মৰিয়নি নগৰৰ সৰু-বৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানক ডাষ্টবিন প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি মৰিয়নি পৌৰসভাৰ সদস্যসকলে এই ক্ষেত্ৰত সকলো ব্যৱসায়ীয়ে সহযোগিতা কামনা কৰে। মৰিয়নি নগৰখনক পৰিষ্কাৰ নগৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মৰিয়নি নগৰৰ ব্যৱসায়ীসকলক সহযোগিতা আগবঢ়াবলৈ মৰিয়নি পৌৰসভাই আহ্বান জনাইছে।

# ধৰ্মপ্ৰাণা মহিলা পদ্মা ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ১৭ মে' ঃ** নলবাৰী জিলাৰ বৰভাগৰ কটপুহা গাঁৱৰ ধৰ্মপ্ৰাণা মহিলা পদ্মা ডেকাৰ আজি নিজ বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যৰ লগতে এজমেটিকত আক্ৰান্ত হৈ তেওঁ নিজ ঘৰতে ইহলীলা ত্যাগ কৰে। ১৯৪৭ত জন্মগ্ৰহণ কৰা ডেকা এগৰাকী ধৰ্মপ্ৰাণা মহিলা আছিল। তেওঁ কটপুহা আয়তী নামদল, কটপুহা শ্ৰীশ্ৰীদুৰ্গাপূজাৰ উপৰি অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় আৰু সামাজিক কৰ্মৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ ছয় পুত্ৰ আৰু এগৰাকী বিবাহিত কন্যাৰ লগতে বহু গুণমুগ্ধক এৰি যায়। তেওঁৰ মৃত্যুত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱা, পশ্চিম উপৰ বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অভিজিত বৈশ্য, সম্পাদক মানস প্ৰতিম তালুকদাৰ, কটপুহা গাঁও উন্নয়ন সমিতি, কটপুহা দুৰ্গা পূজা সমিতি, শ্যামৰায় মন্দিৰ, কটপুহা সেৱক সংঘ, প্ৰাক্তন ছাত্ৰনেতা ৰতন ডেকা, সমাজকৰ্মী ক্ৰমে কৰুণা কলিতা, প্ৰদীপ ডেকা, মুকুট ডেকা, চবিন কলিতা আদিৰ উপৰি বহুজনে শোকপ্ৰকাশ কৰে। ডেকা কটপুহা গাঁৱৰ গাঁওবুঢ়া কমল ডেকাৰ মাতৃ আছিল।

# এপিডিচিএলে চক্ৰবৃদ্ধি সুদত ধন লৈ টেঁটুচেপা দিছে দৰিদ্ৰ গ্ৰাহকক

## ■ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও কৰিলে গ্ৰাহকৰ সমস্যাক আওকাণ

## ■ ভুক্তভোগী গ্ৰাহকৰ আবেদনৰ গুৰুত্ব নিদিলে বিজুলী ভৱনে

বিশেষ সংবাদদাতা
**শিৱসাগৰ ১৭ মে' ঃ** এপিডিচিএলে মাহিলি বিদ্যুতৰ মাচুল লোৱাৰ উপৰি উক্ত মাচুলৰ ওপৰত চক্ৰবৃদ্ধি সুদ সংযোগ কৰি গ্ৰাহকক এতিয়া সমস্যাত পেলাছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অধীনস্থ শিৱসাগৰ চক্ৰৰ পৰা প্ৰতিমাহে এনেদৰে মূল বিদ্যুৎ বিলৰ লগতে অতিৰিক্ত সুদসহ বৃহৎ পৰিমাণৰ বিল প্ৰেৰণ কৰি অহাৰ ফলশ্ৰুতিত এতিয়া ক্ষুব্ধ হৈ পৰিছে সাধাৰণ গ্ৰাহক। উল্লেখ কৰাৰ প্ৰয়োজন যে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অধীনস্থ শিৱসাগৰ চক্ৰৰ দুই নম্বৰ উপ-সংমণ্ডলৰ নিয়ন্ত্ৰণাধীন অঞ্চলৰ তিনি শতাধিকতকৈ অধিক গ্ৰাহকলৈ প্ৰতিমাহে উপ-সংমণ্ডল দুই-এক তৰফৰ পৰা অত্যধিক বিদ্যুৎ বিল প্ৰেৰণ কৰি অহা হৈছে। উল্লেখ্য যে সাধাৰণ এগৰাকী ঘৰুৱা গ্ৰাহকৰ মাহেকত নিয়মীয়া সাত-আঠশ টকা বিদ্যুৎ বিল অহাটো অস্বাভাৱিক নহয়। যিহেতু বহু গ্ৰাহকৰ ঘৰত বিদ্যুৎ চালিত বহু সা-সামগ্ৰী থাকে। কিন্তু এনেধৰণৰ আধুনিক কোনো সা-সামগ্ৰী নথকা গ্ৰাহকলৈও মাহে সাত-আঠশ টকা বিল অহাটো এক অস্বাভাৱিক বিষয়। কিন্তু ইয়াতকৈ ডাঙৰ কথাটো হ'ল যে সাত-আঠশ টকা মাহিলি বিদ্যুৎ বিল আহোতেই গ্ৰাহকৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে, এনে প্ৰেক্ষাপটত বিদ্যুৎ বিভাগে এগৰাকী সাধাৰণ গ্ৰাহকলৈ মাহেকৰ মূৰত ৫০ৰ পৰা ৮০ হেজাৰ টকা পৰ্যন্ত বিদ্যুৎ বিল প্ৰেৰণ কৰি একপ্ৰকাৰে গ্ৰাহকৰ ওপৰত মাধমাৰ দিছে। ভুক্তভোগী গ্ৰাহকে এই সন্দৰ্ভত অসম শক্তি বিতৰণ কোম্পানীৰ শিৱসাগৰ চক্ৰৰ সংশ্লিষ্ট বিষয়াৰ স'তে অত্যধিক বিল কাণ্ডৰ সন্দৰ্ভত জানিব বিচাৰিছিল যদিও কোনো স্পষ্ট উত্তৰ আজিলৈকে দিবলৈ সক্ষম হোৱা নাই বিভাগটোৰ বিষয়াসকলে। শিৱসাগৰ চক্ৰৰ সংশ্লিষ্ট বিষয়াই গ্ৰাহকক অত্যধিক বিলৰ সন্দৰ্ভত যি উত্তৰ দিছে সেই উত্তৰো আজৱ। তেওঁলোকে প্ৰকাশ কৰা অনুসৰি ঠিকাভিত্তিত যি সকল মিটাৰ ৰিডাৰক ১৩ পৃষ্ঠাত চাওক

# মৰিগাঁৱত পুনৰ আৰক্ষীৰ অভিযানত ২৪ টা কণ্টেইনাৰ ভৰ্তি ড্ৰাগছ জব্দ ঃ আটক এক

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১৭ মে' ঃ** মৰিগাঁও আৰক্ষীৰ তীব্ৰ অভিযানত কালি পুনৰ ২৪ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও আৰক্ষীয়ে সন্ধিয়াৰ ভাগত বিশেষ সূত্ৰৰ পম খেদি চলোৱা এক অভিযানত ২৪ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ লুকুৱাই আনোতে মৰিগাঁৱৰ সমীপৱৰ্তী বাছানাঘাটত আৰক্ষীয়ে জব্দ কৰে। মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত আধলাভেটিৰ ছাহজাহান আলী নামৰ এজন সৰবৰাহকাৰীক ড্ৰাগছসহ মৰিগাঁও আৰক্ষীয়ে আটক কৰি বৰ্তমান মৰিগাঁও সদৰ থানাত অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে মৰিগাঁৱত আৰক্ষীৰ গুলিয়েও ৰোধিব পৰা নাই ড্ৰাগছৰ অবাধ প্ৰচলন। মৰিগাঁও আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই কোটি কোটি টকা ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হোৱাৰ লগতে বহু সৰবৰাহকাৰীক ইতিমধ্যে জেললৈ প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। দুদিন পূৰ্বে মিকিৰভেটাত ৯৫ লাখ টকাৰ মূল্য ড্ৰাগছ জব্দ কৰাৰ লগতে আৰক্ষীয়ে এজন সৰবৰাহকাৰীক আটক কৰি জেললৈ প্ৰেৰণ কৰে।




## পৰীক্ষিত ৰজাৰ কাহিনী



**ড° দিলীপ কলিতা**

(১)

তোমালোকে বাৰু পৰীক্ষিত ৰজাৰ নাম শুনিছানে? এই পৰীক্ষিত ৰজাৰ কাহিনী কোৱাৰ পূৰ্বে মহাভাৰতৰ বিষয়ে চমুকৈ ক’ব লাগিব। অতি পুৰণি কালত আমাৰ দেশত হস্তিনাপুৰ নামৰ এখন ৰাজ্য আছিল। সেই ৰাজ্যত শান্তনু নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। সেই শান্তনু ৰজাই গংগাদেৱীক বিয়া কৰাইছিল। গংগাদেৱীৰ দেৱব্ৰত নামৰ এজন সন্তান জন্ম হোৱাৰ পিছত স্বামীৰ লগত এক বিশেষ কথাত মনোমালিন্য হোৱাত তেওঁ শান্তনু ৰজাক এৰি থৈ পুত্ৰ দেৱব্ৰতক লগত লৈ স্বৰ্গলৈ গুছি গৈছিল। কিছুবছৰৰ পাছত গংগা দেৱীয়ে পুত্ৰ দেৱব্ৰতক পুনৰ শান্তনু ৰজাক দি থৈ গৈছিল। ইয়াৰ কিছু বছৰৰ পাছত শান্তনু ৰজাই মাছমৰীয়াসকলৰ ৰজাৰ কন্যা সত্যৱতীক বিয়া কৰোৱাৰ ইচ্ছা প্ৰকাশ কৰি মাছমৰীয়াসকলৰ ৰজাক নিজৰ মনৰ কথা অৱগত কৰিছিল। মাছমৰীয়াসকলৰ ৰজাজন অতি চালাক আছিল। তেওঁ শান্তনু ৰজাক ক’লে, ‘মহাৰাজ, আপোনালৈ মোৰ কন্যাক বিয়া দিব পৰাটো অতি সৌভাগ্যৰ কথা। পিছে ৰাজন এটা কথা, আপুনি মোৰ কন্যাৰ সন্তানক ভৱিষ্যতে হস্তিনাপুৰৰ ৰাজ সিংহাসনত বহিবলৈ দিম বুলি প্ৰতিজ্ঞা কৰিব লাগিব।’ শান্তনু ৰজাই ইতিমধ্যে দেৱব্ৰতক হস্তিনাপুৰৰ যুৱৰাজ পাতিছিলেই। দেৱব্ৰত আছিল অতি গুণী, জ্ঞানী আৰু মহাবীৰ। দেৱব্ৰতৰ দৰে এজন সৰ্বগুণী পুত্ৰক ৰাজ সিংহাসনৰ পৰা ৰজাই বঞ্চিত কৰে কেনেকৈ? ৰজাই সত্যৱতীক বিয়া কৰোৱাৰ সিদ্ধান্ত পৰিত্যাগ কৰি নিজ ৰাজ্যলৈ ঘূৰি আহিল। অহুকাণে পহুকাণে এই কথা দেৱব্ৰতৰ কাণত পৰাত তেওঁ মাছমৰীয়া ৰজাৰ ওচৰলৈ গৈ প্ৰতিজ্ঞা কৰি ক’লে, ‘হে ধীৱৰ ৰাজ, আপুনি মোৰ পিতৃলৈ আপোনাৰ কন্যাক বিয়া দিয়ক। মই প্ৰতিজ্ঞা কৰিছো মই ভৱিষ্যতে হস্তিনাপুৰৰ ৰাজপাটত কেতিয়াও নবহো।’ মাছমৰীয়াসকলক ধীৱৰ বুলিও কয়। দেৱব্ৰতৰ কথা শুনি ধীৱৰ ৰাজে ক’লে, ‘হে দেৱব্ৰত, আপুনি যে প্ৰতিজ্ঞা ৰক্ষা কৰিব তাত মোৰ অলপো সন্দেহ নাই। কিন্তু দেৱব্ৰত, আপুনি ৰাজ সিংহাসনত নবহিলেও আপোনাৰ পুত্ৰই যে হস্তিনাপুৰৰ ৰাজসিংহাসনৰ বাবে দাবী নকৰিব, তাৰ কি মানে আছে?’ ধীৱৰ ৰাজৰ কথা শুনি দেৱব্ৰতে ক’লে, ‘এই বিষয়ে আপুনি চিন্তা নকৰিব। মই ভীষণ প্ৰতিজ্ঞা কৰিছো, মই বিয়াও নাপাতো।’ দেৱব্ৰতে এই ভীষণ প্ৰতিজ্ঞা কৰাত ধীৱৰ ৰাজ আচৰিত হ’ল। দেৱতাসকলে ‘ভীষ্ম’ ‘ভীষ্ম’ বুলি দেৱব্ৰতৰ দেহত আকাশৰ পৰা ফুল ছটিয়ালে। ‘ভীষ্ম’ শব্দই ভীষণ প্ৰতিজ্ঞা কৰি পালন কৰা লোকক বুজায়। তেতিয়াৰ পৰাই দেৱব্ৰতৰ নাম ভীষ্ম হ’ল। তাৰ পাছত দেৱব্ৰতে সত্যৱতীক সজাই পৰাই ৰথত তুলি আনি শান্তনু ৰজাৰ হাতত অৰ্পণ কৰিলে। পিতাক শান্তনুৱে দেৱব্ৰতৰ পিতৃভক্তি দেখি আচৰিত হ’ল। মৰমতে দেৱব্ৰতক সাৱটি ধৰি ক’লে, ‘বোপা, তোমাৰ ইচ্ছামৃত্যুহে হ’ব। তুমি ইচ্ছা নকৰিলে তোমাক কোনেও বধ কৰিব নোৱাৰে। এই বৰ মই তোমাক প্ৰদান কৰিলো।’

## আমাৰ অয়ন ডাক্তৰ

**গায়ত্ৰী দেৱী বৰঠাকুৰ**

‘অ’ মা, জীৱনৰ লক্ষ্য মানেনো কি?’.. পঢ়াৰ টেবুলৰ পৰাই কণমাণি অয়নে মাকক চিঞৰি সুধিলে।

‘অ’ ৰ’বা, ৰ’বা। মই একো শুনা নাই। আৰু ইমান চিঞৰিছা কিয় তুমি? মই গৈ আছো নহয় ওচৰলৈ। ইমানকৈ চিঞৰিব নাপায় নহয়, বাবা।’ কথাখিনি কৈ কৈ মাক অয়নৰ ওচৰ পালেহি। ‘কি বাবা? কি লক্ষ্যৰ কথা কৈছা?’

‘জীৱনৰ লক্ষ্য।’

‘কোনে শিকালে ইমান ডাঙৰ শব্দ দুটা তোমাক।’

‘নহয় মা আজি স্কুলত আমাক সুধিছিলে।’

‘কি ক’লা তুমি।’

‘কি ক’ম মা, একো বুজিয়েই নাপালো।’

‘কি বুজি নাপালা বাবা?’

‘জীৱনৰ লক্ষ্য মানে কি সেইটো কথা মই বুজি নাপালো বুলি এতিয়া দেখোন তুমিহে বুজি পোৱা নাই। দিয়াচোন মা মোক অলপ বুজায়।’

‘শুনা বাবা, জীৱনৰ লক্ষ্য মানে—তোমালোকে আজিকালি ইংৰাজীহে বেছিকৈ বুজা ন। ইংৰাজী ভাষাৰ শিকাৰ লগতে মাতৃভাষাও শিকা উচিত বাবা। সেইবাবে আমি অসমীয়া ভাষা বিষয় হিচাপে থকা স্কুলত তোমাক নামভৰ্তি কৰিছো। বাৰু শুনা জীৱনৰ লক্ষ্য মানে এইম ইন লাইফ। তোমাৰ এইম মানে লক্ষ্য কি? তোমাক দেখোন মই আগতে এই বিষয়ে কৈছো।’

‘কেতিয়া মা?।’

‘মনত পেলোৱাচোন।’

‘মনত পৰা নাই দেখোন মা। এতিয়া আকৌ এবাৰ বুজাই দিয়াচোন মা।’

‘শুনা, আমি যে তোমালোকক অনবৰতে পঢ়া পঢ়া কৰি থাকো; তোমালোকৰ ভালৰ হকে কাম কৰি থাকো তাৰ এটা কাৰণ আছে। কাৰণটো কি জানা? কাৰণ এটাই। আমাৰ জীৱনৰ লক্ষ্য হৈছে তোমালোকক ভাল মানুহ কৰি তোলা। তেনেদৰে প্ৰতিজন মানুহৰে জীৱনৰ এটা লক্ষ্য বা উদ্দেশ্য থাকে আৰু সেই লক্ষ্য বা উদ্দেশ্যত উপনীত হ’বলৈ মানুহে কাম কৰি থাকে, কষ্ট কৰি থাকে বাবা।

‘অলপ বুজিছো মা। যেনেকৈ আমাৰ কাষৰ খুৰীহঁতে ঘৰ বনাই আছে, তেওঁলোকৰ লক্ষ্য হৈছে ঘৰটো সোনকালে সম্পূৰ্ণ কৰা।’

‘অ’ বাবা, ঠিকেই কৈছা তুমি। আমি অন্য এটা উদাহৰণেৰে কথাটো বুজো আহা। আকাশত উৰি থকা চৰাইবোৰ দেখিছা নহয়। বাঁহৰ পৰা চৰাইবোৰ যেতিয়া পুৱাই ওলাই আহে চৰাইবোৰ লক্ষ্য হৈছে নিৰ্দিষ্ট ঠাই সোনকালেই গৈ পোৱাটো।’

‘অ’ মা, চৰাইবোৰে বৰ কষ্ট কৰে ন? ইমান সোনকালে কেনেকৈ উঠে মা?’

‘যেতিয়া মানুহৰ লক্ষ্য স্থিৰ থাকে তেতিয়া মানুহ শুই থাকিব নোৱাৰে বাবা। চৰাইবোৰৰ লক্ষ্য থাকে। গতি থাকে। সেইকাৰণেই শুই থাকিব নোৱাৰে। সোনকালে উঠে আৰু সোনকালে শোৱে। ইমান দূৰ যায় ডেউকা কোবাই কোবাই আৰু ঘূৰিও আহে আপোন ঘৰলৈ সোনকালেই। চৰাইবোৰৰ পৰা আমি আৰু এটা কথা শিকিব পাৰো জানা বাবা।’

‘কি মা, উৰিবলৈ ন মা।’

‘অ’ অ’ সেইটো সঁচা কথা। তাৰ লগতে শিকিব পাৰো নিয়মানুৱৰ্তিতা মানে ডিচিপ্লিন। তোমালোকক যে মই সদায়ে কৈ থাকো Early to bed and early to rise, makes a man perfect and wise. চৰাইবোৰ সোনকালে শোৱে আৰু উঠে সোনকালে। সেই কাৰণে ইমান উৰিব পাৰে। নিয়মৰ মাজেৰে চলিলেহে ডাঙৰ মানুহ মানে ভাল মানুহ হ’ব পাৰিবা অয়ন।’

‘বুজিম মা, আজিৰ পৰা বুজিম।’

‘এয়াহে আমাৰ ভাল ল’ৰা। পিছে এতিয়া কোৱাচোন তোমাৰ জীৱনৰ লক্ষ্য কি, বাবা?’

‘তোমালোকৰ ভাল ল’ৰা হোৱা।’

‘তুমি সঁচাই কৈছানে বাবা? তোমাৰ উত্তৰে মোৰ মনত বৰ আনন্দ দিছে। জানা বাবা, মানুহৰ যেতিয়া লক্ষ্য স্থিৰ থাকে, কোনেও তেওঁক বাধা দি ৰাখিব নোৱাৰে। পৰহি যে মই তোমাক মহাভাৰতৰ অৰ্জুনৰ কাহিনীটো কৈছিলো মনত আছেনে তোমাৰ? আমগছ জোপাত অৰ্জুনে কেৱল চৰাইৰ চকুৰ মণিটোহে দেখিছিলে। একাগ্ৰতা, অধ্যৱসায়, সাধনা--এই শব্দকেইটা তোমাৰ বাবে বৰ কঠিন হৈছে। কিন্তু লক্ষ্যত উপনীত হ’বলৈ হ’লে এইকেইটা তোমাৰ অস্ত্ৰ। যেনে অসীম দাসৰ কথাই চোৱাচোন তুমি। আমি প্ৰথম অসীম দাদাক লগ পাওঁতে তেওঁ ছিক্সত পঢ়ি আছিল। তেতিয়া তোমালোকৰ জন্ম হোৱাই নাই। আজি একাগ্ৰতা, অধ্যৱসায় আৰু কঠোৰ সাধনাৰে অসীম দাদাই সৰ্বভাৰতীয় ইউপিএছচিৰ আইইএছ পৰীক্ষাত মানে আমাৰ দেশৰ চোকা চোকা ল’ৰা-ছোৱালীবোৰৰ মাজত অনুষ্ঠিত পৰীক্ষাত অসমৰ পৰা প্ৰথম



হৈ তাকো এবাৰতে আৰু ইমান কম বয়সতে সফলতা লাভ কৰিছে। এয়া সম্ভৱ হৈছে অসম গৌৰৱ তথা সুপুত্ৰ অভিযন্তা অসীমজ্যোতি গোস্বামীয়ে কৰা কষ্টৰ বাবেহে। জানা অসীম দাদাই সৰুতেই ঠিক কৰি লৈছিল জীৱনৰ লক্ষ্য। আৰু আজি তেওঁ সফল মানে ছাকচেচ হ’ল বাবা। আৰু জানা যেনেকৈ দিনৰ চাকি বেলি, ৰাতিৰ চাকি জোন, তেনেকৈ সুপুত্ৰ মানে এ গুড চ’ন বংশৰ চাকি। ‘সুপুত্ৰো দীপক ঃ কুলে’..বুলি সংস্কৃত ভাষাতো কৈছে। সুপুত্ৰ মানে যি নিজৰ বংশক নিজৰ গুণেৰে পোহৰাই তোলে। নহয় জানো বাবা। বাৰু তোমাৰ ‘মোৰ জীৱনৰ লক্ষ্য’ কবিতাটো মনত আছেনে বাবা?’

‘অ’ মা, তুমি যে মোক শিকাইছিলা। লক্ষ্যধৰ চৌধুৰীয়ে লিখা। মনত আছে মা।’

‘তেনে লক্ষ্য শব্দটো যোৱা বছৰ মানে দ্বিতীয় শ্ৰেণীতেই শুনিছা ন। নাই শুনা বুলি ক’লা কিয়? অলপ আগতে? আৰু শুনা কবিতাটো ‘গজালিৰ লক্ষ্য’ নামেৰেহে আছে এখুদ ককাইদেউ মানে নৱকান্ত বৰুৱাই সম্পাদনা কৰা শিশু কবিতা পুথি ‘মৰুৱা ফুল’ত।’

‘মই পাহৰি গৈছিলো মা। এতিয়াহে মনত পৰিলে।’

‘বাৰু কবিতাটো মনত আছেনে গোৱাচোন এবাৰ।’

মাকৰ কথা মতে অয়নে কবিতাটো আবৃত্তি কৰি শুনালে। মাক বৰ সুখী হ’ল আৰু ক’লে, ‘বাৰু বাবা, বংশৰ চাকি মানে সুপুত্ৰ হোৱাৰ উপৰি তুমি কি চাকৰি কৰিবা। আৰু কিয় কৰিবা?’

চকলেট, মিঠাই খাবৰ বাবে মা?’

‘বাবা!!’

‘মই ধেমালি কৰিছিলো মা। মা, তুমিয়েই কৈ থাকাচোন আমাৰ বংশত ডাক্তৰ নাই বুলি।’

‘নাই আক’।

‘মই ডাক্তৰ হ’ম মা। মই মনে মনে ডাক্তৰ হোৱাৰ সপোন দেখি থাকো।কিন্তু সেই সপোনটোকেই যে জীৱনৰ লক্ষ্য বুলি কয় সেইটো এতিয়াহে বুজি পালো। মা, মা, আৰু কি জানা নীলা বাইদেউৰ কবিতাত যে পুতলাৰ জ্বৰৰ কথা আছে, সেই কবিতাটো পঢ়ি মোৰ বৰ ভাল লাগিছিলে জানা। আৰু তেতিয়াই মই ভাবিছিলো যে মই ডাক্তৰ হ’ম আৰু মানুহৰ বেমাৰ ভাল কৰিম। যেনেকৈ ভয় নাই, ‘ভয় নাই বুলি পুতলাক বেজি দি ডাক্তৰে অসুখ ঠিক কৰিছিলে, তেনেকৈ।’

‘তাৰ কাৰণে যে বহুত কষ্ট কৰিব লাগে, বহুত পঢ়িব লাগিব।

‘অ’ মা, মই পঢ়িম মা। কষ্ট কৰিম। অন্য সময়ৰ কথা বাদেই দিয়া মা, কৰ’নাৰ সময়ত যদি আমাৰ ডাক্তৰ নাথাকিলেহেঁতেন তেনেহ’লে কি হ’ল হয় আমাৰ গতি, এবাৰ ভাবাচোন মা?’

‘তুমি বৰ ভাল কথা চিন্তা কৰিছা বাবা।’

‘মই এজন ভাল ডাক্তৰ হ’ম আৰু সকলোৰে অসুখ ঠিক কৰিম।’

‘আমাৰ আশীৰ্বাদ। তোমাৰ সপোন পূৰ হওক। ঈশ্বৰে মংগল কৰক বাবা। ‘মানৱ সেৱাই প্ৰকৃত সেৱা বুলি পঢ়িছিলো দেখোন কালি কিতাপত 'To serve man is to serve God'..কথাষাৰ তোমাৰ কিতাপত পঢ়িছাই ন বাবা। তুমি ডাক্তৰ হৈ মানুহক শুশ্ৰূষা কৰিবা, তাতকৈ বেছি আমাক একো নালাগে বাবা। আমি তোমাক লৈ যাতে গৌৰৱ কৰিব পাৰো বাবা।’

‘আমাৰ অয়ন তেনে ডাক্তৰ হ’ব।’ ইমান পৰে অয়ন আৰু মাকৰ কথা একান্ত মনে শুনি থকা দেউতাকৰ মাত শুনি অয়ন একে দৌৰে আহি দেউতাকৰ কাষ পালেহি। ভায়েক অহনে ইতিমধ্যে বজাৰৰ পৰা অনা খেলা বস্তুবোৰ মাক আৰু দাদাক দেখুৱাবলৈ ব্যাকুল হৈ পৰিছে। তাৰ মাজতে দেউতাকে ক’লে, ‘তোমালোকে জানানে আজি যে ‘ডাক্তৰ দিৱস’। ক’ব নোৱাৰাকৈয়ে পতা তোমালোকৰ কথায়ে আজিৰ এই দিনটোক বিশেষ কৰি তুলিলে। ১৯৩৩ত ডাঃ বি চাৰ্লছ নামৰ এজন চিকিৎসকৰ পত্নীয়ে প্ৰথম ডাক্তৰ দিৱস পালন কৰিছিলে। ১৯৯১ৰ ৩০ মাৰ্চৰ পৰাই আমেৰিকাই এই দিৱসটো National Doctos Day' হিচাপে পালন কৰি আহিছে। জানা, ডাক্তৰক ভগৱানৰ ৰূপ বুলি আমি শ্ৰদ্ধা, সন্মান জনাঁও। ভালপাওঁ। তোমালোকলৈ মই সেয়ে থেচিচস্কোপ, বেজি আদি থকা খেলা বস্তু আনিছো। ব’লা প্ৰেক্টিচ কৰিবগৈ লাগে। প্ৰথম বেজিটো মোকেই দিবা দেই। হেৰা বেজি লোৱাৰ আগতে চাহ একাপ খাই লওঁহে, আনাচোন সোনকালে।’..দেউতাকৰ কথাত হাঁহিৰ ৰোল উঠিল আমাৰ কণমানি ডাক্তৰ অয়নহঁতৰ ঘৰত আৰু বিয়লি পৰিল আমাৰো মন আকাশত।

## ৰামধেনু

**ঝৰ্ণালী শৰ্মা বৰকটকী**

হুৰ হুৰকৈ বৰষুণ এজাকে  
ধোৱালে ধৰণী  
সেউজীয়াৰে প্ৰকৃতি  
কৰিলে শুৱনি  
ডাৱৰৰ আঁৰ ফালি  
দেখা দিলে কোমল বেলি  
ধৰণীৰ বুকুত মিঠা হাঁহিটিৰে  
দিলে যে পোহৰ মেলি।  
বৰষুণৰ মাজেৰে সৰকি  
আহিল  
বেলিৰ ৰঙীন কণাৰ আভা  
সাতোৰঙৰ ৰেখা আঁকি  
কৰিলে আকাশখন শোভা।  
বেঙুনীয়া, গাঢ় নীলা, নীলা,  
সেউজীয়া  
তাৰ ওপৰতে আছে যে  
হালধীয়া  
সুমথিৰা আৰু ৰঙা ৰঙেৰে  
কৰিছে যে অতি মোহনীয়া।  
সাতোৰঙে গঢ়া এয়া ৰামধেনু  
বৰষুণৰ পাছতহে জিলিকে  
আকাশত  
বিফলতাৰ পাছতহে সফলতা  
আহে  
এই কথা সোঁৱৰাই দিয়ে আমাৰ  
মনত।



*শ্ৰুতিধাৰ শিৱাংগী, দশম শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয় নগাঁও।*



*সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ৰুক্মিণীগাঁও।*

Azadi Ka Amrit Mahotsav
প্ৰধান মন্ত্ৰী আবাস যোজনা (চহৰাঞ্চল)
Pradhan Mantri Awas Yojana (Urban)
150 YEARS OF CELEBRATING THE MAHATMA

State Mission Directorate PMAY-HFA (Urban)
under
Department of Housing and Urban Affairs,
Govt. of Assam


Dr. Himanta Biswa Sarma
Hon'ble Chief Minister, Assam

welcome


Narendra Modi
Hon'ble Prime Minister of India

Hon'ble Chairperson and Hon'ble Members
of the Parliamentary Standing Committee on Housing & Urban Affairs

to the

Griha Pravesh Samaroh & Griha Adharsila Samaroh

Date:18th May 2022
Time: 3.00 PM onwards

সকলোৰে সপোন - ঘৰ হব আপোন

Venue: Jagiroad

/pmayassam.in /1800-123-167-167 /PMAYUASSAM /PMAYUASSAM

Janasanyog/D/3531/22

## সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সাফল্য ঃ ২১ মে'ত প্ৰধানমন্ত্ৰীৰ আদৰণি অনুষ্ঠান

# বধিৰ অলিম্পিকত ভাৰতৰ ১৭ টা পদক



**নতুন দিল্লী, ১৭ মে' ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত হোৱা সদ্য সমাপ্ত বধিৰ অলিম্পিকত ভাৰতীয় দলটোৱে এতিয়ালৈকে কৰা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে অভিনন্দন জনাইছে আৰু অহা ২১ মে'ত তেওঁৰ বাসগৃহত দলৰ সকলো সদস্যকে সাক্ষাৎ কৰিব বুলি কয়। উল্লেখ্য যে ব্ৰাজিলৰ কাক্সিয়াছ ড' চুলত অনুষ্ঠিত ২৪ সংখ্যক বধিৰ অলিম্পিকত ভাৰতে আঠটা সোণ, এটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক লাভ কৰি নিজৰ অভিযান সামৰিছে। এয়া এতিয়ালৈ ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। প্ৰধানমন্ত্ৰী মোদীয়ে টুইট কৰি কয়, 'সদ্য সমাপ্ত বধিৰ অলিম্পিকত এতিয়ালৈকে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে ভাৰতীয় দলটোক অভিনন্দন। আমাৰ দলটোৰ প্ৰতিজন খেলুৱৈয়েই দেশৰ নাগৰিকসকলৰ বাবে এক প্ৰেৰণা। মই ২১ মে'ৰ পুৱা সমগ্ৰ দলটোক মোৰ বাসগৃহত লগ পাম।' উল্লেখ্য যে অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে এইবাৰ বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে টাইকোৱান-ডো খেলুৱৈ অভিনন্দন গোস্বামীয়ে। তেওঁ কোৱাৰ্টাৰ ফাইনেলত ভৰিত আঘাত পাই অভিযান সামৰিছিল। উল্লেখ্য যে মেগা প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে ভাৰতীয় দল বাছনি কৰিবলৈ লক্ষ্ণৌ অনুষ্ঠিত হৈছিল এক বাছনি প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতে প্ৰথমস্থান দখল কৰি অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰে ২০ বছৰীয়া টাইকোৱান-ডো খেলুৱৈ অভিনন্দনে। উল্লেখ্য যে অভিনন্দনক টাইকোৱান-ডোৰ প্ৰাথমিক প্ৰশিক্ষণ দিছিল পিতৃ নিৰঞ্জন গোস্বামীয়ে। পৰবৰ্তী সময়ত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বাছনি পৰীক্ষাত সফলতা লাভ কৰি ৰাষ্ট্ৰীয় স্তৰলৈ উত্তৰণ কৰে। মেধা সম্পন্ন গুৱাহাটীৰ ক্ৰীড়াবিদজনে সম্প্ৰতি ঘৰলৈ উভতি আহিছে।

## উজনি অসম প্ৰাইজমানি টেবুল টেনিচৰ সামৰণি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৭ মে' ঃ** ডিব্ৰুগড়ৰ বিশিষ্ট ক্ৰীড়াবিদ জিতেন্দ্ৰ নাথ চক্ৰৱতী সোঁৱৰনি উজনি অসম প্ৰাইজমনি টেবুল টেনিচ প্ৰতিযোগিতাখনিৰ সামৰণি পৰিছে। উল্লেখ্য যে ডিব্ৰুগড়ৰ জ্ঞানদায়িনী মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হোৱা উজনি অসম প্ৰাইজমানি টেবুল টেনিচ প্ৰতিযোগিতাখনি জীতেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয়। প্ৰাইজমানি টেবুল টেনিচ প্ৰতিযোগিতাখন ল'ৰা আৰু ছোৱালীৰ ১৩ বছৰ অনুৰ্ধ, ১৭ বছৰ অনুৰ্ধ আৰু চিনিয়ৰ পুৰুষ মহিলাৰ মুঠ চাৰিটা শাখাত অনুষ্ঠিত হৈছিল। ফলাফল অনুসৰি ১৩ বছৰৰ অনূৰ্ধ্ব মহিলা বিজয়ী আভাৰিনা গগৈ (নামৰূপ), ৰানাৰ্ছআপ ৰশ্মি চেলেং (উত্তৰ লক্ষীমপুৰ), ১৩ বছৰৰ অনূৰ্ধ্ব ল'ৰাৰ শাখাত আৰ্নেশ বৰুৱা (যোৰহাট), ৰানাৰ্ছআপ ডিব্ৰুগড়ৰ অভিক্ষিত চাংমাই। ইফালে,



জুনিয়ৰ মহিলা শাখাত শিৱসাগৰৰ অৰ্চিতা বৰুৱা বিজয়ী হোৱাৰ বিপৰীতে ৰানাৰ্ছআপ হয় ডিব্ৰুগড়ৰ অনুষ্কা বৰা। আনহাতে, জুনিয়ৰ ল'ৰাৰ শাখাত এককত অধিৰাজ হাজৰিকা চেম্পিয়ন হয়। বিপৰীতে ৰানাৰ্ছআপ হয় ডিব্ৰুগড়ৰ দৃষ্টান্ত বৰা। মহিলাৰ একক শাখাত শিৱসাগৰৰ মূৰ্চনা গোহাঁই চেম্পিয়ন হোৱাৰ বিপৰীতে ৰানাৰ্ছআপ হয় ডিব্ৰুগড়ৰ জিদান গগৈ। শিৱসাগৰৰ অক্ৰশিতা বৰপুজাৰী আৰু নীলিময় দত্তক বিশেষ উদগনি বটাৰে সন্মানিত কৰা হয়। উল্লেখ্য যে প্ৰতিযোগিতাখনত অংশগ্ৰহন কৰিছিল উজনি অসমৰ গোলাঘাট, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ধেমাজি আৰু লক্ষীমপুৰ কেইবাখনো জিলাৰ প্ৰায় দুই শতাধিক প্ৰতিযোগীয়ে।

## ৰোহিতৰ মন্তব্যক সমৰ্থন কৰিলে গাভাস্কাৰেও

# টীম ইণ্ডিয়াত স্থান পোৱাৰ যোগ্যতা আছে তিলক বাৰ্মাৰ

**মুম্বাই, ১৭ মে'ঃ** ভাৰতৰ প্ৰাক্তন অধিনায়ক সুনীল গাভাস্কাৰে মুম্বাই ইণ্ডিয়ানছৰ অধিনায়ক ৰোহিত শৰ্মাৰ মতামতক সমৰ্থন কৰি কয় যে যুৱ তাৰকা তিলক বৰ্মা ভাৰতৰ হৈ অল ফৰ্মেটত খেলিব পৰা এজন বেটছমেন হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। উল্লেখ্য যে চলিত আই পি এল ছিজনত ১৯ বছৰীয়া ভাৰতীয় নবাগত বেটছমেনজনে নিজৰ কৌশল আৰু প্ৰতিভাৰ দ্বাৰা সকলোকে আপ্লুত কৰিছে। আই পি এলৰ আটাইতকৈ ৰোমাঞ্চকৰ ছিজনটোত বাওঁহাতৰ মিডল অৰ্ডাৰৰ বেটছমেনগৰাকীয়ে মুম্বাই দলৰ বাবে অন্যতম বেটছমেন হিচাপে পৰিগণিত হৈছে। তিলকৰ প্ৰদৰ্শনে পাঁচবাৰৰ চেম্পিয়ন দলক নিস্তেজ ছিজনৰ মাজতো বহুখিনি আশা দিবলৈ সক্ষম হৈছে। যুৱ বেটছমেনজনৰ কৌশল আৰু দৃঢ়তাৰ বাবে উচ্চ প্ৰশংসা কৰি কিংবদন্তি ভাৰতীয় অ'পেনাৰগৰাকীয়ে লগতে দাবী কৰে যে তিলক এজন উৎকৃষ্ট ক্ৰিকেটিং জ্ঞান থকা ক্ৰিকেটাৰ, যিয়ে তেওঁক উত্তৰণৰ বাবে সহায় কৰিব। গাভাস্কৰে লগতে কয় যে, তিলক বৰ্মাৰ দক্ষতা স্বাভাৱিকতে আই পি এলত অভাৱনীয় হৈ পৰিছে বিশেষজ্ঞৰ বাবে। যেতিয়া কথাবোৰ নিজৰ মতে নহয় তেতিয়া নিজকে পৃথকৰূপত গঢ়াটোৱে দক্ষতা যি তিলকৰ বেটিঙত প্ৰতিফলিত হৈছে। গাভাস্কৰে তিলকক অধিক প্ৰশংসা কৰি ৰোহিত শৰ্মাৰ পৰ্যবেক্ষণৰ সৈতে একমত যে হায়দৰাবাদৰ উদীয়মান ক্ৰিকেটাৰগৰাকী ভৱিষ্যতে এজন অল ফৰ্মেট ভাৰতীয় দলৰ বেটছমেন হ'ব পাৰে।



## প্ৰিন্স কাশ্যপৰ ব্ৰঞ্জ পদক লাভ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুনগাওঁ, ১৭ মে'ঃ** অলপতে গুৱাহাটীৰ সোণাপুৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ২৮ সংখ্যক সদৌ অসম মুৱাই থাই ২০২২ প্ৰতিযোগিতাত যোৰহাট জিলাৰ হৈ অংশগ্ৰহণ কৰা কুৱালগুৰি বৰুৱাবামুনগাৱৰ প্ৰিন্স কাশ্যপে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ছাব-জুনিয়ৰ শাখাত ২৮ কেজি শাখাত এই কৃতিত্ব অৰ্জন কৰি ব্ৰঞ্জৰ পদকৰ লগতে মানপত্ৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে প্ৰিন্স কাশ্যপ দেৰগাওঁ ডনবস্ক হাইস্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আৰু কুৱালগুৰি নিবাসী প্ৰাঞ্জল প্ৰতিম দত্ত আৰু সুৰভি দত্তৰ একমাত্ৰ পুত্ৰ।



# জুনিয়ৰ বিশ্বকাপ শ্বুটিঙত ভাৰতীয় মহিলা দলৰ সোণ লাভ



**নতুন দিল্লী, ১৭ মে' ঃ** চলিত আই এছ এছ এফৰ জুনিয়ৰ বিশ্বকাপ শ্বুটিঙৰ ২৫ মিটাৰ পিষ্টল দলীয় শাখাৰ ফাইনেলত মনু ভাকেৰ, এশা সিং আৰু ৰিদম ছাংৱানৰ দ্বাৰা গঠিত ভাৰতীয় দলটোৱে আয়োজক জাৰ্মানীক ১৬-২ ৰ ব্যৱধানত পৰাস্ত কৰি সোণ লাভ কৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত ভাৰতৰ মহিলা পিষ্টল শ্বুটাৰে ৫১ ভিতৰত এতিয়ালৈ পাঁচটা সোণৰ পদক লাভ কৰিছে। ৫০ মিটাৰ ৰাইফল থ্ৰী পজিচন মিক্সড টিম প্ৰতিযোগিতাতো ভাৰতে ৰূপৰ পদক লাভ কৰে। ফাইনেলত ভাৰতৰ পংকজ মুখেজা আৰু ছিফঞ্জট কৌৰ ১২-১৬ ত পৰাস্ত হয় পোলেণ্ডৰ মিচাল চ'জন'ভস্কি আৰু জুলিয়া পিঅ'ট্ৰ'স্কাৰ বিৰুদ্ধে। এতিয়ালৈ সামগ্ৰিকভাবে ভাৰতৰ পদকৰ সংখ্যা হ'ল, ১১টা সোণ, ১৩ টা ৰূপ আৰু ৪টা ব্ৰঞ্জ।

## ভলীবল খেলুৱৈ প্ৰদীপ দাসৰ অকাল বিয়োগ

**অগ্ৰদূত বাৰ্তা, নলবাৰী, ১৭ মে' ঃ** নলবাৰী জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক, সুদক্ষ ভলীবল খেলুৱৈ প্ৰদীপ দাসৰ (৪৯) কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি হয়। উল্লেখ্য যে সোনকানি গাঁৱত জন্মগ্ৰহণ কৰা দাসৰ অকাল মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। যোৱা কিছুদিনৰ পৰা সুদক্ষ ভলীবল খেলুৱৈ গৰাকীয়ে যকৃত আৰু তেজৰ ৰোগত ভুগি গুৱাহাটী আয়ুৰচন্দ্ৰা হস্পিতালত চিকিৎসাধীন হৈ আছিল। দাসে ভলীবল খেলাৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জৰিত আছিল। কিছুবছৰ তেওঁ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ঠিকা কৰি জীৱন নিৰ্বাহ কৰিছিল যদিও শেহতীয়াকৈ তেওঁ অঞ্চলটোৰ গো-পূজা চকত গেলামাল দোকানৰ ব্যৱসায় কৰি পৰিয়াল পোহ-পাল দিছিল। অতি মিষ্টভাষী তথা সৰবৰহী দাসৰ নশ্বৰ দেহ বিয়লি ওপজা গাওঁ সোনকানি পোৱাৰ পিছতে অসংখ্য গুণমুগ্ধ আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। খেলুৱৈ গৰাকীৰ মৃত্যুত সোনকানি আদৰ্শ গাওঁ উন্নয়ন সমিতি, শ্বহীদ মুকুন্দ কাকতি স্মৃতি সংঘ, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থা, গো পূজা ব্যাৱসায়ী সন্থা, গো পূজা থান উন্নয়ন সমিতি, গ্ৰাম্য বিকাশ মঞ্চ, শৈশৱ বিদ্যাপীঠ আদি ভালেমান অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

# ফুটবল ৰেফাৰীৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষা



**গুৱাহাটী, ১৭ মে' ঃ** অসম ফুটবল সন্থাৰ ৰেফাৰী বোৰ্ডৰ উদ্যোগত গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, সৰুসজাইত অনুষ্ঠিত ৰেফাৰীসকলৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত নলবাৰী ক্ৰীড়া সন্থাৰ ৰেফাৰী বোৰ্ডৰ পৰা ১৫ গৰাকী ফুটবল ৰেফাৰীয়ে অংশগ্ৰহণ কৰি আটাইকেইজনেই পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছে। শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত উত্তীৰ্ণ ৰেফাৰীসকল হ'ল - হীৰেণ বৰ্মন, জয়ন্ত দত্ত, দুলু তালুকদাৰ, গকুল দাস, নৰজিৎ কলিতা, জাবেৰ আলী, অৰূপ হালৈ, দীপক ৰাজবংশী, বিশ্বজিৎ ভুঞা, ৰাজীৱ দত্ত, জেহৰুল ইছলাম, মইদুল আলী, ভাস্কৰ কলিতা, ভূপেন তালুকদাৰ আৰু সংগীতা কলিতা। পৰীক্ষক হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় ফুটবল ৰেফাৰী, অসম ফুটবল সন্থাৰ ৰেফাৰী বোৰ্ডৰ ৰেফাৰী এছেচৰ তথা নলবাৰী ক্ৰীড়া সন্থাৰ ৰেফাৰী বোৰ্ডৰ সম্পাদক গৌতম কলিতা।

## আন্তঃজিলা ছিনিয়ৰ-জুনিয়ৰ ৰাগবী

**গুৱাহাটী, ১৭ মে' ঃ** অসম ৰাগবী সন্থাৰ উদ্যোগত আৰু নলবাৰী ক্ৰীড়া সন্থাৰ তত্বাবধানত অহা ১৯ মে'ত নলবাৰীৰ চৰকাৰী গৰ্ডন স্কুল খেলপথাৰত আয়োজন কৰা হৈছে ছিনিয়ৰ আৰু জুনিয়ৰ আন্তঃজিলা ৰাগবী প্ৰতিযোগিতা। ইতিমধ্যে সোমবাৰৰ পৰাই নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত গৰ্ডন স্কুল খেলপথাৰত বজালী, বঙাইগাওঁ, বাগসা, তামুলপুৰ, নলবাৰী, চৰাইদেউ, কামৰূপ মহানগৰ আৰু ওডালগুৰি জিলাৰ ল'ৰা-ছোৱালী উভয় শাখাৰে খেলুৱৈসকলৰ অনুশীলন আৰম্ভ কৰিছে। উক্ত প্ৰতিযোগিতাৰ পৰাই আগন্তুক ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতাৰ বাবে ৰাজ্যিক খেলুৱৈৰ দল বাছনি কৰা হ'ব বুলি নলবাৰী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে জনাইছে।





পৃথিৱীৰ সৰ্বোচ্চ শিখৰত 'জয় আই অসম' লিখা গামোচা

# আজি ১০ বছৰত ভৰি দিলে তৰুণ-মনীষৰ এভাৰেষ্ট জয়ে

■ কুলপ্ৰদীপ ভাগৱতী

১৮ মে',২০১৩। পুৱা ছয় মান বজাতে ফোনটো বাজি উঠিছিল। প্ৰনয় দা (প্ৰনয় বৰদলৈ)। 'কুল, তৰুণ এভাৰেষ্টত উঠিল।' কথাষাৰ শুনাৰ লগে লগে অসহনীয় গৰমৰ মাজতো পুৱাৰ পৰিৱেশটো যে কি ৰোমনীয় হৈ উঠিছিল সেই অনুভূতি প্ৰকাশৰ সীমাত আবদ্ধ ৰখা টান। টিভিটো দেখিলো একেজন মানুহৰ মাত। 'আজিৰ দিনটো অসমৰ বাবে গৌৰৱৰ দিন। চিৰস্মৰণীয় দিন। আমাৰ সকলোৰে সপোন পূৰ্ণ কৰি প্ৰথমজন অসমীয়া হিচাপে পৃথিৱীৰ সৰ্বোচ্চ শিখৰ মাউন্ট এভাৰেষ্টত থিয় হ'ল গুৱাহাটীৰ নাৰেংগীৰ তৰুণ শইকীয়া। বহু বছৰ ধৰি এভাৰেষ্ট জয় কৰাটো আমাৰ লক্ষ্য, সপোন আৰু বাসনা আছিল যদিও সেয়া অপূৰ্ণ হৈয়ে আছিল। কিন্তু আজি তৰুণে অসমীয়া গামোছা খন উৰুৱাই দিলে বিশ্বৰ শীৰ্ষ বিন্দুত।' বাতৰিটো কৈ থকা সময়ত প্ৰণয় দাৰ কণ্ঠস্বৰত শুনা গৈছিল আনন্দ আৰু গৌৰৱৰ ঝংকাৰ। কাৰণ এবছৰ পূৰ্বে এভাৰেষ্ট অভিযানলৈ গৈছিল প্ৰণয় দা নিজে। কিন্তু অসাধ্য সাধনত সফল হোৱা নাছিল। এভাৰেষ্ট আৰোহন মুখৰ কথা নহয়। বছৰ বছৰ সাধনাৰ পিছতহে এভাৰেষ্ট অভিযানলৈ যায় বিশ্বৰ পৰ্বতাৰোহী। বহু চেষ্টাৰ পিছতো এভাৰেষ্ট জয়ৰ সপোন অপূৰ্ণ হৈ থাকে মানবৰ বাবে। বিফলতাই হতাশ কৰিব নোৱাৰা দৃঢ় মনৰ মানুহে এভাৰেষ্ট জয় কৰিবলৈ সমৰ্থ হয়। ২০১৩ ৰ ১৮ মে'ৰ দিনা তৰুণ শইকীয়াই প্ৰথম অসমীয়াৰূপে সেই অসাধ্য সাধন কৰিয়েই চিৰস্মৰণীয় গৌৰৱৰ ইতিহাস ৰছনা কৰিছিল। প্ৰথমবাৰৰ বাবে পৃথিৱীৰ শীৰ্ষ বিন্দুত অসম জননীৰ সন্তান। প্ৰথমবাৰৰ বাবে 'জয় আই অসম' লিখা গামোছা উৰিছিল বিশ্বৰ সৰ্বোচ্চ শিখৰত। অকল্পনীয় এই গৌৰব অসমীয়াৰ বাবে। তৰুণ শইকীয়াই ধন্য কৰিছিল অসম মাতৃক। আজি ১০ বছৰত ভৰি দিলে সেই ঐতিহাসিক সাফল্যই। কিন্তু কোন এই তৰুণ? যাৰ সাফল্যৰ বাবে গৰ্বিত হৈছিল অসম জননী। গুৱাহাটীৰ নুনমাটিৰ ৪৬ বছৰীয়া পৰ্বতাৰোহী তৰুণ শইকীয়াই যোৱা চাৰিটা দহক ধৰি পাহাৰ-পৰ্বতৰ মাজতে জীৱন আৰু জীৱিকা অতিবাহিত কৰিছে। মাজতে 'বৃক্ষ' সলনি কৰি জীৱনৰ এক কঠিন যুঁজতো অপৰাজেয় পদাতিকৰ দৰেই যুদ্ধ জয় কৰিবলৈ সক্ষম হৈছে তৰুণে। তেওঁৰ জীৱনৰ কাহিনীও ৰূপ কথাৰ দৰে, কিন্তু সচা। বিদ্যালয়লৈ গৈছিল যদিও খিৰিকিৰে চাই আছিল কাষতে থকা বোন্দা পাহাৰ খনলৈ। কিতাপ পঢ়িছিল যদিও দৃষ্টি আছিল হনুমানে উঠাই অনা হিমালয় খনলৈ। মন বলীয়া হৈ পৰিছিল পৰ্বতৰ শীৰ্ষত থিয় হোৱাৰ বাসনাই। সেয়ে হেপাহ পূৰ্ণ কৰিবলৈ পৰ্বত বগোৱাৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিলে এক্সপ্ল'ৰাৰ্ছত। মানালী আৰু দাৰ্জিলিঙলৈও গ'ল উচ্চ শিক্ষাৰ বাবে। সহায় আৰু মনোবল পাইছিল ঘৰৰ পৰা। তৰুণৰ ঘৰৰ প্ৰতিগৰাকী সদস্য পৰ্বতাৰোহী। লাহে লাহে আৰম্ভ হ'ল তৰুণৰ বিৰামহীন পৰ্বতাৰোহনৰ সাফল্যৰ যাত্ৰা। ২০১০ ত তেওঁ মনিপুৰ পৰ্বতাৰোহন সন্থাৰ পৰা এটা সুযোগ পালে এভাৰেষ্টলৈ যোৱাৰ। উল্লেখ্য যে ড'নাৰ মন্ত্ৰণালয়ে উত্তৰ-পূৰৰ পৰা এটা দল প্ৰেৰণ কৰিছিল এভাৰেষ্ট অভিযানলৈ। এঘাৰ জনীয়া এই দলতে সদস্য হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল তৰুণে। প্ৰতিটো কঠিন অভিযানৰ পূৰ্বে প্ৰয়োজন হোৱা সকলো আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি নিজকে পৰিপক্ক ৰূপত সাজু কৰাটো তৰুণৰ আৰম্ভণিৰ পৰাই অভ্যাস। এভাৰেষ্টৰ প্ৰস্তুতিও চলাইছিল এক দহকৰ পৰাই। অপেক্ষা কৰিছিল কেৱল সুযোগলৈ। ১০ বছৰীয়া সাধনাৰ ফলতে মাউন্ট এভাৰেষ্টত ভৰি থ'বলৈ সক্ষম হৈছিল তৰুণ শইকীয়াই। ২০ মে',২০১৩। নিশা আঠ বজাত এভাৰেষ্টৰ পৰা সুকলমে তৰুণ শইকীয়া বেচকেম্পলৈ ঘূৰি আহিছিল। এভাৰেষ্ট জয় কৰা যিমান প্ৰত্যাহ্বান সিমানে কঠিন সমতললৈ ঘূৰি অহাটোও। কাৰণ অঘটনৰ শংকা পদে পদে। পিছদিনাই যোগাযোগ হৈছিল বেচকেম্পত থকা এভাৰেষ্টজয়ী প্ৰথম অসমীয়া তৰুণ শইকীয়াৰ লগত। তেওঁ জনাইছিল পদে পদে মৃত্যু ভয় থকা তীব্ৰ প্ৰত্যাহ্বানমূলক এভাৰেষ্ট যাত্ৰাৰ কাহিনী। তেওঁলোকৰ এঘাৰজনীয়া দলে ১৭ মে'ৰ দিনাই এভাৰেষ্টত উঠাৰ পৰিকল্পনাৰে ১৪ মে'ৰ দিনা বেচকেম্পৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল যদিও তুষাৰপাতৰ ধুমুহাই অগ্ৰগতিত হেঙাৰ হৈ পৰিছিল। ইয়াৰ মাজতে তিনি গৰাকী আগুৱাই গৈ পূৰ্ব নিৰ্ধাৰিত সূচী মতেই সফলতা লাভ কৰে। কিন্তু বাকী সকল ঘুৰি আহিল। তষাৰপাতে ভাঙি নিছিন্ন কৰিছিল তেওঁলোকৰ নিশা থকা কেম্পো। সমগ্ৰ নিশা উজাগৰে থকাৰ পিছত পিছদিনা নিশা পুনৰ যাত্ৰা আৰম্ভ কৰে। নিশা যাত্ৰা কৰাৰ সুবিধা এয়ে যে সেইসময়ত বৰফ গোট লাগি কঠিন হৈ থাকে। দিনত কৰিলে যিকোনো মুহূৰ্ত্তত বৰফ গলিব পাৰে আৰু তেতিয়া মৃত্যু অনিবাৰ্য। কিন্তু এইবাৰ সকলো আশা কৰাৰ দৰেই হৈ যায়। বতৰ আছিল অনুকুল। ১৮ মে'ৰ দিনা পুৱা ৫.৩০ বজাত তৰুণসহ তেওঁলোকৰ ছগৰাকী সদস্যই এভাৰেষ্ট অভিযান সফল কৰিলে। লগে লগে অসম বুৰঞ্জীত লিপিবদ্ধ হ'ল গ'ল এক সোনালী অধ্যায়ৰ। তৰুণ শইকীয়াৰ লগত উত্তৰ-পূৰৰ পৰা যোৱা এঘাৰ জনীয়া দলত আছিল আৰু এজন অসমীয়া। নাম মনীষ কুমাৰ ডেকা। ঘৰ গুৱাহাটীৰ হাতীগড়ত। কাৰাটে খেলি অসম তথা দেশলৈ বহু সুনাম কঢ়িয়াই অন্য মনীষে পৰবৰ্তী সময়ত দুঃসাহসিক ক্ৰীড়াৰ লগত জড়িত হৈ পৰিছিল। পৰ্বত আৰোহন কৰাতো মনীষৰ নিচা। তদুপৰি মাউন্ট এভাৰেষ্টৰ সৌন্দৰ্যত প্ৰেমত পৰাৰ বাবেই অনেক কষ্ট স্বীকাৰ কৰিয়ো এভাৰেষ্ট অভিযানলৈ গৈছিল তেও। তৰুণ-মনীষৰ ইচ্ছা আছিল একেলগে এভাৰেষ্টত থিয় হ'ব আৰু অসমীয়া গামোছা উৰুৱাই ভাৰতৰত্ন ভূপেন হাজৰিকাৰ গান বজাব তথা গাব পৃথিৱীৰ সৰ্বোচ্চ শীষৰত। কিন্তু প্ৰকৃতিৰ সন্মুখত সকলো দাস হয়। তৰুণে পোৱা প্ৰত্যাহ্বান মনীষেও পালে। তাতকৈয়ো দুখৰ কথাটো আছিল ১৮ মে'ৰ দিনা যেতিয়া তৰুণ শইকীয়াসহ ছজনে এভাৰেষ্ট অভিযান সফল কৰিলে সেইদিনা শ্বেৰপাৰ ভুলৰ বাবে নিচেই কাষলৈ গৈয়ো শীৰ্ষত আৰোহনৰ পূৰ্বেই বেচকেম্পলৈ উলতি আহিবলৈ বাধ্য হৈছিল মনীষ। আশা চুৰমাৰ হৈছিল কিন্তু সপোন জীয়াই ৰাখিছিল মনীষে। নিজৰ লক্ষ্যত অটল হৈ থাকি অপেক্ষা কৰিছিল সময় আৰু সুযোগলৈ। ২১ মে'ৰ দিনা পুৱাই অকলশৰে নতুন যাত্ৰা আৰম্ভ কৰিছিল দৃঢ়মনা মনীষে। ২৪ মে',২০১৩। পুৱা বজাত এইবাৰ তৰুণ শইকীয়াৰ ফোন। সেইদিনাই এভাৰেষ্টৰ শীৰ্ষ বিন্দুত থিয় হ'ল মনীষ। আন এটা গৌৰব অসমলৈ। এসপ্তাহৰ ভিতৰতে এভাৰেষ্টৰ শীৰ্ষত দ্বিতীয়জন অসমীয়া। তৰুণৰ দৰেই মনীষৰ সাফল্যয়ো আনন্দৰ বন্যা বোৱাই দিছিল সমগ্ৰ ৰাজ্যত। দুবাৰকৈ বিফল হোৱাৰ পিছতো বিচলিত নহৈ এভাৰেষ্টত থিয় হোৱাৰ বাসনা পূৰ্ণ কৰা মনীষে উৎসাহিত কণ্ঠস্বৰে দুদিন পাছত কৈছিল এভাৰেষ্ট জয়ৰ ৰোমাঞ্চকৰ কাহিনী। মূলতঃ অক্সিজেনৰ অভাৱ আৰু মানুহ উৰুৱাই নিয়া বতাহ তথা তুষাৰপাতৰ বাবেই হিলেৰী ষ্টেপৰ নিচেই কাষৰ পৰা উলতি আহিছিল মনীষ। বিফলতাই সফলতাৰ মূল খুটি। এই দৰ্শনক বাস্তৱ কৰি অন্তিম চেষ্টাত সফল হৈছিল মনীষ। তাতে আকৌ ভবাতকৈ ২৪ ঘন্টা পূৰ্বে। কিন্তু সমগ্ৰ অভিযানটোত মৃত্যু একেবাৰে ওচৰৰ পৰা দেখা পোৱাৰ কথাও কৈছিল মনীষে। তেওঁলোক যেতিয়া আগবাঢ়িছিল পথত বহুকেইজন পৰ্বতাৰোহীৰ নিথৰ দেহ শ্বেৰপাই কঢ়িৱাই অনা দেখা পাইছিল। এভাৰেষ্ট যোৱাৰ পূৰ্বে টাৱাঙত কৰা যোগ শিবিৰে তৰুণ-মনীষৰ লগতে তেওঁলোকৰ দলটোক বহুখিনি সহায় কৰাৰ কথা স্বীকাৰ কৰে মনীষে। ২৪ মে'ৰ পুৱা ৫.৩০ বজাত এভাৰেষ্টত থিয় হোৱাৰ সময়ত নেপালৰ ফালে জোন ডুবি যোৱা আৰু চীনৰ ফালে বেলি উদয় হোৱা মনোৰম দৃশ্য জীৱনৰ শ্ৰেষ্ঠ আৰু চিৰস্মৰণীয় বুলি কয় ইতিমধ্যে মনীষ কুমাৰ ডেকাই। এভাৰেষ্ট জয়ৰ পাছত মনীষে বিশ্বৰ সাতখন মহাদেশৰ ভিতৰত ছখন মহাদেশৰ শীৰ্ষ পৰ্বত ইতিমধ্যে আৰোহন কৰিলে। এতিয়া বাকী আছে এণ্টাৰ্টিকা। ইতিহাস গঢ়ি অসম জননীক গৌৰৱ দিবলৈ সপোন বাস্তৱ কৰাৰ চেষ্টাত ব্ৰতী মনীষ। উল্লেখ্য যে ২০০৮ ত ভাৰতীয় সেনাৰ দলৰ লগত তামুলপুৰৰ কুনছুক তেম্বাই এভাৰেষ্ট জয়ী কৰিছিল। তেম্বাই ২০১৯ ত অক্সিজেন চিলিণ্ডাৰ অবিহনেও এভাৰেষ্ট আৰোহন কৰি অভিলেখ গঢ়িছে। কিন্তু সাধাৰণ অসমীয়া যুৱক হিচাপে ২০১৩ ত তৰুণ-মনীষে যি সফলতা লাভ কৰিছিল সেয়াই সাহস দিছিল অসমৰ পৰবৰ্তী সময়ৰ পৰ্বোতাৰোহীক। আনহাতে, দৰ্শকবিহীন এই অতিমানৱীয় ক্ৰীড়াৰ নতুন দুৱাৰখন অসমত মুকলি কৰি দিয়ে। যাৰবাবে অসম চৰকাৰৰ অৰ্থসাহায্যত ২০১৬ ত নন্দ দুলাল দাস, খৰছিং টেৰাং, আৰু ডেভিদ হেনৰী টেৰাঙে এভাৰেষ্ট জয় কৰি অনন্য সফলতা লাভ কৰিছিল। সেই বছৰে নৱ ফুকনে এভাৰেষ্ট জয় কৰাৰ পাছত যোৱা সপ্তাহত বৰ্তমানৰ আমেৰিকাৰ বাসিন্দা হাজোৰ হেদায়েৎ আলীয়ে এভাৰেষ্ট আৰোহণ কৰাৰ সফলতা লাভ কৰিছে।



সত্যমেৱ জয়তে
অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ

# অসম

সকলো নাগৰিকৰ বাবে ডিজিটেল আন্তঃগাঁথনি ব্যৱস্থা

"ডিজিটেল আৰু অনলাইন মাধ্যমেৰে নাগৰিক-কেন্দ্ৰীক সেৱা প্ৰদানৰ এক সক্ৰিয় পৰিবেশ সূচনা কৰিবলৈ অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।"

## সকলো নিয়োগ বিনিময় কেন্দ্ৰত সম্পূৰ্ণ অনলাইন পঞ্জীয়ন

ইতিমধ্যে ৬.৪৭লাখ প্ৰাৰ্থীৰ অনলাইন পঞ্জীয়ন সম্পূৰ্ণ

যোৱা ৩১ মাৰ্চ, ২০২২ ইং তাৰিখৰ পৰা নিয়োগ বিনিময় কেন্দ্ৰৰ অফলাইন পঞ্জীয়ণ নম্বৰ সমূহৰ ম্যাদ উকলি গল

https//: employment.assam.gov.in ৰ যোগেদি চাকৰি প্ৰত্যাশী সকলক শীঘ্ৰে পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনোৱা হল

### কেনেদৰে পঞ্জীয়ন, পুনৰ-পঞ্জীয়ন বা পঞ্জীয়ন নৱীকৰণ কৰিব ?

- চাওক - https//: employment.assam.gov.in
- মোবাইল নম্বৰৰ ব্যৱহাৰৰ যোগেদি পঞ্জীয়ন কৰক
- পঞ্জীয়ন/পুনৰ-পঞ্জীয়ন/ পঞ্জীয়ন নৱীকৰণ" বাচনি কৰক
- আধাৰ নম্বৰ সাব্যস্তকৰণ ব্যৱহাৰৰ বিকল্প উপলব্ধ
- নিয়মাৱলীসমূহ ভালদৰে পঢ়ি লওক
- আৱেদন প্ৰ-পত্ৰত উল্লেখিত তথ্যসমূহ পূৰণ কৰক
- পূৰণ কৰা আবেদন প্ৰ-পত্ৰখন জমা কৰক
- প্ৰয়োজনীয় নথি-পত্ৰৰ ডিজিটেল কপিসমূহ আপলোড কৰক

**NRC সংক্ৰান্তত যিসকল প্ৰাৰ্থীৰ AADHAAR নং বন্ধ হৈ আছে, তেওঁলোকে Non-AADHAAR based Registration পদ্ধতিৰে পঞ্জীয়ন কৰি সংশ্লিষ্ট নিয়োগ বিনিময় কেন্দ্ৰত যোগাযোগ কৰিব।**

যিকোনো ধৰণৰ সহায় বা বিতং তথ্যৰ বাবে আমাক যোগাযোগ কৰক
ই-মেইল: employmentassam2021@gmail.com

জনসংযোগ/ডি/৩৪৯২/২২